www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

☐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অসম বাৰ্তা

❐ প্ৰথম বছৰ ❐ সংখ্যা- ৩১০ ❐ শুকুৰবাৰ ❐ ১৮ ছেপ্টেম্বৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 310 ❐ Friday ❐ 18th September, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

যিটো জীৱনক প্ৰেমে প্ৰেৰণা দিয়ে আৰু জ্ঞানে পথ দেখুৱাই, সেইটোৱেই হ'ল ভাল জীৱন। –বাট্ৰাণ্ড ৰাছেল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

▪ গাখীৰ উৎপাদনত দুগ্ধ বিপ্লৱৰ লক্ষ্য ঃ বৃহৎ পৰিকল্পনা ঘোষণা ▪

প্ৰতি লিটাৰ গাখীৰত অতিৰিক্ত ৫ টকাকৈ দিব চৰকাৰে

গৰু পালকসকলৰ বাবে দুগ্ধ সমিতি গঠনৰ ঘোষণা

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ছেপ্তেম্বৰ ঃ গো পালক তথা দুগ্ধ খেতিয়কসকলৰ আয় বৃদ্ধি আৰু ৰাজ্যত গাখীৰ উৎপাদন শক্তিশালী কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক বৃহৎ পৰিকল্পনা আগবঢ়াইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে যে চৰকাৰৰ ফালৰ পৰা প্ৰতি লিটাৰ গাখীৰত ৫ টকাকৈ সহায় প্ৰদান কৰা হ'ব। সেই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে গাখীৰ উৎপাদন বৃদ্ধি কৰি ৰাজ্যত দুগ্ধ বিপ্লৱ কঢ়িয়াই আনিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে গাখীৰ উৎপাদন শক্তিশালী কৰাৰ লগতে গো-পালকসকলৰ বাবে উন্নত সুযোগ

❐ ৬ পৃষ্ঠাত

হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ষ্টুডিঅ' আৰু বাসগৃহত শ্ৰদ্ধাঞ্জলি

জুবিনক্ষেত্ৰত বলীউডৰ সংগীত শিল্পী ছেলিম মাৰ্চেণ্ট

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ বলীউডৰ সংগীত শিল্পী তথা জুবিন গাৰ্গৰ বন্ধু ছেলিম মাৰ্চেণ্টে হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ষ্টুডিঅ' আৰু বাসগৃহত উপস্থিত হৈ তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই ভ্ৰমণৰ সময়ত তেওঁ অসম আৰু অসমীয়া সংগীতৰ প্ৰতি জুবিন গাৰ্গৰ গভীৰ অনুৰাগৰ কথা মনত

❐ ৬ পৃষ্ঠাত

পুনৰ চিত্ৰগৃহত মুক্তি লাভ কৰিব 'ৰৈ ৰৈ বিনালে'

বুক মাই শ্ব'ত আগতীয়া টিকট বুকিং আৰম্ভ

নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ জুবিন গাৰ্গৰ শেষখন ছবি 'ৰৈ ৰৈ বিনালে' পুনৰ চিত্ৰগৃহত মুক্তি লাভ কৰিব। আজি জুবিন গাৰ্গৰ আধিকাৰিক ফেচবুক পৃষ্ঠাত এটা পোষ্টৰ জৰিয়তে এই কথা জনোৱা হৈছে। এই খবৰ প্ৰকাশ পোৱাৰ লগে

❐ ৬ পৃষ্ঠাত

মোদীৰ জন্মদিনত চাকি জ্বলোৱাৰ আহ্বান নে নিৰ্দেশ ?

১৯ ছেপ্টেম্বৰত জুবিন দাৰ প্ৰথম মৃত্যু বাৰ্ষিকীত চাকি জ্বলাবলৈ ৰাইজলৈ আহ্বান গৌৰৱ গগৈৰ

নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ ৰাজনৈতিক আদৰ্শত বিৰোধ থাকিলেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬সংখ্যক জন্মদিনত তেওঁক শুভকামনা জনাইছে বিভিন্ন বিৰোধী নেতাই। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি তথা লোকসভাত বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়েও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। এক্সত এটা পোষ্টত তেওঁ লিখে, "আজি মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী যুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জন্মদিন। এই উপলক্ষে তেখেতক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে

❐ ৬ পৃষ্ঠাত

নগাঁও উপ-নিৰ্বাচনত এক লাখ ভোটৰ ব্যৱধানত জয়ী হ'ম ঃ বদৰুদ্দিন আজমল

কংগ্ৰেছক তীব্ৰ সমালোচনা, বিৰোধীৰ ৰণনীতি বিফল হোৱাৰ দাবী

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ বাবে সকলো প্ৰাৰ্থীয়ে প্ৰচাৰ চলাই থকাৰ সময়তে AIUDF-ৰ মুৰব্বী তথা লোকসভাৰ প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে দাবী কৰিছে যে তেওঁ এই উপ-নিৰ্বাচনত এক লাখ ভোটৰ ব্যৱধানত বিজয়ী হ'ব। মনোনয়ন-পত্ৰ দাখিল কৰাৰ পিছদিনা তেওঁ নগাঁও জিলাৰ কচুৱা তিনিআলিত ভোটাৰসকলৰ মাজত নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ সময়ত

❐ ৬ পৃষ্ঠাত

১৯ ছেপ্তেম্বৰত জুবিন গাৰ্গৰ নামত ৰক্তদান কৰিব মুখ্যমন্ত্ৰীয়ে

প্ৰধানমন্ত্ৰীৰ ৭৬ সংখ্যক জন্মদিনত কুমাৰ ভাস্কৰ বৰ্মা সেঁতুত বন্তি প্ৰজ্বলন মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ছেপ্তেম্বৰঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬সংখ্যক জন্মদিন উপলক্ষে মহানগৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সেতুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বন্তি প্ৰজ্বলন কৰে। এই উপলক্ষে তেওঁ কয় যে অসমৰ ঘৰে ঘৰে লাখ লাখ ৰাইজে চাকি

❐ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানত ৮২,২১৯ গৰাকী হিতাধিকাৰীলৈ সাহায্য বিতৰণ

খানাপাৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ CMAAA 1.0 আৰু ২.০ৰ পুঁজি মুকলি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ছেপ্তেম্বৰ ঃ যুৱপ্ৰজন্মক স্বাৱলম্বী আৰু উদ্যোগমুখী কৰি তোলাৰ লক্ষ্যৰে গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত এক বৰ্ণাঢ্য কাৰ্যসূচীত 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান' (CMAAA)ৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজ হাতে আঁচনিখনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ (CMAAA ১.০ আৰু ২.০) নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত এই পুঁজি বিতৰণৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মুঠ ৮২, ২১৯ গৰাকী হিতাধিকাৰীক ধন প্ৰদান কৰা হয়। ইয়াৰ বাবে ৰাজকোষৰ পৰা প্ৰায় ২৭৮ কোটি টকা ব্যয় হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত ভাষণ

❐ ৬ পৃষ্ঠাত

ৰাহুল, ছোনিয়া, খাৰ্গে, অখিলেশ, মায়াৱতী, পাৱাৰ, ষ্টেলিনসহ বিভিন্ন নেতাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা

ৰাজনৈতিক মতানৈক্যৰ উৰ্ধত উঠি বিৰোধী নেতৃত্বৰ প্ৰধানমন্ত্ৰী মোদীলৈ শুভেচ্ছা

নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্তেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬সংখ্যক জন্মদিন উপলক্ষে দেশজুৰি শুভেচ্ছাৰ জোৱাৰ উঠিছে। ভাৰতীয় জনতা পাৰ্টীয়ে 'আশীৰ্বাদ বন্তি'ৰ লগতে একাধিক কাৰ্যসূচী হাতত লৈছে। ৰাষ্ট্ৰপতিৰ পৰা আৰম্ভ কৰি বিজেপিৰ জ্যেষ্ঠ নেতা, কেন্দ্ৰীয় মন্ত্ৰী আৰু দলীয় কৰ্মীসকললৈকে প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এইবাৰ বিশেষত্ব এই যে ৰাজনৈতিক মতানৈক্য একাষৰীয়া কৰি দেশৰ বিৰোধী নেতৃত্বইও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক জন্মদিনৰ শুভেচ্ছা জনাইছে। বিৰোধী নেতাসকলে তেওঁৰ

❐ ৬ পৃষ্ঠাত

দলঙৰ মাজভাগত বাহনৰ চকা উঠোঁতে এৰিল ধালাই

শৰাইঘাটৰ পুৰণি দলং মুকলিৰ ২৪ ঘণ্টা নৌহওঁতেই বিসংগতি

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ শৰাইঘাটৰ পুৰণি দলং দুমাহজুৰি চলা মেৰামতিৰ অন্তত মুকলি কৰা হৈছিল। ৰে'ল বিভাগে প্ৰায় ৮ কোটি টকা ব্যয় কৰি এই দলংখন মেৰামতি কৰি নতুন ৰূপ প্ৰদান কৰিছিল। কিন্তু দুখলগীয়াভাৱে, দলংখন মুকলি

❐ ৬ পৃষ্ঠাত

১০ অক্টোবৰৰ ভিতৰত দাবী পূৰণ নহ'লে তীব্ৰ প্ৰতিবাদৰ ঘোষণা

কুকি-জো পৰিষদৰ ১০ দফীয়া দাবী মণিপুৰত পুনৰ ৰাষ্ট্ৰপতি শাসনৰ আহ্বান

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্তেম্বৰ ঃ মণিপুৰৰ কুকি-জো জনগোষ্ঠীৰ প্ৰশাসনিক, মানৱীয় আৰু নিৰাপত্তাজনিত সমস্যাসমূহৰ সমাধানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে তাৎক্ষণিক তথা সুনিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি কুকি-জো পৰিষদে দাবী জনাইছে। ১৭ ছেপ্তেম্বৰত কুকি-জো পৰিষদৰ মুখপাত্ৰ তথা তথ্য আৰু প্ৰচাৰ সচিব গিঞ্জা ভুৱেলজঙে জাৰি কৰা এক প্ৰেছ বিবৃতিত এই দাবীসমূহ উত্থাপন কৰা হয়। পৰিষদে অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি, নিৰাপত্তাজনিত উদ্বেগ, ৰাষ্ট্ৰীয় নিৰাপত্তা সংস্থাৰ কাৰ্যকলাপকে ধৰি কেইবাটাও ৰাজনৈতিক দাবী সন্নিৱিষ্ট কৰি মুঠ ১০টা দফা আগবঢ়াইছে। পৰিষদে চৰকাৰক ১০ অক্টোবৰৰ সময়সীমা বান্ধি দিছে। নিৰ্ধাৰিত সময়সীমাৰ

❐ ৬ পৃষ্ঠাত

সংখ্যালঘু ৰাইজৰ সৈতে সংগীত পৰিৱেশন; স্থানীয় লোকেৰে মত বিনিময়

চৰত নাৱৰ পৰাই জুবিনৰ গীত গাই ভোট বিচাৰিলে দেৱাশিস শৰ্মাই

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ বিজেপিৰ প্ৰচাৰ তীব্ৰ হৈ পৰিছে। দলটোৱে সমষ্টিটো পুনৰ দখল কৰাৰ লক্ষ্যৰে প্ৰতিটো বিধানসভা সমষ্টিত সক্ৰিয়ভাৱে প্ৰচাৰ চলাই আছে। এই প্ৰচাৰৰ অংশ হিচাপে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই আজি লাহৰিঘাট সমষ্টিৰ আৰিমাৰি

❐ ৬ পৃষ্ঠাত

চাকি নহয়, ৰাজ্যজুৰি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ

বানত ১০৫ জনৰ প্ৰাণহানিৰ পাছতো অসমলৈ নাহিল মোডী !

১৯ ছেপ্তেম্বৰত জুবিন গাৰ্গৰ স্মৃতিত চাকি জ্বলোৱাৰ ঘোষণা

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ছেপ্তেম্বৰ ঃ ভয়ংকৰ বানপানীত অসমৰ ১০৫ জনৰো অধিক লোকৰ প্ৰাণহানি ঘটিছে। শিৱসাগৰ, চৰাইদেউ, যোৰহাটকে ধৰি উজনি অসমৰ হাজাৰ হাজাৰ পৰিয়ালৰ ঘৰ-ভেটি, পথাৰ, ভঁৰাল আৰু জীৱিকা ধ্বংস হৈছে। এনে পৰিস্থিতিতো বানাক্ৰান্ত অসমৰ কাষত থিয় দিবলৈ

❐ ৬ পৃষ্ঠাত

প্ৰতিটো আশীৰ্বাদে দেশ সেৱাৰ সংকল্প শক্তিশালী কৰে ঃ মোদী

জন্মদিনৰ শুভেচ্ছাৰ বাবে দেশবাসীক ধন্যবাদ জনালে প্ৰধানমন্ত্ৰী মোদীয়ে

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্তেম্বৰ ঃ বৃহস্পতিবাৰে ৭৬সংখ্যক জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰা লোকসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধন্যবাদ জনাইছে। লগতে বিজেপিৰ 'আশীৰ্বাদ কা দিয়া' অভিযানক প্ৰশংসা কৰি মোদীয়ে কয় যে এই অভিযান হৈছে মানুহৰ মৰম-স্নেহৰ এক প্ৰকাশ, যিয়ে তেওঁক গভীৰভাৱে স্পৰ্শ কৰিছে। জন্মদিন উপলক্ষে মুকলি কৰা এটা বিশেষ গীতৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁ লাভ কৰা আশীৰ্বাদে দেশ সেৱাৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতি

❐ ৬ পৃষ্ঠাত

১৭ ছেপ্টেম্বৰক 'ক'লা দিন' ঘোষণা ঃ ২৩ ছেপ্টেম্বৰত গুৱাহাটীত বৃহৎ গণসমাৱেশৰ আহ্বান

উজনিৰ প্ৰলয়গ্ৰস্ত পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণৰ দাবীত দিছপুৰত অনশন অখিল গগৈৰ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ছেপ্টেম্বৰ ঃ আজি এক নাটকীয় পৰিৱেশৰ মাজত আৰক্ষীৰ সৈতে খেদা-খেদিৰ অন্তত ঐতিহাসিক শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে তিনিটা স্থানত অনশন কাৰ্যসূচী ৰূপায়ণ কৰে। গুৱাহাটী আৰক্ষী আয়ুক্তৰ অনুমতি বিচাৰি আবেদন কৰাৰ পাছতো আজি পুৱা

❐ ৬ পৃষ্ঠাত

বিশেষ পৰিস্থিতিত অধ্যক্ষক ৰেহাই দিয়াৰ ক্ষমতা

আঁচনিৰ সুবিধা লাভৰ বাবে শিক্ষানুষ্ঠানত বাধ্যতামূলক ৭০ শতাংশ উপস্থিতি: শিক্ষামন্ত্ৰী

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ চৰকাৰী আৰু প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে মাচুল ৰেহাই আঁচনি, নিজুত মইনা, নিজুত বাবু আঁচনিকে ধৰি বিভিন্ন আঁচনি আৰু জলপানীৰ সুবিধা লাভ কৰিবলৈ হ'লে শিক্ষানুষ্ঠানত কমেও ৭০ শতাংশ উপস্থিতি বাধ্যতামূলক

❐ ৬ পৃষ্ঠাত

ভাৰতীয় বেটছমেনৰ আটাইতকৈ দ্ৰুত আন্তঃৰাষ্ট্ৰীয় টি-২০ শতকৰ অভিলেখ

আফগানিস্তানৰ বিৰুদ্ধে টি-২০ত অভিষেকৰ ৩০টা বলত বিধ্বংসী শতক

নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ আফগানিস্তানৰ বিৰুদ্ধে বৃহস্পতিবাৰে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত 'ফ্ৰেণ্ডশ্বিপ কাপ' শৃংখলাৰ অন্তিমখন খেলত ভাৰতীয় অপেনাৰ অভিষেক শৰ্মাই মাত্ৰ ৩০টা বলত শতক লাভ কৰি ভাৰতীয় বেটছমেনৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটৰ আটাইতকৈ দ্ৰুত শতকৰ অভিলেখ স্থাপন কৰে। এইটো এই ফৰ্মেটত অভিষেকৰ তৃতীয় শতক। এই শতকেৰে তেওঁ ৰোহিত শৰ্মাৰ অভিলেখ ভাঙে; ৰোহিতে ২০১৭ চনত শ্ৰীলংকাৰ বিৰুদ্ধে ৩৫টা বলত শতক কৰি এই অভিলেখ গঢ়িছিল। শতকটোত অভিষেকে ১০টা ছয় আৰু ৯টা চাৰি মাৰিছিল। শতক পূৰ্ণ কৰাৰ সময়ত ভাৰতৰ দলীয় ৰানসংখ্যা আছিল ৮.৩ অভাৰত উইকেট নোহোৱাকৈ ১৩২। টছত জয়ী হৈ ফিল্ডিং কৰিবলৈ

❐ ২ পৃষ্ঠাত

নাজিৰা সমজিলাত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান-১.০ আৰু ২.০ৰ অধীনত বিত্তীয় সাহায্য প্ৰদান অনুষ্ঠান অনুষ্ঠিত

অসম বাৰ্তা, নামতি, ১৭ ছেপ্টেম্বৰ ঃ যুৱ প্ৰজন্মক স্বাৱলম্বী কৰাৰ লগতে অসমত উদ্যোগীকৰণৰ সংস্কৃতি গঢ়ি তোলাৰ উদ্দেশ্যেৰে ৰূপায়ণ কৰা “মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান” ১.০ আৰু ২.০ৰ অধীনত সমষ্টিভিত্তিক আৰ্থিক অনুদান বিতৰণ কাৰ্য্যসূচী আজি নাজিৰা মেকীপুৰ পূজা ফিল্ডত অনুষ্ঠিত কৰা হয়। নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত তথা উদ্যোগ আৰু বাণিজ্য বিভাগ, নাজিৰাৰ সহযোগত আয়োজন কৰা এই চেক বিতৰণ কাৰ্য্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই। সভাৰ আৰম্ভণিতে সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামে উপস্থিত সকলোকে এই বিত্তীয় সাহায্য কাৰ্যসূচীলৈ আন্তৰিক স্বাগতম জনাই আৰু কয় যে, “মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানে যুৱ-উদ্যমীসকলৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব লগতে আন দহ জনকো নিযুক্তি প্ৰদান কৰাত সহায় কৰি অসমৰ অৰ্থনীতিক অধিক শক্তিশালী কৰি তুলিব। তদুপৰি, নাজিৰা সমজিলাৰ পশুপালন আৰু পশুচিকিৎসা, মীন, কৃষি আদি বিভাগৰ মুৰব্বী বিষয়াসকলে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সফল ৰূপায়ণ সন্দৰ্ভত নিজ নিজ বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচী আৰু অগ্ৰগতিৰ বিষয়ে বক্তব্য আগবঢ়ায়। নাজিৰা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ মুখ্য প্ৰবন্ধকেও অভিযানটোৰ সফল ৰূপায়ণত বেংকৰ ভূমিকা আৰু সহযোগিতাৰ বিষয়ে অৱগত কৰে। আজি মাননিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কাৰ্য্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। ইয়াৰ পিছতে বিধায়ক মহোদয়ে নিৰ্বাচিত কেইগৰাকী মান ব্যক্তিক মঞ্চত চেক বিতৰণ কৰে। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত CMAAA ১.০ৰ অধীনত নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৪০ গৰাকী হিতাধিকাৰীক দ্বিতীয় পৰ্যায়ৰ ১ লাখ টকাকৈ আৰু CMAAA ২.০ৰ অধীনত ৫৮১ গৰাকী হিতাধিকাৰীক দ্বিতীয় কিস্তিৰ ২৫,০০০ টকাকৈ বিত্তীয় সাহায্য প্ৰদান কৰা হয়। ইয়াৰ জৰিয়তে সৰ্বমুঠ ৭২১ গৰাকী উদ্যমী হিতাধিকাৰী উপকৃত হব। উক্ত অনুষ্ঠানত নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত অৰুণাভ সোণোৱাল, পৰ্চিয়া খনিকৰ, নাজিৰা উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহকাৰী সঞ্চালক অৰুণাভ বানিক্য, নাজিৰা, চুকাফা আৰু আঠখেল জিলা পৰিষদৰ সদস্য সকল ক্ৰমে মামু পাটৰ, ৰুবী সন্দিকৈ বৰা আৰু মৌচুমী গগৈ, নাজিৰা আৰু আমগুৰি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ক্ৰমে পৰিণীতা শইকীয়া বৰুৱা আৰু আশাবন্তি বদ্ৰ তিৰ্কি, মেকীপুৰ গাওঁ পঞ্চায়তৰ সভানেত্ৰী জয়ামনি গগৈ, সংবাদ মাধ্যমৰ ব্যক্তি সকল, হিতাধিকাৰী সকল আৰু গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

মাৰ্ঘেৰিটা বিধানসভা সমষ্টিতো মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ৰ অধীনত হিতাধিকাৰী সকলৰ মাজত আৰ্থিক অনুদান বিতৰণ অনুষ্ঠান

অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৭ ছেপ্টেম্বৰ ঃ আজি অসমৰ বিভিন্ন সমষ্টিৰ লগতে ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিতো মুখ্য মন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ৰ অধীনত হিতাধিকাৰী সকলৰ মাজত আৰ্থিক অনুদান বিতৰণ কৰা হয়। মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ উদ্যোগত উত্তৰ মাৰ্ঘেৰিটা ৰঙ্গমঞ্চত অনুষ্ঠিত হোৱা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে আয়ুক্ত কে. এন. চন্দনা জাহ্নৱীয়ে। CMAAAক আত্মসংস্থাপন, উদ্যোগীকৰণ আৰু বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে উল্লেখ কৰে। যোগ্য ব্যক্তিসকলক তেওঁলোকৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰম্ভ অথবা শক্তিশালী কৰাৰ বাবে আৰ্থিক সহায় প্ৰদানৰ জৰিয়তে এই আঁচনিখনে আত্মনিৰ্ভৰশীলতা বৃদ্ধিত সহায় কৰিব বুলি তেখেতে উল্লেখ কৰে। কাৰ্যসূচীৰ মুখ্য অতিথি স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰাৰ উপৰিও পূৰ্বতে মুখ্য মন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ১.০ ৰ দ্বাৰা ফলপ্ৰসূ হোৱা হিতাধিকাৰী সকলক বক্তব্য ৰাখিবলৈ সুবিধা প্ৰদান কৰা হয়। হিতাধিকাৰী সকলৰ মতে যুৱ প্ৰজন্মক স্বাৱলম্বী কৰাৰ এক অনন্য পদক্ষেপ অসম চৰকাৰৰ। আজিৰ মুখ্য অতিথি তথা স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে যে উদ্যোগীকৰণক উৎসাহিত কৰা আৰু জনসাধাৰণক অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল হোৱাৰ দিশত আগুৱাই নিবলৈ চৰকাৰে গুৰুত্বপূৰ্ণ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আৰ্থিক সাহায্য বিতৰণৰ পূৰ্বে অসমৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিতসকলৰ বাবে প্ৰদৰ্শন কৰা হয়। ইয়াৰ জৰিয়তে হিতাধিকাৰী আৰু উপস্থিতসকলে ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানটো পোনপটীয়াভাৱে প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰে। উল্লেখযোগ্য যে ‘মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০’ত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ মুঠ ১৭৩ গৰাকী হিতাধিকাৰীৰ (১০৮জন পুৰুষ আৰু ৬৫ গৰাকী মহিলা) ভিতৰত আজি ২৮ গৰাকী নিৰ্বাচিত হিতাধিকাৰীক দ্বিতীয় কিস্তিৰ সুতমুক্ত ঋণ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে ১৩৭ গৰাকীক এই ঋণৰ বাবে নিৰ্বাচিত কৰা হৈছিল। আনহাতে, ‘মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০’-ৰ অধীনত সমষ্টিটোৰ মুঠ ৫২২ গৰাকী হিতাধিকাৰীৰ (২৮৮জন পুৰুষ আৰু ২৩৪ গৰাকী মহিলা) ভিতৰত EDP প্ৰশিক্ষণ সমাপ্ত কৰা ৫০৫ গৰাকী যোগ্য হিতাধিকাৰীক ২৫,০০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত উপস্থিত থাকে স্থানীয় বিধায়ক ভাস্কৰ শৰ্মা, মাৰ্ঘেৰিটা সম জিলা আয়ুক্ত কে. এন. চন্দনা জাহ্নৱী আৰু তিনিচুকীয়া জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণ, সম-জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া বৰ্গ আৰু বিভিন্ন প্ৰান্তৰ হিতাধিকাৰী সকল।

ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উদ্যোগত নাহৰকটীয়া শতদল শাখা সাহিত্য সভাৰ আতিথ্যত সুধাকৰ জুবিন গাৰ্গ দিৱসৰ ব্যাপক আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ ছেপ্টেম্বৰ ঃ অসম চাহ কৰ্মৰ্মচাৰী সংঘ ভৱন, নাহৰকটীয়াত ১৯ ছেপ্টেম্বৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা আৰু মৰমেৰে বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ‘জুবিন দিৱস’। জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলো জুবিনপ্ৰেমী আৰু সাহিত্য সংস্কৃতি প্ৰেমী একত্ৰিত হৈ শিল্পীগৰাকীৰ কলা-সংস্কৃতিৰ যাত্ৰাক উদযাপন কৰাই এই আয়োজনৰ মূল উদ্দেশ্য। অসমৰ লোককলা আৰু সমন্বয়ৰ সংস্কৃতি এই অনুষ্ঠানত গীত, মাত আৰু কবিতাৰ জৰিয়তে প্ৰাণৰ শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হ’ব। উক্ত দিনটোৰ প্ৰতিটো কাৰ্যসূচীত উপস্থিত থাকি অনুষ্ঠানটি সফল আৰু সাফল্যমণ্ডিত কৰি তুলিবলৈ আমন্ত্ৰণ জনাইছে উদ্যোক্তাসকলে। হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব, ডিব্ৰুগড় জিলা সাহিত্য সভাপতি বদন গগৈয়ে। সহযোগী প্ৰশান্ত নেওগ, উপ-সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা, ভাগ্যেশ্বৰ গগৈ, সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা অজয় সিংহ, আমন্ত্ৰিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, পৰমেশ্বৰ নলবৰীয়া, প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা নাহৰকটীয়া শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু সম্পাদকসকলে। গছপুলি ৰোপণ কৰিব প্ৰশান্ত নেওগ, উপ-সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা লবণু শইকীয়া, সহঃ সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা, অজিত বুঢ়াগোঁহাই, সহঃ সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা শ্ৰৱণ কোঁৱৰ, সংগঠনিক সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা, ডিম্বেশ্বৰ ভূঞা, সম্পাদক, নাহৰকটীয়া শতদল শাখা সাহিত্য সভা। চিৰ চেনেহী মোৰ ভাষা জননী গীত পৰিৱেন কৰিব নাহৰকটীয়া শতদল শাখা সাহিত্য সভা সদস্য সকলে। মুকলি সভাত সভাপতিত্ব কৰিব বদন গগৈ, সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা। আদৰণি ভাষণ আগবঢ়াব সুফল কুমাৰ, উপ-সভাপতি, নাহৰকটীয়া শতদল শাখা সাহিত্য সভা। মুকলি সভাখনি উদ্বোধন কৰিব পঞ্চানন দেৱগোস্বামী, প্ৰাক্তন সভাপতি, নাহৰকটীয়া শতদল শাখা সাহিত্য সভা। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সম্পাদক ভাগ্যেশ্বৰ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰিবলগীয়া সভাত জুবিন গাৰ্গৰ গীত, নৃত্য, কবিতা আবৃত্তি অনুষ্ঠিত হব। অসম সংগীত পৰিৱেশনৰে সভা ভঙ্গ হ’ব।

মৃতদেহ ধুবুৰী মেডিকেল কলেজৰ মৰ্গত সংৰক্ষণ, পৰিচয় উদ্ধাৰত আৰক্ষীৰ তদন্ত

ৰে’লৰ খুন্দাত অচিনাক্ত ব্যক্তিৰ মৃত্যু

অসম বাৰ্তা, গোলকগঞ্জ, ১৭ ছেপ্টেম্বৰ ঃ গোলকগঞ্জৰ সৰলপাৰা আৰু হাপকাইৰ মাজত ৰে’লৰ খুন্দাত এজন অচিনাক্ত ব্যক্তিৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি পুৱা প্ৰায় ৯ বজাত বাচবাৰি ৰে’লৰে ষ্টেচন মাষ্টৰে গোলকগঞ্জ জি আৰ পি আউটপোষ্টক এখন ৰে’লৰে মেম’ৰ জৰিয়তে ঘটনাটো অৱগত কৰে। জানিব পৰা মতে, বঙাইগাঁৱৰ পৰা গোলকগঞ্জ অভিমুখে আহি থকা এখন ডেমু ৰে’লৰ লাইনত সৰলপাৰা-হাপকাইৰ মাজৰ ৰে’লৰে কিলোমিটাৰ ২৩/০৬ অংশত এজন ব্যক্তিৰ মৃতদেহ পৰি থকা অৱস্থাত উদ্ধাৰ হয়। মৃত ব্যক্তিজনৰ বয়স আনুমানিক ৪৫ৰ পৰা ৫০ বছৰৰ ভিতৰত বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। খবৰ লাভ কৰাৰ পিছতে গোলকগঞ্জ জি আৰ পি আউটপোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়া তথা এ এছ আই সজল পালৰ নেতৃত্বত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীৰ দলটোৱে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত বৰ্তমান মৃতদেহটো ধুবুৰী মেডিকেল কলেজৰ মৰ্গত সংৰক্ষণ কৰি ৰখা হৈছে। ইফালে, আৰক্ষীয়ে মৃত ব্যক্তিজনৰ পৰিচয় আৰু ঠিকনা উদ্ধাৰৰ বাবে তদন্ত অব্যাহত ৰাখিছে যদিও বাতৰি লিখাৰ পৰলৈকে তেওঁৰ কোনো পৰিচয় লাভ কৰা নাই। আইন অনুসৰি মৃতদেহটো চিনাক্তকৰণৰ বাবে ৭২ ঘণ্টা মৰ্গত সংৰক্ষণ কৰি ৰখা হ’ব বুলি জানিব পৰা গৈছে। মৃত ব্যক্তিজনক কোনো লোকে চিনাক্ত কৰিব পাৰিলে গোলকগঞ্জ জি আৰ পি আউটপোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সৈতে ৯৬৭৮৩৩০৫৪৬ নম্বৰত যোগাযোগ কৰিবলৈ আৰক্ষীয়ে আহ্বান জনাইছে।

বানাক্ৰান্ত ৰাইজলৈ ক্ষতিপূৰণৰ দাবী কৃষক মুক্তিৰ

আমগুৰিত প্ৰধানমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ

অসম বাৰ্তা, চেলেংহাট, ১৭ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ আমগুৰিনগৰ চাৰিআলিত আজি কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিমূৰ্তি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ দিনাই উজনি অসমৰ বানপীড়িতৰ খবৰ নোলোৱাক লৈ সংগঠন দুটাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। নৰেন্দ্ৰ মোদী হায় হায়, অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰক, বানবিধ্বস্ত ৰাইজক লৈ ৰাজনীতি বন্ধ কৰক আদি বিভিন্ন শ্লোগানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ প্ৰতিটো বানবিধ্বস্ত পৰিয়ালক তৎকালীন ১৫,০০০ টকা সাহায্য আৰু ১০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদানৰ দাবী তোলে সংগঠন দুটাই। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁ কয়, মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে অসমৰ প্ৰতিটো পৰিয়ালক বস্তি জ্বলাবলৈ ব্লেকমেইলিং কৰি আছে, অথচ উজনি অসমৰ মহাপ্লয়ত দিশহাৰা হোৱা চৰাইদেউ, নাজিৰা, শিৱসাগৰ আৰু যোৰহাটৰ বানবিধ্বস্ত পৰিয়ালৰ কাষলৈ প্ৰধানমন্ত্ৰী বা অমিত শ্বাহক আনিব নোৱাৰিলে। হাজৰিকাই কয়, নিৰ্বাচনৰ আগত অসমীয়াৰ আবেগ-স্বাভিমান গামোচাখন লৈ ভোট বিচাৰিবলৈ অহা প্ৰধানমন্ত্ৰী অসমীয়াৰ বিপদৰ সময়ত এবাৰ দেখা কৰিবলৈও নাহিল। তেওঁ ৰেচন কাৰ্ড হিতাধিকাৰী আৰু ৰেচনৰ দোকানীক চাকি নজ্বলালে কাৰ্ড কাটি দিয়াৰ ভাবুকি দি চাকি জ্বলাবলৈ বাধ্য কৰোৱা মুখ্যমন্ত্ৰীৰ পদক্ষেপকো কঠোৰ সমালোচনা কৰে। তেওঁৰ মতে, এতিয়াও নাজিৰা, যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউৰ বহু বানবিধ্বস্ত পৰিয়ালে তৎকালীন সাহায্যৰ পৰাও বঞ্চিত হৈ আছে, আনহাতে বিজেপি নেতা-পাতিনেতাই ইয়াক লৈ ৰাজনীতি কৰি থকা পৰিলক্ষিত হৈছে। প্ৰতিবাদস্থলীত ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় উপসভাপতি ৰবীন হাজৰিকা, শিৱসাগৰ জিলাৰ যুটীয়া সভাপতি পল্লৱ শইকীয়া, অভিজিৎ চেতিয়া, সম্পাদক ভাস্কৰ বৈৰাগী আৰু কৃষক মুক্তিৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অম্লান গগৈ উপস্থিত থাকি অতিশীঘ্ৰে বানাক্ৰান্ত ৰাইজলৈ ক্ষতিপূৰণ প্ৰদানৰ দাবী জনায়। ইয়াৰ অন্যথা অধিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ দিয়ে।

আফগানিস্তানৰ বিৰুদ্ধে টি-২০ত অভিষেকৰ ৩০টা

নিৰ্ণয় লোৱা আফগানিস্তানৰ অধিনায়ক ইব্ৰাহিম জাদ্ৰানৰ বলাৰসকলে হতাশ কৰে। অভিষেকৰ বেটিঙে ভাৰতক বৃহৎ ৰানসংখ্যাৰ দিশে লৈ যায়; নিজৰ ৰান দুগুণ কৰিবলৈও তেওঁৰ হাতত যথেষ্ট সময় আছিল। কিন্তু দশম অভাৰত ৰশীদ খানে তেওঁক ৩৪টা বলত ১০৮ ৰানত আউট কৰে। তথাপি অভিষেক আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ ইতিহাসত ৪০টা বলৰ ভিতৰত দুটা শতক কৰা প্ৰথম তথা একমাত্ৰ বেটছমেন হিচাপে পৰিগণিত হয়। ইয়াৰ আগতে ২০২৫ চনত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ইংলেণ্ডৰ বিৰুদ্ধে তেওঁ ৩৭টা বলত শতক কৰিছিল; সৰ্বাধিক চুটি ফৰ্মেটত এইটো তেওঁৰ তৃতীয় শতক। দিল্লীত অনুষ্ঠিত প্ৰথমখন টি-২০ খেলৰ পাছত বৰুণ চক্ৰৱৰ্তীয়ে কৈছিল, “আমাৰ বেটিং শাৰীৰ বিৰুদ্ধে আপোনালোকে স্পিন বল কৰিব নোৱাৰে।” ‘ফ্ৰেণ্ডশ্বিপ কাপ’ নামৰ এই শৃংখলা খেলপথাৰত মুঠেই বন্ধুত্বপূৰ্ণ নাছিল। ভাৰতীয় বেটছমেনসকলে আফগানিস্তানৰ বলিং আক্ৰমণৰ ওপৰত আধিপত্য কৰাৰ সময়ত আফগান বলাৰসকলে স্পিন বা পেচ-একোৰেই সফলতা নাপালে। বৃহস্পতিবাৰে অভিষেকে সতীৰ্থ বৰুণৰ কথাকে আফগান বলাৰসকলৰ মনত পুনৰ প্ৰতিধ্বনিত কৰি দিলে। এই শতকৰ জৰিয়তে অভিষেকে কেইবাটাও অভিলেখ নিজৰ নামত কৰে। টেষ্ট খেলা দেশৰ বিৰুদ্ধে কোনো বেটছমেনৰ আটাইতকৈ দ্ৰুত শতকৰ অভিলেখ এতিয়া তেওঁৰ দখলত; ভাৰতীয় বেটছমেনৰ আটাইতকৈ দ্ৰুত আন্তঃৰাষ্ট্ৰীয় টি-২০ শতকৰ অভিলেখো তেওঁৰ। আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ ইতিহাসত ৪০টা বলৰ ভিতৰত দুটা শতক কৰা একমাত্ৰ বেটছমেন তেওঁ। এই শতক আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ ইতিহাসৰ তৃতীয় আটাইতকৈ দ্ৰুত শতক; ইয়াৰ আগত ২০২৪ চনত চাইপ্ৰাছৰ বিৰুদ্ধে ইষ্ট’নিয়াৰ ছাহিল চৌহানৰ ২৭টা বলৰ শতক আৰু ২০২৫ চনত বুলগেৰিয়াৰ বিৰুদ্ধে তুৰ্কীৰ মুহাম্মদ ফাহাদৰ ২৯টা বলৰ শতক আছে। পুৰুষৰ আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটত তিনিটা বা তাতকৈ অধিক শতক কৰা চতুৰ্থজন ভাৰতীয় বেটছমেন হিচাপেও অভিষেক পৰিগণিত হয়।

দুশ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰিব জনপ্ৰিয় ‘মায়াবিনী’ গীত

শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ “জুবিন দিৱস”ৰ আয়োজন; অনুষ্ঠিত হ’ব জুবিন সংগীত প্ৰতিযোগিতা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৭ ছেপ্টেম্বৰ ঃ সাংস্কৃতিক মহাসভা অসমৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু শিৱসাগৰবাসীৰ সহযোগত “জুবিন দিৱস” অনুষ্ঠিত হ’ব। এই উপলক্ষে ১৯ চেপ্তেম্বৰত শিৱসাগৰ নগৰস্থ কেপিএম চাৰি আলিত কালি প্ৰসাদ মেম’ৰিয়েল হলত পুৱা ১০ বজাৰ পৰা প্ৰাণৰ শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ১০-৩০ বজাত ২০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ সমন্বিতে জুবিনৰ জনপ্ৰিয় কালজয়ী “মায়াবিনী” গীতটো পৰিৱেশন কৰিব। দিনৰ ১-০০ বজাৰ পৰা দুটা শাখাত জুবিন সংগীত প্ৰতিযোগিতা। নিম্ন শাখা -ষষ্ঠ শ্ৰেণীলৈ আৰু উচ্চ শাখা - সপ্তম শ্ৰেণীৰ পৰা মুকলি থাকিব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰা সকলক মানপত্ৰ, জুবিনৰ ফটো সম্বলিত আবাহনী পত্ৰ, ট্ৰফী আৰু গ্ৰন্থ আদি প্ৰদান কৰা হ’ব। প্ৰতিযোগী সকলে ট্ৰেক আৰু ইচ্ছুক প্ৰতিযোগীয়ে বাদ্য যন্ত্ৰ নিজাববীয়াকৈ ব্যৱহাৰ কৰিব পাৰিব। তদুপৰি প্ৰতিটো শাখাৰ পাচঁ জনকৈ বিজয়ী প্ৰতিযোগীক মানপত্ৰ সহ বিশেষ পুৰস্কাৰ প্ৰদান কৰা হ’ব। ৮৪৮৬৭০৯৫৫৫ নম্বৰৰ পৰা সৰ্বিশেষ জানিব পাৰিব। উল্লেখ যোগ্য যে, বিয়লি ৪-০০ বজাত আধা ঘণ্টাৰ ভিতৰত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী সকলক পুৰস্কাৰ সমূহ প্ৰদান কৰা হ’ব। প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হ’ব লগা “জুবিন দিৱস”ত শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈৰ সভাপতিত্বত হ’ব লগা বটাঁ বিতৰণী সভাত বহু শুভাকাঙ্খীয়ে ভাগ লোৱাৰ লগতে আন্তৰিকতাৰে সকলোকে অনুষ্ঠানত ভাগ লবৰ বাবে উদযাপন সমিতিৰ সভাপতি ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়া, কাৰ্যকৰী সভাপতি ড° বন্তি বৰগোঁহাই ভুঞা, খাইৰুদ্দিন আহমেদ, আৰু প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্ত ই সকলোকে সহ যোগিতা সহ উপস্থিতি কামনা কৰিছে।

“সৃষ্টিৰে জীয়াই থকা জীৱন” শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন

মাজুলী জিলা সাংবাদিক সন্থা আৰু জুবিন ফেন ক্লাৱৰ যৌথ উদ্যোগত জুবিন দিৱসৰ আয়োজন

অসম বাৰ্তা, উজনী মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ জুবিন গাৰ্গৰ কালজয়ী সংগীত, অনন্য সৃষ্টি আৰু অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অতুলনীয় অৱদানক আলোকপাত কৰাৰ উদ্দেশ্যে মাজুলীৰ কমলাবাৰীত অনুষ্ঠিত হ’ব এক বিশেষ অনুষ্ঠান। জুবিন ফেন ক্লাৱ, মাজুলী আৰু মাজুলী জিলা সাংবাদিক সংস্থাৰ যৌথ উদ্যোগত অহা ১৯ ছেপ্টেম্বৰত আয়োজন কৰা হৈছে ‘জুবিন দিৱস’। কমলাবাৰীস্থিত মাজুলী জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত দিনৰ ৩ বজাৰ পৰা এই অনুষ্ঠান সূচী আৰম্ভ হ’ব। অনুষ্ঠানৰ মূল বিষয়বস্তু হৈছে ‘সৃষ্টিৰে জীয়াই থকা জীৱন। য’ত জুবিন গাৰ্গৰ অনন্য সৃষ্টিৰাজি—গীত, সুৰ আৰু কলাত্মক চিন্তা-চেতনাৰ ওপৰত বিস্তৃত আলোচনা আৰু সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হ’ব। সংগীতৰ জৰিয়তে অসমীয়া সমাজ-জীৱনক এক নতুন মাত্ৰা প্ৰদান কৰা জুবিন গাৰ্গৰ এই বিশেষ স্মৰণ উৎসৱত স্থানীয় শিল্পী, কলা-কুশলী, ভক্ত আৰু সাংবাদিকসকল উপস্থিত থাকিব। আয়োজকসকলে জানিবলৈ দিয়ে যে জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পীয়েই নহয়, তেওঁৰ গীত আৰু সুৰ আমাৰ হৃদয়ত চিৰকাল সজীৱ হৈ থাকিব। এই দিৱসৰ জৰিয়তে তেওঁৰ সৃষ্টিৰাজিক পুনৰবাৰ নতুন প্ৰজন্মৰ কাষলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হৈছে। উদ্যোক্তাসকলে মাজুলীৰ সমূহ ৰাইজ, সংগীতপ্ৰেমী তথা সাংস্কৃতিক কৰ্মীসকলক ১৯ ছেপ্টেম্বৰৰ দিনৰ ৩ বজাত কমলাবাৰীস্থিত সাংবাদিক সংস্থাৰ কাৰ্যালয়ত উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তুলিবলৈ জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ডিম্বেশ্বৰ দত্ত, ফেন ক্লাৱৰ সভাপতি অমৰজ্যোতি ভূএগাই বিনম্ৰ আহ্বান জনাইছে।

NAME CORRECTION

Sworn before Notary Public at Nazira, Sivasagar (Assam) dated on 15/09/2026 that my actual and correct name is ALI PHOM, W/O- Late Angmoi Phom. But due to bonafide mistake, my name and my deceased husband's name have been wrongly recorded in Land Record Jamabandi (P.P No-333, Dag No-1249, Satsoi Grant F.C., Atkhel Mouza, Nazira Circle, Sivasagar) as LINGANG KONYAK, W/O- Late Mohdou Konyak. This is to declare that ALI PHOM and LINGANG KONYAK are the same and one person, i.e., myself, and LATE ANGMOI PHOM and LATE MOHDOU KONYAK are the same and one person, i.e., my deceased husband.

AB-164/2026

www.sarojpoddargroup.com
Paradeep Phosphates
Texmaco
Texmaco
ZUARI
ZUARI
FarmHUB
Hettich
nobilia
Fertilisers | Freight Wagons | Real Estate | Furniture Fittings | Engineering | Financial Services

মাজুলী জিলা মহিলা সমিতিৰ পঞ্চ-দশ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ আয়োজন

অসম বাৰ্তা, উজনী মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ মাজুলী জিলা মহিলা সমিতিৰ পঞ্চদশ ত্ৰি বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখন অহা ২৭ ছেপ্টেম্বৰত নামনি মাজুলীত অনুষ্ঠিত হ’ব। নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ সহযোগত বালিচাপৰি মিলিত কৃষি সংঘৰ প্ৰেক্ষাগৃহত সেইদিনা দিনজোৰা কাৰ্যসূচীৰে উক্ত অধিৱেশনখন অনুষ্ঠিত হ’ব। উক্ত, অধিৱেশন উপলক্ষে ইতিমধ্যে বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক গুণেশ্বৰ গায়নক সভাপতি, প্ৰকাশ প্ৰসাদক সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। মহিলাৰ সৰ্বাংগীণ বিকাশত উৎসৰ্গিত অসম প্ৰাদেশিক মহিলা সমিতিৰ পঞ্জীয়নভুক্ত মাজুলী জিলা মহিলা সমিতিৰ উক্ত অধিৱেশন উপলক্ষে ইতিমধ্যে নামনি মাজুলীত ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। উক্ত, অধিৱেশনৰ কাৰ্যসূচী হিচাপে ২৭ ছেপ্টেম্বৰৰ পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰিব মিলিত কৃষি সংঘৰ সভাপতি তথা অভ্যৰ্থনা সমিতিৰ সম্পাদক প্ৰকাশ প্ৰসাদে। মহিলা সমিতিৰ পতাকা উত্তোলন কৰিব মাজুলী জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰা আৰু নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী জুতিকা গোস্বামী মহন্তই। তাৰপিছত বন্তিপ্ৰজ্বলন কৰিব জ্যেষ্ঠ সদস্যা দিপালী ভূএগ হাজৰিকা, আজীৱন সদস্যা বুলু ভঁৰালী পাঠক আৰু নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ উপ সভানেত্ৰী ভাৰতী বৰাই। স্মৃতি তৰ্পণ কৰিব মাজুলী জিলা মহিলা সমিতিৰ তিনিগৰাকী উপ সভানেত্ৰী ৰেখা বৰা, প্ৰণতি হাজৰিকা আৰু ৰুবী শইকীয়াই। সেইদিনা পুৱা ন’বজাত বিষয় বাছনি সভা অনুষ্ঠিত হ’ব। দুপৰীয়া এক বজাৰ পৰা বৃহৎ মুকলি সভা অনুষ্ঠিত হ’ব। সুভদ্ৰা শইকীয়া বৰাৰ সভাপতিত্বত হ’ব লগীয়া মুকলি সভাখন উদ্বোধন কৰিব মাজুলী জিলা মহিলা সমিতিৰ উপদেষ্টা তথা মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা আৰতি বৰাই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব সংগীত নাটক অকাডেমী বঁটা প্ৰাপক কৰুণা বৰাই। উক্ত, মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিত শইকীয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মাজুলী বিধানসভা সমষ্টিৰ বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, শঙ্কৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ আৰু মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনীয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰিব। সভাত সন্মানীয় অতিথি হিচাপে মাজুলীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়া আৰু মাজুলী জিলা পৰিষদৰ অধ্যক্ষা নৱনীতা দাসে অংশগ্ৰহণ কৰিব। উক্ত, অধিৱেশনত মাজুলীৰ ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী যুতিকা গোস্বামী মহন্ত আৰু সম্পাদিকা ৰিণ্টুমণি হাজৰিকা কলিতাই কামনা কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে বিশেষ পদক্ষেপ

টেঙানিৰ গেলিপুঙত 'জন্মদিন সেউজ শপত উদ্যান'ৰ আধাৰশিলা স্থাপন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৭ ছেপ্টেম্বৰ ঃ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ শুভক্ষণত সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত টেঙানিৰ গেলিপুঙত এক বিশেষ কাৰ্যসূচীৰে 'জন্মদিন সেউজ শপত উদ্যান' নামেৰে নামকৰণ কৰি নিৰ্মাণ হ'বলগীয়া এখন উদ্যানৰ আধাৰশিলা স্থাপন কৰা হয়। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে আনুষ্ঠানিকভাৱে উদ্যানখনৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীৰ জন্মদিন উপলক্ষে পৰিৱেশ সংৰক্ষণ আৰু সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপে স্থানীয় অঞ্চলটোত এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। উদ্যানখন নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত অঞ্চলটোৰ সৌন্দৰ্যবৰ্ধনৰ লগতে স্থানীয় ৰাইজৰ বাবে এক সুন্দৰ আৰু মনোৰম পৰিৱেশ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক বিশ্বজিৎ ফুকনে উদ্যানখনৰ প্ৰয়োজনীয়তা আৰু পৰিৱেশ সংৰক্ষণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। বৰ্তমান সময়ত পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাৰ বাবে অধিক সংখ্যক গছপুলি ৰোপণ, সেউজীয়া পৰিৱেশ সৃষ্টি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ প্ৰতি জনসাধাৰণক সজাগ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি অনুষ্ঠানত মত প্ৰকাশ কৰা হয়। 'জন্মদিন সেউজ শপত উদ্যান'ৰ জৰিয়তে জন্মদিন উদযাপনৰ সৈতে সেউজীয়া পৰিৱেশ গঢ়াৰ এক বাৰ্তা সমাজলৈ আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। উদ্যানখনত ভৱিষ্যতে বিভিন্ন প্ৰজাতিৰ গছ-গছনি ৰোপণৰ লগতে পৰিৱেশ অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। অনুষ্ঠানত বৰপথাৰ মণ্ডল বিজেপিৰ সভাপতি অসীম দত্ত, বৰপথাৰ জিলা পৰিষদৰ সদস্য খিৰেশ্বৰ বড়ো, বন বিষয়া কীৰ্তিকমল ডেকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ উপৰি স্থানীয় ৰাইজেও অনুষ্ঠানটোত অংশগ্ৰহণ কৰি উদ্যানখন নিৰ্মাণৰ পদক্ষেপক আদৰণি জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা এই সেউজ পদক্ষেপে টেঙানিৰ গেলিপুঙ অঞ্চলত পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত নতুন উদ্যম সৃষ্টি কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সেউজ আৰু সুন্দৰ পৰিৱেশ গঢ়ি তোলাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

শবনম সমৰ্পিত শইকীয়া আৰু মাইনা দলেক ত্ৰয়োধৰ গগৈ আৰু কেশৱৰাম বৰা শৈক্ষিক বঁটা প্ৰদান

বৰ্ণাঢ্য কাৰ্যসূচীৰে মাজুলী মহাবিদ্যালয়ৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

অসম বাৰ্তা, উজনী মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ আজি সুদীৰ্ঘ চৌষষ্ঠিটা বৰ্ষ গৰকিলে মাজুলীৰ উচ্চশিক্ষাৰ ঐতিহ্যমণ্ডিত প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ে। ঊনৈশ শ বাষষ্ঠি চনৰ প্ৰলয়ংকৰী বান আৰু চীনা আক্ৰমণৰ বিভীষিকাৰ মাজত সেই সময়ৰ ঘোকোট মাজুলীত উচ্চ শিক্ষাৰ বন্তি প্ৰজ্বলিত কৰি মাজুলীত আধুনিকতাৰ উন্মেষ ঘটাবলৈ প্ৰয়াস কৰা বিদ্যৎসাহী প্ৰতিষ্ঠাপকসকলৰ প্ৰতি আজিৰ দিনটোত বিশেষ শ্ৰদ্ধা নিৱেদন কৰাৰ উদ্দেশ্যে এক ব্যতিক্ৰমী তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি উদযাপন কৰা হয় মহাবিদ্যালয়খনিৰ পঁইষষ্ঠি সংখ্যক প্ৰতিষ্ঠা দিৱস। পুৱা ৬ বজাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ মহাবিদ্যালয় গোটৰ পৰিচালক নাৰায়ণ শইকীয়া, নৈশ চকীদাৰ মাণিক ৰেগন, কৰ্মচাৰী ভবেন শইকীয়া, মংগলা পায়েং, ৰত্ন বৰা আৰু অনাময় কৰ্মী দীপক দাসৰ নেতৃত্বত এন চি চি আৰু এন এছ এছৰ স্বেচ্ছাসেৱকসকলে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছতে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। মাজুলীত উচ্চ শিক্ষাৰ সৌধ নিৰ্মাণ কৰি সমগ্ৰ নৈদ্বীপটোকে জ্ঞানৰ আলোকেৰে উদ্ভাষিত কৰা প্ৰায় সত্তৰগৰাকী মহানুভৱ, প্ৰতিষ্ঠাপকৰ আলোকচিত্ৰ মহাবিদ্যালয়ৰ প্ৰৱেশ তোৰণৰ দুয়োকাষে অস্থায়ীভাৱে প্ৰতিষ্ঠা কৰি সমূহীয়াভাৱে শ্ৰদ্ধা জনাবলৈ আয়োজন কৰা 'হে দ্বীপৱৰেণ্যম, তোমাক সহস্ৰ প্ৰণাম' শীৰ্ষক 'স্মৃতি-তৰ্পণ' অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কাৰ্যসূচী মুকলি কৰে মহাবিদ্যালয়খনৰ প্ৰথম দলৰ স্নাতক তথা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক কনক চন্দ্ৰ বৰুৱাই। মহাবিদ্যালয়ৰ ইতিহাস বিভাগ আৰু সমাজতত্ত্ব বিভাগৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ লগতে ছাত্ৰী নিৱাসৰ প্ৰাচীৰ পত্ৰিকা 'তেজী' উন্মোচন কৰে ক্ৰমে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভোলা বৰা আৰু প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই। দিনৰ ১০.৫০ বজাৰ পৰা মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহৰ 'নৱনাথ হাজৰিকা সোঁৱৰণী মঞ্চ'ত আয়োজিত মুকলি সভাৰ আৰম্ভণিতে যোৱা ১৫ ছেপ্টেম্বৰত প্ৰয়াণ ঘটা উত্তৰ কমলাবাৰী সত্ৰৰ শতবৰ্ষ গৰকা বুঢ়াভকত পদ্মশ্ৰী গোপীৰাম বৰগায়ন আতাৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-দীপ প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়াই। মুকলি সভাৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয় মহাবিদ্যালয়ৰ শিক্ষকসকলে পৰিৱেশন কৰা ডঃ দেৱজিৎ শইকীয়া ৰচিত আৰু অনিল বৰা সুৰাৰোপিত 'বাষষ্ঠিৰ মহাপ্ৰলয়ো নেওচি দিলে সাহৰ পৰিচয়...' শীৰ্ষক মহাবিদ্যালয়-গীতেৰে। উদযাপন সমিতিৰ সমন্বয়ক অধ্যাপক তুলসী ৰাজখুৱাই আঁত ধৰা সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামীয়ে কয় নদীদ্বীপ মাজুলীত উচ্চ শিক্ষাৰ বাট কাটি দি মাজুলী মহাবিদ্যালয়ে কৰা উপকাৰ কথা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলেয়ে। নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা স্মৃতি কোঁৱৰে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি শুভাশিস প্ৰদান কৰে উত্তৰ কমলাবাৰী সত্ৰৰ অধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায় ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ গাম, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ক্ৰমে সৰ্বেশ্বৰৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়াই। সভাত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত গীত-মাতে উপস্থিত সকলোকে মুগ্ধ কৰে। আজিৰ সভাতেই মহাবিদ্যালয়ৰ পৰা স্নাতক ষষ্ঠ ষাণ্মাসিক চূড়ান্ত পৰীক্ষাত মাজুলীৰ মহাবিদ্যালয়সমূহৰ ভিতৰতে ৯.৪৫ চি জি পিসহ সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ শবনম সমৰ্পিত শইকীয়াক ২০১১ চনৰ পৰা প্ৰৱৰ্তন কৰি অহা 'ত্ৰয়োধৰ গগৈ শ্ৰেষ্ঠ স্নাতক বঁটা' প্ৰদান কৰা হয়। ছাত্ৰগৰাকীৰ হৈ বঁটা গ্ৰহণ কৰে তেওঁৰ মাতৃ তথা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ডঃ ৰূপজ্যোতি বৰাই। লগতে বিজ্ঞান শাখাত ৯.২৫ চিজিপিএ সহ জিলাখনৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা মাজুলী মহাবিদ্যালয়ৰে প্ৰাণী বিজ্ঞান বিভাগৰ ছাত্ৰী মাইনা দলেক ২০১৩ চনৰ পৰা প্ৰৱৰ্তন কৰি অহা 'কেশৱৰাম বৰা শ্ৰেষ্ঠ বিজ্ঞান স্নাতক বঁটা' প্ৰদান কৰা হয়। শেহতীয়াকৈ সংগীত নাটক একাডেমী বঁটা লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই অনা নতুন কমলাবাৰী সত্ৰৰ ওজাশিল্পী প্ৰেম ওজা বৰবায়নক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে অলপতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য হিচাপে বৃহৎ ভোটৰ ব্যৱধানত জয়ী হোৱা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াকো শিক্ষক গোটৰ হৈ সম্বৰ্ধনা জনোৱা হয়। সভাত পুতুল মহন্ত, আৰতি বৰা, অমৃতেশ্বৰ চুতীয়া, জিতেন্দ্ৰ নাথ ডেকা, মায়াশ্ৰী ডেকা হাজৰিকা, কেশৱৰাম বৰাৰ পৰিয়ালৰ হৈ ৰুবী সভাপণ্ডিত বৰা, ৰেণু কলিতা, ত্ৰয়োধৰ গগৈৰ পৰিয়ালবৰ্গৰ হৈ পুত্ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন গগৈ, সাংবাদিক ডিম্বেশ্বৰ দত্ত, যদু কলিতা, ৰাজীৱ দত্ত, মহানন্দ হাজৰিকা, শিক্ষাবিদ লক্ষ্মী নাৰায়ণ ব্যাস, কিশোৰী মোহন পাল, বলোৰাম কলিতা, আনন্দ নাথ, কৰুণা বৰা, লোহিত বৰা, অৰুণ কুমাৰ পাঠক, যুগল হাজৰিকা, ডিম্বেশ্বৰ শইকীয়া, ৰাজীৱ দত্ত ভূঞা, ডিম্বেশ্বৰ বৰা বায়ন, সৰ্বেশ্বৰ শইকীয়া, দুৰ্গেশ্বৰ বৰা, বীৰেন শইকীয়া, ভৰত শইকীয়া, দ্বীজেন দত্ত, উপেন শইকীয়া, ৰাজেন বৰুৱা, দীপ দাস, খগেন দাস, সূৰ্য কুমাৰ বৰুৱা, মুনীন্দ্ৰ ভূঞা, দীপক নেওগ, ৰেখা বৰা বৰুৱা, সমৰজিৎ সেন, নৃপেন কলিতা, ধীৰেন বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ অন্তত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ দ্বাৰা অভিনীত 'ৰামবিজয়' অংকীয়া নাট পৰিচালনা কৰে সত্ৰীয়া শিল্পী যোগেন দত্ত বায়ন আৰু সৰ্বানন্দ দুৱৰীয়া বায়নে। সন্ধ্যা মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কৰে কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগনে।

ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিতে চি এম এ এ এৰ অধীনত ৪, ৫৪৭ গৰাকী হিতাধিকাৰীক আৰ্থিক সাহায্য বিতৰণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৭ ছেপ্টেম্বৰ ঃ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান চি এম এ এ এ ১.০ আৰু ২.০ৰ অধীনত আৰ্থিক সাহায্য বিতৰণৰ বাবে আজি ডিব্ৰুগড় জিলাৰছটা বিধানসভা সমষ্টিতে একেলগে জিলা পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচী জৰিয়তে জিলাখনৰ উদীয়মান তথা ইতিমধ্যে উদ্যোগ স্থাপন কৰা উদ্যোগীসকলক স্ব-নিয়োজন, উদ্যোগিতা আৰু বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত আৰ্থিক আৰু প্ৰতিষ্ঠানিক সহায় আগবঢ়োৱা হয়। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰত মূল অনুষ্ঠানটো অনুষ্ঠিত হয়। অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন আৰু ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, উপস্থিত থাকে। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ মুঠ ৬৪৩ গৰাকী হিতাধিকাৰীক এই কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হয়। ইয়াৰে ৫৫৯ গৰাকী চি এম এ এ এ ২.০ আৰু ৮৪ গৰাকী চি এম এ এ এৰ ১.০ৰ অধীনৰ হিতাধিকাৰী। জিলা খনৰ আনকেইটা বিধানসভা সমষ্টিসমূহতো নিৰ্ধাৰিত স্থানত এই কাৰ্যসূচী অনুষ্ঠিত হয়। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত মুঠ ৭৩৬ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হয়। ইয়াৰে ৬৩৬ গৰাকী চি এম এ এ এ ২.০ আৰু ১০০ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ। টিংখাং বিধানসভা সমষ্টিত মুঠ ৯০৬ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৮৪১ গৰাকী চি এম এ এ এ ২.০ আৰু ৬৫ গৰাকীচি এম এ এ এ ১.০ৰ অধীনৰ। খোৱাং বিধানসভা সমষ্টিত মুঠ ৬৯৯ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৬০৩ গৰাকী চিএমএ এ এ ২.০ আৰু ৯৬ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ। নাহৰকটীয়া বিধানসভা সমষ্টিত মুঠ ৮১৯ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৭১৬ গৰাকী চি এম এ এ এ ২.০ আৰু ১০৩ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ। দুলীয়াজান বিধানসভা সমষ্টিত মুঠ ৭৪৪ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৬২৯ গৰাকী চি এম এ এ এ ২.০ আৰু ১১৫ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ হিতাধিকাৰী। জিলাখনৰছটা বিধানসভা সমষ্টিতে অনুষ্ঠিত এই কাৰ্যসূচীৰ অংশ হিচাপে গুৱাহাটীৰ পৰা মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰা ভাষণৰ ভাৰ্চুৱেলি পোনপটীয়া সম্প্ৰচাৰ সকলো নিৰ্ধাৰিত অনুষ্ঠানস্থলতে প্ৰদৰ্শন কৰা হয় ছটা বিধানসভা সমষ্টিৰ হিতাধিকাৰী আৰু অংশগ্ৰহণকাৰীসকলে প্ৰথমে ভাৰ্চুৱেল মাধ্যমেৰে ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে আৰু তাৰ পিছত নিজ নিজ বিধানসভা সমষ্টিৰ অনুষ্ঠানত আৰ্থিক সাহায্যৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰছটা বিধানসভা সমষ্টিত মুঠ ৪, ৫৪৭ গৰাকী হিতাধিকাৰীক এই আনুষ্ঠানিক আৰ্থিক সাহায্য বিতৰণ কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হয়। ইয়াৰে ৩, ৯৮৪ গৰাকী চি এম এ এ এ ২.০ আৰু ৫৬৩ গৰাকীচি এমএ এ এ ১.০ৰ অধীনৰ হিতাধিকাৰী। উল্লেখযোগ্য যে, চিএমএএএ ১.০ৰ অধীনত যিসকল হিতাধিকাৰীৰ উদ্যোগে অগ্ৰগতি আৰু কাৰ্যক্ষমতা প্ৰদৰ্শন কৰিছে, তেওঁলোকক পৰৱৰ্তী কিস্তিৰ আৰ্থিক সাহায্যৰ বাবে বিবেচনা কৰা হৈছে। একেদৰে, চি এম এ এ ২.০ৰ অধীনত নিৰ্ধাৰিত উদ্যোগিতা বিকাশ কাৰ্যসূচীৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰা আৰু প্ৰয়োজনীয় আনুষ্ঠানিকতা পূৰণ কৰা হিতাধিকাৰীসকলক পৰৱৰ্তী কিস্তিৰ আৰ্থিক সাহায্যৰ বাবে সামৰি লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰৰ পিছত সংশ্লিষ্ট বিধানসভা সমষ্টিসমূহত অনুষ্ঠিত অনুষ্ঠানত হিতাধিকাৰীসকলৰ মাজত অনুমোদিত আৰ্থিক সাহায্যৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। জিলা প্ৰশাসনে সকলো হিতাধিকাৰীক লাভ কৰা আৰ্থিক সাহায্য বিবেচনাপূৰ্ণ আৰু উৎপাদনশীলভাৱে ব্যৱহাৰ কৰি কাৰ্যক্ষম আৰু বহনক্ষম উদ্যোগ গঢ়ি তোলাত গুৰুত্ব দিবলৈ আহ্বান জনায়। লগতে, সংশ্লিষ্ট বিভাগ আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহক হিতাধিকাৰীৰ উদ্যোগ সফলভাৱে স্থাপন আৰু বিকাশৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ, কাৰিকৰী সহায় আৰু হেণ্ডহোল্ডিং সহায় আগবঢ়াবলৈ আহ্বান জনোৱা হয়। "মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান"ৰ মূল উদ্দেশ্য হৈছে উদ্যোগিতাৰ পৰিৱেশ অধিক শক্তিশালী কৰা, হিতাধিকাৰী সকলক বহনক্ষম জীৱিকাৰ সুযোগ গ্ৰহণত সক্ষম কৰি তোলা, নিয়োগৰ সুযোগ সৃষ্টি কৰা আৰু অসমৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত অৰিহণা যোগোৱাৰ বাবে উৎসাহিত কৰা।

অভয়াপুৰী আৰু সৃজনগ্ৰামত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ সভা

অসম বাৰ্তা, অঅভয়াপুৰী, ১৭ ছেপ্টেম্বৰ ঃ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (Chief Minister's Atmanirbhar Asom Abhijan — CM-AAA) আঁচনিৰ সন্দৰ্ভত আজি অভয়াপুৰী আৰু সৃজনগ্ৰাম সমষ্টিত পৃথকে পৃথকে সজাগতা সভা অনুষ্ঠিত হয়। এই উপলক্ষে গুৱাহাটীৰ পৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই CM-AAA আঁচনি সন্দৰ্ভত সম্বোধন কৰা সভাৰ পোনপটীয়া সম্প্ৰচাৰ দুয়োটা সমষ্টিতে উপস্থিত হিতাধিকাৰী আৰু ৰাইজৰ মাজত প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। অভয়াপুৰী কলা পৰিষদত আৰু সৃজনগ্ৰাম ব্লক কাৰ্যালয়ৰ অডিটৰিয়ামত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ লক্ষ্য, উদ্দেশ্য আৰু ৰূপায়ণ সম্পৰ্কে আগবঢ়োৱা বক্তব্যৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। সভাত উপস্থিত হিতাধিকাৰী আৰু ৰাইজক আঁচনিখনৰ বিভিন্ন দিশ সম্পৰ্কেও অৱগত কৰা হয়। অভয়াপুৰী সমষ্টিত CM-AAA আঁচনিৰ অধীনত ১ লাখ টকাকৈ ১৪৭গৰাকী আৰু ২৫ হাজাৰ টকাকৈ ৭৫৮গৰাকী, অৰ্থাৎ মুঠ ৯০৫গৰাকী হিতাধিকাৰীয়ে আৰ্থিক সহায় লাভ কৰিছে। আনহাতে, সৃজনগ্ৰাম সমষ্টিত ১ লাখ টকাকৈ ৪৪গৰাকী আৰু ২৫ হাজাৰ টকাকৈ ৩৪৬গৰাকী, অৰ্থাৎ মুঠ ৩৯০গৰাকী হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত লাভান্বিত হৈছে। এই উপলক্ষে আজি হিতাধিকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰা হয়। অভয়াপুৰী কলা পৰিষদত অনুষ্ঠিত সভাত সম-জিলা আয়ুক্ত দীপন বৰ্মন, অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়, মহকুমা কৃষি বিষয়া কল্যাণ দাস, সহকাৰী আয়ুক্ত প্ৰশান্ত বৰা আৰু ভাৰতীয় ষ্টেট বেংকৰ শাখা প্ৰবন্ধক সঞ্জীৱ মুছাহাৰী উপস্থিত থাকে। আনহাতে, সৃজনগ্ৰাম ব্লক কাৰ্যালয়ৰ অডিটৰিয়ামত অনুষ্ঠিত সভাত জিলা বিজেপিৰ সভাপতি উজ্জ্বল কান্তি ৰায়, সৃজনগ্ৰাম আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰাজীৱ আলী, অতিৰিক্ত জিলা আয়ুক্ত মৌচুম প্ৰতীম নাথ, সৃজনগ্ৰামৰ খণ্ড উন্নয়ন বিষয়া আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সভাত উপস্থিত বিষয়ববীয়া, হিতাধিকাৰী আৰু ৰাইজে মুখ্যমন্ত্ৰীগৰাকীৰ বক্তব্য পোনপটীয়াকৈ শুনাৰ লগতে CM-AAA আঁচনিৰ লক্ষ্য, উদ্দেশ্য, সুবিধা আৰু ৰূপায়ণৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত হয়। আঁচনিখনৰ সুফল যাতে যোগ্য হিতাধিকাৰীসকলে লাভ কৰিব পাৰে, তাৰ বাবে সংশ্লিষ্ট বিভাগসমূহে আঁচনিখনৰ বিষয়ে জনসাধাৰণৰ মাজত অধিক সজাগতা সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

এটিএমত কাৰ্ড সলাই লুটিলে ৩৭ হাজাৰ টকা; চিচিটিভিত বন্দী সমগ্ৰ ঘটনা

অসম বাৰ্তা, মৰিয়নি, ১৭ ছেপ্টেম্বৰ ঃ মৰিয়নীত এটিএম কাৰ্ড কৌশলেৰে সলাই লৈ গ্ৰাহকৰ বেংক একাউণ্টৰ পৰা ৩৭ হাজাৰ টকা উলিয়াই নিয়াৰ অভিযোগ উত্থাপন। ঘটনাটো ষ্টেট বেংক অৱ ইণ্ডিয়াৰ মৰিয়নি শাখাৰ এটিএমত সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি, এগৰাকী গ্ৰাহকে এছ বি আইৰ মৰিয়নি শাখাৰ এটিএমত ধন উলিয়াবলৈ গৈছিল। গ্ৰাহকজনে এটিএমত লেনদেন কৰি থকাৰ সময়তে এগৰাকী অচিনাক্ত মহিলা এটিএম কক্ষত প্ৰৱেশ কৰে। অভিযোগ অনুসৰি, মহিলাগৰাকীয়ে কৌশলেৰে গ্ৰাহকজনৰ এটিএম কাৰ্ডখন সলাই লৈ যায়। সেই সময়ত কাৰ্ডখন সলনি হোৱা বুলি গ্ৰাহকজনে গম পোৱা নাছিল। পৰৱৰ্তী সময়ত অচিনাক্ত মহিলাগৰাকীয়ে গ্ৰাহকজনৰ কাৰ্ডখন ব্যৱহাৰ কৰি মৰিয়নি-নকছাৰীস্থিত এটিএমৰ পৰা তেওঁৰ বেংক একাউণ্টৰ পৰা মুঠ ৩৭ হাজাৰ টকা উলিয়াই নিয়াৰ অভিযোগ উত্থাপন হৈছে। ঘটনাটো পোহৰলৈ অহাৰ পিছতে ভুক্তভোগীয়ে তৎকালীনভাৱে বেংক কৰ্তৃপক্ষক বিষয়টো অৱগত কৰে। বেংক কৰ্তৃপক্ষই গ্ৰাহকজনৰ এটিএম কাৰ্ডখন ব্লক কৰে। ইয়াৰ পিছতে ঘটনা সন্দৰ্ভত ভুক্তভোগীয়ে মৰিয়নি থানাত এজাহাৰ দাখিল কৰে। ইফালে, মৰিয়নি শাখাৰ এটিএমত কাৰ্ড সলনি কৰাৰ সমগ্ৰ ঘটনা চিচিটিভি কেমেৰাত বন্দী হোৱা বুলি জানিব পৰা গৈছে। চিচিটিভি ফুটেজত অচিনাক্ত মহিলাগৰাকীৰ উপস্থিতিৰ দৃশ্য থকাৰ পিছতো এজাহাৰ দাখিল কৰাৰ কেইবাদিন পাৰ হৈ যোৱাৰ পাছতো আৰক্ষীৰ তদন্তত আশানুৰূপ অগ্ৰগতি নোহোৱাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগীয়ে। ঘটনাটোৰ সৈতে জড়িত মহিলাগৰাকীক চিচিটিভি ফুটেজৰ সহায়ত চিনাক্ত কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে লুট হোৱা ধন উদ্ধাৰৰ দাবী জনাইছে ভুক্তভোগীয়ে। অৱশ্যে আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে ঘটনাৰ প্ৰকৃত তথ্য স্পষ্ট হ'ব।

আৰক্ষীৰ খেদাত গাড়ী এৰি বৰষুণ-আন্ধাৰৰ সুযোগ লৈ পলাল তিনিটা গৰু চোৰ

মাজনিশা চুৰি গৰুসহ টাটা পাঞ্চ জব্দ হেলেমত

অসম বাৰ্তা, গহপুৰ, ১৭ ছেপ্টেম্বৰ ঃ বিশ্বনাথ জিলাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা গৰু চুৰিৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অধিক তীব্ৰতৰ হৈ উঠিছে। জিলাখনত গৰু চুৰিৰ সৈতে জড়িত একাধিক লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে বিভিন্ন সময়ত চুৰি গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষী। ইয়াৰ মাজতে হেলেম আৰক্ষীয়ে মাজনিশা চলোৱা এক অভিযানত তিনিটা চুৰি গৰুসহ এখন টাটা পাঞ্চ গাড়ী জব্দ কৰিবলৈ সক্ষম হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা নিশা প্ৰায় ২-৩০ বজাত সংঘটিত হয় ঘটনাটো। বিশ্বনাথ জিলাৰ উপ আৰক্ষী অধীক্ষক (সদৰ) ৰিকিৰাজ দৌলাগাপু আৰু হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ চিতলাৰ নেতৃত্বত চলোৱা অভিযানত আৰক্ষীৰ দলে এই সফলতা লাভ কৰে। জানিব পৰা মতে, ৰাষ্ট্ৰীয় ঘাইপথেৰে গহপুৰ দিশৰ পৰা আহি থকা এএছ-০২-এটি-৮০০৯ নম্বৰৰ টাটা পাঞ্চ গাড়ীখন সন্দেহজনকভাৱে লক্ষ্য কৰি আৰক্ষীৰ অভিযানকাৰী দলটোৱে খেদি আহে। আৰক্ষীৰ গাড়ীখনে পিছ লোৱাৰ উমান পাই গাড়ীখনত থকা লোককেইজনে তীব্ৰ গতিত পলায়নৰ চেষ্টা কৰে। কিন্তু আৰক্ষীৰ অভিযানকাৰী দলটোৱেও গাড়ীখনৰ পিছ লোৱাত টাটা পাঞ্চ গাড়ীখনে পলাই সাৰিবলৈ আপ্ৰাণ চেষ্টা কৰে। অৱশেষত আৰক্ষীৰ খেদাত তিষ্ঠিব নোৱাৰি হেলেম আৰক্ষী থানাৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইডাৰত খুন্দা মাৰে গাড়ীখনে। ফলত গাড়ীখন ৰৈ যায়। ইয়াৰ পিছতে নিশাৰ ঘন আন্ধাৰ আৰু মুষলধাৰ বৰষুণৰ সুযোগ লৈ গাড়ীখনৰ পৰা নামি তিনিজন লোক ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পিছে পিছে খেদি অহা আৰক্ষীৰ গাড়ীখনৰ ব্যৱধানৰ দূৰত্ব বেছি থকাৰ কাৰণে গৰু চোৰ কেইটা পলাই যাবলৈ সক্ষম হয়। আৰক্ষীৰ অভিযানকাৰী দলটোৱে তালাচী চলোৱাত গাড়ীখনৰ ভিতৰৰ পৰা তিনিটা গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গৰু তিনিটাৰ লগতে চুৰি কাৰ্যত ব্যৱহৃত টাটা পাঞ্চ গাড়ীখন জব্দ কৰি থানালৈ লৈ আহে। ঘটনাৰ পিছতে হেলেম আৰক্ষীয়ে পলাতক তিনিজন সন্দেহযুক্ত লোকৰ সন্ধানত অভিযান তীব্ৰতৰ কৰি তুলিছে। গৰু তিনিটা ক'ৰ পৰা চুৰি কৰি অনা হৈছিল, এই চুৰি চক্ৰটোৰ সৈতে আন কোনো লোক জড়িত আছে নেকি আৰু গাড়ীখনৰ ব্যৱহাৰৰ আঁৰত থকা সম্পূৰ্ণ তথ্য উদঘাটনৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। মাজনিশা আৰক্ষীৰ এই তৎপৰতাই অঞ্চলটোত সক্ৰিয় হৈ থকা গৰু চুৰি চক্ৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান যে অধিক কঠোৰ হৈছে, সেই কথা প্ৰমাণিত কৰিছে। জানিব পৰা মতে গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰাজগড় আৰক্ষী চকীৰ এলেকাধীন অসম -অৰুণাচল সীমান্তৱৰ্তী সোণাপুৰ গৰৈমাৰীৰ ৰিমল বসুমতাৰীৰ ঘৰৰ পৰা দুজনী চেউৰী আৰু ৰাজপুৰৰ ঠুলুংগা বসুমতাৰীৰ ঘৰৰ পৰা এজনী চেউৰী চুৰি কৰি আনিছিল উক্ত গৰু চুৰি চক্ৰই।

আমগুৰি ৰে'লৱে জংচনৰ সমীপত ৰে'লৰ খুন্দাত বৃদ্ধৰ মৃত্যু

অসম বাৰ্তা, চেলেংহাট, ১৭ ছেপ্টেম্বৰ ঃ আমগুৰি ৰেলৱে জংচনৰ সমীপত আজি বিয়লি ৰে'লৰ খুন্দাত এগৰাকী বৃদ্ধৰ মৃত্যু হয়। প্ৰাপ্ত তথ্য মতে, আজি বিয়লি আমগুৰি অৰুণোদয় একাডেমীৰ সমীপৰ ৰে'লপথত এখন নামনিমুৱা মালবাহী ৰে'লৰ খুন্দাত আমগুৰি ভূঞা গাঁৱৰ নিবাসী চেনিৰাম ভূঞা (৭২) নামৰ লোকজনৰ মৃত্যু ঘটে। ঘটনাস্থলীত ৰে'লৱে আৰক্ষী উপস্থিত হৈ বৃদ্ধগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। শোকাৱহ ঘটনাটোৱে অঞ্চলটোত শোকৰ ছাঁ পেলায়।

সম্পাদকীয়

ডিজিটেল লেনদেনৰ ভৱিষ্যত আৰু জনগণৰ প্ৰশ্ন

আজিৰ ভাৰতবৰ্ষত ডিজিটেল লেনদেন কেৱল এক সুবিধা হৈ থকা নাই, ই দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে। শাক-পাচলি কিনাৰ পৰা আৰম্ভ কৰি ডাঙৰ বজাৰ-হিচাপলৈকে- সকলোতে 'ইউপিআই' ব্যৱহাৰ কৰাটো আমাৰ অভ্যাসত পৰিণত হৈছে। ভাৰতক ডিজিটেল বিপ্লৱৰ শীৰ্ষলৈ নিয়া এই ইউপিআই ব্যৱস্থাক লৈ সম্প্ৰতি সমগ্ৰ দেশতে এক নতুন বিতৰ্কই গা কৰি উঠিছে। ডিজিটেল লেনদেন সঁচাকৈয়ে আগৰ দৰেই সম্পূৰ্ণ বিনামূলীয়া হৈ থাকিব নে ইয়াৰ ওপৰত মাচুল আৰোপ কৰি সাধাৰণ গ্ৰাহক তথা ক্ষুদ্ৰ ব্যৱসায়ীৰ ওপৰত অতিৰিক্ত বোজা জাপি দিয়া হ'ব, এই প্ৰশ্নই এতিয়া প্ৰতিগৰাকী নাগৰিকৰ মনত উদ্বেগৰ সৃষ্টি কৰিছে।

এই বিতৰ্কৰ সূত্ৰপাত ঘটে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ এটা স্পষ্টীকৰণৰ পাছত, য'ত জানিবলৈ দিয়া হয় যে ২,০০০ টকা পৰ্যন্ত ইউপিআই লেনদেন আৰু ৰূপে ডেবিট কাৰ্ডৰ জৰিয়তে কৰা পৰিশোধত কোনো মাচুল লোৱা নহয়। কিন্তু এই বক্তব্যৰ পাছতেই বিৰোধী পক্ষ, বিশেষকৈ কংগ্ৰেছ দলে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ৰাজনৈতিক আক্ৰমণ আৰম্ভ কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ মতে ২,০০০ টকাৰ অধিক ব্যৱসায়িক লেনদেনৰ ওপৰত মাচুল আৰোপৰ যি ইংগিত পোৱা গৈছে, সি পৰোক্ষভাৱে সাধাৰণ গ্ৰাহকৰ জেপতে ঘাত পেলাব। দোকানী বা ব্যৱসায়ীসকলে নিজৰ লাভৰ পৰা এই মাচুল দিয়াতকৈ সামগ্ৰীৰ মূল্য বৃদ্ধি কৰি গ্ৰাহকৰ পৰাই সংগ্ৰহ কৰিব, যাৰ ফলত ৫,০০০ টকা বা ১০,০০০ টকাৰ ক্ৰয়ত ক্ৰমে ২৫ টকা বা ৫০ টকা পৰ্যন্ত অতিৰিক্ত ব্যয় বৃদ্ধি পাব। ইয়াৰ উপৰি আমেৰিকাৰ পেমেণ্ট কোম্পানীসমূহৰ হেঁচাত চৰকাৰে পূৰ্বৰ 'শূন্য এমডিআৰ' নীতিৰ পৰা আঁতৰি আহি আত্মসমৰ্পণ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন হৈছে।

ইফালে চৰকাৰ আৰু অৰ্থনীতিবিদসকলৰ যুক্তি হৈছে যে ইউপিআইৰ দৰে এটা বিশাল ডিজিটেল আন্তঃগাঁথনি পৰিচালনা কৰিবলৈ, ইয়াৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰিবলৈ আৰু বেংকিং খণ্ডক উৎসাহ যোগাবলৈ বিপুল অৰ্থৰ প্ৰয়োজন। পৰিশোধ ব্যৱস্থাটো দীৰ্ঘম্যাদীভাৱে সুস্থিৰ আৰু দক্ষ কৰি ৰাখিবলৈ অতি সামান্য পৰিমাণৰ মাচুল বা সেৱা শুল্ক অপৰিহাৰ্য হ'ব পাৰে বুলি একাংশ অৰ্থনীতিবিদসকলে মন্তব্য কৰিছে। তথাপি এক সাধাৰণ নাগৰিকৰ দৃষ্টিৰে চালে বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্থাপন হয়। নগদহীন অৰ্থনীতি গঢ়াৰ যি আহ্বান জনোৱা হৈছিল, ইউপিআইত মাচুল আৰোপ হ'লে মানুহে পুনৰ নগদ লেনদেনলৈ উভতি যাব নেকি, তাক লৈ সংশয় থাকি যায়। একেদৰে কম লাভত ব্যৱসায় কৰা সৰু-সুৰা দোকানীসকলৰ বাবে এনে মাচুল অতিৰিক্ত বোজা হ'ব পাৰে। তদুপৰি গাঁও আৰু প্ৰান্তীয় অঞ্চলৰ যিসকল লোক নতুনকৈ ডিজিটেল লেনদেনৰ সৈতে অভ্যস্ত হৈছিল, তেওঁলোকৰ মাজতো ডিজিটেল সামৰি লোৱাৰ প্ৰক্ৰিয়াটোক লৈ অনিচ্ছাৰ সৃষ্টি হ'ব পাৰে।

ডিজিটেল ভাৰতৰ সপোন বাস্তৱায়িত কৰাত ইউপিআইৰ অৱদান অতুলনীয়। কিন্তু ইয়াক জীয়াই ৰখাৰ নামত বা নীতিগত পৰিৱৰ্তনৰ বাহানাত যাতে সাধাৰণ মানুহৰ আস্থা ভংগ নহয়, তাৰ প্ৰতি চৰকাৰে বিশেষ দৃষ্টি দিয়াটো জৰুৰী। চৰকাৰে এই সন্দৰ্ভত অধিক স্পষ্ট নীতি গ্ৰহণ কৰি ডিজিটেল লেনদেনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ লগতে সাধাৰণ ৰাইজক মাচুলৰ অতিৰিক্ত বোজাৰ পৰা মুক্ত ৰখা উচিত।

বিশ্বকৰ্মা পূজাৰ তাৎপৰ্য

বিশ্বকৰ্মা পূজা হৈছে বৈদিক হিন্দু ধৰ্ম আৰু অসমীয়া সংস্কৃতিৰ লগতে সমগ্ৰ ভাৰতীয় সমাজ ব্যৱস্থাত অত্যন্ত শ্ৰদ্ধা আৰু ধুমধামেৰে পালিত এক সুকীয়া আৰু মহত্ত্বপূৰ্ণ উৎসৱ। এই পূজাই মানৱ সমাজত শিল্প, কাৰিগৰী বিদ্যা, প্ৰযুক্তিবিদ্যা, স্থাপত্য আৰু শাৰীৰিক শ্ৰমৰ মৰ্যাদাক এক পৰম আধ্যাত্মিক মৰ্যাদা প্ৰদান কৰে। হিন্দু ধৰ্মগ্ৰন্থ আৰু পুৰাণসমূহৰ মতে, দেৱশিল্পী বিশ্বকৰ্মা হ'ল সমগ্ৰ ব্ৰহ্মাণ্ডৰ প্ৰথম স্থাপত্যবিদ, মূল কাৰিকৰ আৰু সকলো ধৰণৰ যন্ত্ৰ-কৌশল তথা কাৰিগৰী জ্ঞানৰ আদি স্ৰষ্টা। জগতৰ যিকোনো নতুন সৃষ্টি, নিৰ্মাণ আৰু উদ্ভাৱনৰ অন্তৰালত যি সৃজনীশীল প্ৰতিভা তথা বুদ্ধি লুকাই থাকে, তাক দেৱতা বিশ্বকৰ্মাৰেই অংশ বুলি স্বীকাৰ কৰা হয়। পৌৰাণিক উপাখ্যান আৰু শাস্ত্ৰীয় পৃষ্ঠাসমূহ চলাথ কৰিলে দেখা যায় যে সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি এই চাৰিও যুগতে বিশ্বকৰ্মাৰ কাৰিগৰী মহিমাই সমগ্ৰ সৃষ্টিকে বিস্ময়চকিত কৰি ৰাখিছিল। দেৱতাসকলৰ সুউচ্চ ৰাজপ্ৰাসাদযুক্ত সংসাৰ স্বৰ্গপুৰী, ত্ৰেতা যুগৰ ৰাৱণৰ অতুলনীয় সোণৰ লংকা, দ্বাপৰ যুগত শ্ৰীকৃষ্ণৰ বাবে সমুদ্ৰৰ মাজত নিৰ্মাণ কৰা সুৰক্ষিত আৰু অপূৰ্ব দ্বাৰকা নগৰী, আৰু মহাভাৰতৰ পাণ্ডৱসকলৰ মায়াসভা, এই সকলোবোৰ বিশ্বকৰ্মাৰ অসাধাৰণ নিৰ্মাণশৈলীৰেই সুন্দৰ নিদৰ্শন। কেৱল অট্টালিকা বা নগৰ নিৰ্মাণেই নহয়, ধৰ্ম আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে দেৱতাসকলে ব্যৱহাৰ কৰা মহাস্ত্ৰসমূহো তেওঁৰ হস্তশিল্পৰেই ফচল আছিল। দেৱৰাজ ইন্দ্ৰৰ ধাৰাল বজ্ৰ, ভগৱান শিৱৰ পিনাক ধনু, বিষ্ণুৰ সুদৰ্শন চক্ৰ আৰু ৰাৱণৰ আকাশী ৰথ 'পুষ্পক বিমান' বিশ্বকৰ্মাৰ কাৰিগৰী বিদ্যায় প্ৰস্তুত কৰি তুলিছিল। এই সকলো কাহিনীয়ে এটা কথাই প্ৰমাণ কৰে যে বিশ্বকৰ্মা কেৱল এজন কাল্পনিক দেৱতা নহয়, বৰঞ্চ মানৱীয় বুদ্ধি, শ্ৰম, স্থপতিবিদ্যা আৰু প্ৰযুক্তিৰ এক ঘনীভূত প্ৰতীক। সাধাৰণতে প্ৰতি বছৰে ভাদ মাহৰ সংক্ৰান্তি তিথিত, অৰ্থাৎ সূৰ্যই যেতিয়া সিংহ ৰাশিৰ পৰা কন্যা ৰাশিলৈ সংক্ৰমণ কৰে, তেতিয়াই এই পূজা উদ্‌যাপন কৰা হয়। হিন্দু ধৰ্মৰ অধিকাংশ পূজা-পাৰ্বণ চন্দ্ৰৰ তিথি অৰ্থাৎ প্ৰতিপদ, নৱমী বা পূৰ্ণিমাৰ ওপৰত নিৰ্ভৰ কৰি পালন কৰা হয় যদিও বিশ্বকৰ্মা পূজা তাৰ ব্যতিক্ৰম। ই সম্পূৰ্ণৰূপে সূৰ্যৰ গতিপথ আৰু সংক্ৰান্তিৰ নিয়ম অনুসৰি নিৰ্ধাৰিত হয় বাবে ইংৰাজী কেলেণ্ডাৰত প্ৰায়ে চেপ্টেম্বৰ মাহৰ ১৭ বা ১৮ তাৰিখে এই পূজা পৰে। এই পূজাৰ মূল সামাজিক আৰু আধ্যাত্মিক দৰ্শন হ'ল 'কৰ্মই ধৰ্ম' আৰু 'কৰ্মই পূজা'। বিশ্বকৰ্মা পূজাৰ দিনটোত সমগ্ৰ দেশৰে সৰু-বৰ সকলো কল-কাৰখানা, শিল্প উদ্যোগ, মেকানিক গ্যাৰেজ, নিৰ্মাণ কাৰ্য চলি থকা থলী, প্ৰেছ, আৰু কম্পিউটাৰ লেবৰ পৰা আৰম্ভ কৰি দৈনন্দিন জীৱনত ব্যৱহৃত সৰু-বৰ প্ৰতিটো কৰ্মস্থান উৎসৱমুখৰ হৈ পৰে। শ্ৰমিক আৰু কাৰিকৰসকলে নিজৰ নিজৰ কাৰ্যক্ষেত্ৰ সুন্দৰকৈ চাফ-চিকুণ কৰি ফুল, ধূপ-দীপ আৰু পতাকাৰে সজাই তোলে। নিজৰ হাতৰ সঁজুলি, যেনে, হাতুৰী, বটালী, স্ক্ৰু-ড্ৰাইভাৰৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ মেচিন, গাড়ী আৰু কম্পিউটাৰ আদি যন্ত্ৰ-পাতিসমূহ পৰিষ্কাৰ কৰি পূজাৰ পীঠত স্থাপন কৰা হয়। শ্ৰমিক, কাৰিকৰ, প্ৰকৌশলী, ভাস্কৰ আৰু স্থপতিবিদসকলে অতি ভক্তিৰে দেৱতা বিশ্বকৰ্মাক প্ৰণাম জনায় আৰু প্ৰাৰ্থনা কৰে যাতে বছৰটোৰ প্ৰতিটো দিনতে যন্ত্ৰ-পাতিবোৰে কোনো বিপদ-বিঘিনি নোহোৱাকৈ সুচাৰুৰূপে কাম কৰে, কৰ্মক্ষেত্ৰত কোনো দুৰ্ঘটনা নঘটে, আৰু তেওঁলোকৰ শ্ৰমে যেন সমাজলৈ উৎপাদন আৰু সমৃদ্ধি কঢ়িয়াই আনে। বিশ্বকৰ্মা পূজাৰ আন এক অনন্য মাত্ৰা হৈছে সামাজিক সমতা আৰু শ্ৰমৰ মৰ্যাদা প্ৰতিষ্ঠা কৰা। এই পূজাই স্পষ্টভাৱে সোঁৱৰাই দিয়ে যে সমাজত কোনো কামেই সৰু বা ফেলনা নহয়। এজন সাধাৰণ কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, মেকানিকৰ পৰা আৰম্ভ কৰি এজন উচ্চশিক্ষিত মহাকাশ বিজ্ঞানী বা ছফ্‌টৱেৰ ইঞ্জিনিয়াৰলৈকে সকলোৱেই নিজ নিজ স্থানত একেই সৃষ্টিশীল শক্তিৰ সাধক। মানুহৰ হাতৰ শ্ৰম আৰু কাৰিগৰী দক্ষতা অবিহনে কোনো সভ্যতাই প্ৰগতিৰ পথত খোজ পেলাব নোৱাৰে। আধুনিক একবিংশ শতিকাত, য'ত বিজ্ঞানে কৃত্ৰিম বুদ্ধিমত্তা (AI), ৰবটি', ডিজিটেল প্ৰযুক্তি আৰু মহাকাশ গৱেষণাৰ যোগেদি মানৱ সমাজক এক নতুন মাত্ৰা দিছে, তাতো বিশ্বকৰ্মা পূজাৰ মূল্য অলপো হ্ৰাস পোৱা নাই। আজিকালি কেৱল লো-পিতলৰ যন্ত্ৰই নহয়, বৰঞ্চ আধুনিক বিশ্বত কম্পিউটাৰ, ছফ্‌টৱেৰ, কৃত্ৰিম উপগ্ৰহ আৰু উচ্চ প্ৰযুক্তিৰ গৱেষণাগাৰসমূহতো বিশ্বকৰ্মাৰ সৃষ্টিশীল আশীৰ্বাদ কামনা কৰি পূজা অৰ্চনা কৰা হয়। সৰ্বশেষত ক'বলৈ গ'লে, বিশ্বকৰ্মা পূজা কেৱল ধাৰ্মিক আচাৰ-অনুষ্ঠানতে আৱদ্ধ নহয়; ই হৈছে মানুহৰ শ্ৰম, কাৰিগৰী দক্ষতা, সৃষ্টিশীল প্ৰতিভা, বৈজ্ঞানিক প্ৰগতি আৰু এক সুস্থ কৰ্মসংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা জনোৱা এক মহৎ আৰু প্ৰেৰণাদায়ী উৎসৱ।

ৰাজু কলিতা
ঠিকনা ঃ মাজুলী

যন্ত্ৰৰ পূজাৰ পৰা শ্ৰমৰ মৰ্যাদালৈ ঃ বিশ্বকৰ্মা পূজাৰ অন্তৰ্নিহিত কথা

> *অসমৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীত কাৰিকৰী আৰু কুটিৰ শিল্পই এক গৌৰৱময় আৰু সমৃদ্ধ ঐতিহ্য বহন কৰি আহিছে। মধ্যযুগৰ অসমত পাইক আৰু খেল ব্যৱস্থাৰ অধীনত কামৰ নিখুঁত বিভাজন আছিল। কমাৰ, কুমাৰ, বাঢ়ৈ, কঁহাৰ, সোণাৰী, তাঁতী, খনিকৰ আদি বিভিন্ন কাৰিকৰী সম্প্ৰদায়ে অসমীয়া লোকশিল্প আৰু অৰ্থনীতিক নিজৰ শ্ৰমেৰে সমৃদ্ধ কৰি ৰাখিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনত এই কাৰিকৰী দক্ষতাই উচ্চ আধ্যাত্মিক শিখৰ স্পৰ্শ কৰিছিল। শংকৰদেৱৰ প্ৰত্যক্ষ নিৰ্দেশনাত অসমীয়া শিপিনীসকলে বৈ উলিওৱা 'বৃন্দাবনী বস্ত্ৰ' আছিল বিশ্বৰ বয়নশিল্প ইতিহাসৰ এক বিস্ময়কৰ নিদৰ্শন। য'ত ৰং, কলা আৰু সূতাৰ সংমিশ্ৰণেৰে শ্ৰীকৃষ্ণৰ লীলা অংকন কৰা হৈছিল। অসমৰ বোৱা-কটা শিল্পৰ বিষয়ে মহাত্মা গান্ধীয়ে ১৯২১ চনত নিজৰ স্মৃতিচাৰণত লিখিছিল যে, অসমীয়া জীয়ৰী-বোৱাৰীয়ে কাপোৰত সপোন ৰচিব পাৰে। একেদৰে শুৱালকুছিৰ পাট-মুগাৰ কাপোৰ, সৰ্থেবাৰীৰ কাঁহ শিল্প, বৰপেটাৰ হাতীদাঁতৰ লগতে আতচবাজী শিল্প আৰু মাজুলীৰ মুখাশিল্পই অসমৰ কাৰিকৰী শক্তিক সমগ্ৰ বিশ্বতে পৰিচিত কৰিছে।*

নলিনী ৰঞ্জন ভূঞা

বিশ্বকৰ্মা পূজা কেৱল এটা ধৰ্মীয় উৎসৱ নহয়। ই শ্ৰম, সৃষ্টিশীলতা, দক্ষতা আৰু কৰ্মৰ প্ৰতি সন্মান প্ৰকাশৰ এক গুৰুত্বপূৰ্ণ সামাজিক উপলক্ষ। যন্ত্ৰ, সঁজুলি আৰু কৰ্মস্থলীক পূজা কৰাৰ মাজেৰে মানুহে আচলতে সেইবোৰৰ সৈতে জড়িত নিজৰ শ্ৰম আৰু সৃষ্টিশীল শক্তিকহে সন্মান জনায়। সেয়ে বিশ্বকৰ্মা পূজাৰ প্ৰাসংগিকতা কেৱল ধৰ্মীয় বিশ্বাসৰ মাজতে সীমাবদ্ধ নহয়। আধুনিক সমাজৰ কৰ্ম-সংস্কৃতি, শ্ৰমিকৰ সামাজিক মৰ্যাদা আৰু দক্ষতাভিত্তিক জীৱিকাৰ দিশটোৰ লগত ইয়াৰ গভীৰ সম্পৰ্ক আছে। ভাদ মাহৰ সংক্ৰান্তিৰ দিনা সমগ্ৰ দেশ তথা অসমৰো চুকে-কোণে উদযাপিত হোৱা দেৱশিল্পী বিশ্বকৰ্মাৰ আৰাধনা কেৱল এক ধৰ্মীয় আচাৰ নহয়, ই মানৱ সভ্যতাৰ নিৰ্মাণ-শৈলী, শ্ৰমৰ মহত্ত্ব আৰু সৃষ্টি-চেতনাক উচ্চতম শিখৰত তুলি ধৰাৰ এক শ্ৰেষ্ঠ দৰ্শন স্বৰূপ।

বৈদিক সাহিত্য আৰু প্ৰাচীন ভাৰতীয় শাস্ত্ৰসমূহত দেৱশিল্পী বিশ্বকৰ্মাৰ স্থান অতি উচ্চ আৰু অনন্য। সনাতন শাস্ত্ৰৰ প্ৰাচীনতম গ্ৰন্থ ঋদৰ দশম মণ্ডলৰ ৮১ আৰু ৮২ নম্বৰ সূক্তত 'বিশ্বকৰ্মা' নামটোৰ উল্লেখ পোৱা যায়। এই সূক্ত দুটা একেলগে 'বিশ্বকৰ্মা সূক্ত' নামেৰে পৰিচিত। দুয়োটা সূক্ততে বিশ্বকৰ্মাক বিশ্বব্ৰহ্মাণ্ডৰ স্ৰষ্টা, ধাৰণকৰ্তা আৰু পৰম দ্ৰষ্টা হিচাপে বৰ্ণনা কৰা হৈছে। ৮১ নম্বৰ সূক্তত সৃষ্টিক এক মহাযজ্ঞৰ ৰূপত কল্পনা কৰি বিশ্বকৰ্মাই নিজ শক্তিৰে পৃথিৱী আৰু আকাশ সৃষ্টি কৰাৰ কথা কোৱা হৈছে। ৮২ নম্বৰ সূক্তত সৃষ্টিৰ আদি অৱস্থা আৰু প্ৰথম গৰ্ভ বা বীজৰ পৰা বিশ্বব্ৰহ্মাণ্ডৰ বিকাশৰ কথা উল্লেখ আছে। আধ্যাত্মিক দৃষ্টিত এই সূক্ত দুটাই সমগ্ৰ সৃষ্টিৰ অন্তৰালত থকা এক পৰম, সৰ্বব্যাপী আৰু সৃষ্টিশীল শক্তিৰ সন্ধান দিয়ে লগতে মানুহকো সেই পৰম শক্তিৰ সৈতে নিজৰ কৰ্ম আৰু চেতনাৰ সম্পৰ্ক উপলব্ধি কৰিবলৈ অনুপ্ৰাণিত কৰে। গতিকে বিশ্বকৰ্মাৰ ধাৰণাৰ শিপা ভাৰতীয় প্ৰাচীন বৈদিক পৰম্পৰাত গভীৰভাৱে প্ৰোথিত।

পুৰাণ, মহাভাৰত আৰু ৰামায়ণত বিশ্বকৰ্মাক দেৱতাসকলৰ নগৰ নিৰ্মাতা, বিমান আৰু দিব্য অস্ত্ৰ-শস্ত্ৰৰ স্ৰষ্টা হিচাপে চিত্ৰিত কৰা হৈছে। দ্বাৰকা নগৰীৰ সুদৃঢ় প্ৰাচীৰ, ইন্দ্ৰপ্ৰস্থৰ অপৰূপ মায়াসভা, লংকাপুৰীৰ স্বৰ্ণময় অট্টালিকা আৰু দেৱৰাজ ইন্দ্ৰৰ বজ্ৰৰ পৰা মহাদেৱৰ ত্ৰিশূললৈকে- সকলোতে দেৱশিল্পীৰ অলৌকিক নিৰ্মাণ-প্ৰতিভাৰ সাক্ষ্য পোৱা যায়। প্ৰাচীন ভাৰতীয় স্থপতিবিদ্যাৰ আধাৰশিলা স্বৰূপ বিশ্বকৰ্মাৰ 'বাস্তুশাস্ত্ৰ' আৰু 'শিল্পশাস্ত্ৰ'ত নগৰ পৰিকল্পনা, দুৰ্গ নিৰ্মাণ, ৰথ নিৰ্মাণ, ধাতুৰ নিষ্কাশন আৰু মৃৎশিল্প আদি চৌষষ্ঠিবিধ কলাৰ বিজ্ঞানসন্মত বৰ্ণনা আছে। মন কৰিবলগীয়া যে বৃহস্পতিৰ ভগ্নী যোগসিদ্ধাৰ গৰ্ভত আৰু অষ্টম বসু প্ৰভাসৰ ঔৰসত বিশ্বকৰ্মাৰ জন্ম বুলি পৌৰাণিক আখ্যানত পোৱা যায়। অৱশ্যে এই সকলো পৌৰাণিক আখ্যানৰ অন্তৰালত নিহিত হৈ থকা মূল সত্যটো হ'ল- কাৰিকৰী বিদ্যা, স্থাপত্য আৰু কায়িক নিৰ্মাণৰ অবিহনে মানুহৰ কোনো ধৰণৰ ভৌতিক বা আত্মিক বিকাশ সম্ভৱ নহয়।

আধুনিক যান্ত্ৰিক সভ্যতাত যন্ত্ৰক সচৰাচৰ এটা নিৰ্জীৱ উপাদান বুলি ভবা হয়। কিন্তু ভাৰতীয় সংস্কৃতিয়ে যন্ত্ৰৰ লগত মানুহৰ সম্বন্ধটোক আত্মিক আৰু জৈৱিক পৰ্যায়লৈ উন্নীত কৰিছে। বিশ্বকৰ্মা পূজাৰ দিনা বৃহৎ উদ্যোগৰ বিশাল যন্ত্ৰকে ধৰি পথৰ গাড়ী, কাঠমিস্ত্ৰীৰ ৰান্দা-বটালী, কমাৰৰ হাতুৰী-ভাটি, তাঁতৰ শাল, নাঙল-যুঁৱলিৰ পৰা আধুনিক কাৰ্যালয়ৰ কম্পিউটাৰটোলৈকে- সকলো কৰ্ম-উপকৰণ পৰিষ্কাৰ কৰি পূজা কৰা হয়। এই উপাসনাৰ অন্তৰালৰ প্ৰধান সত্যটোৱেই হ'ল কৃতজ্ঞতা। যিটো সঁজুলিয়ে মানুহৰ কায়িক বলক সহস্ৰগুণে বৃদ্ধি কৰে, যিটো যন্ত্ৰৰ সহায়ত মানুহে নিজৰ ঘামক জীৱিকা আৰু খাদ্যলৈ ৰূপান্তৰ কৰে, সেই সঁজুলিটোৰ লগত মানুহৰ এক আত্মিক সম্পৰ্ক গঢ়ি উঠে। সেয়ে যন্ত্ৰ আৰু মানুহ উভয়ৰ মাজৰ সুস্থ সহাৱস্থান আৰু সমিলমিলেই হ'ল- প্ৰগতিৰ মূল ভেটি।

অসমৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীত কাৰিকৰী আৰু কুটিৰ শিল্পই এক গৌৰৱময় আৰু সমৃদ্ধ ঐতিহ্য বহন কৰি আহিছে। মধ্যযুগৰ অসমত পাইক আৰু খেল ব্যৱস্থাৰ অধীনত কামৰ নিখুঁত বিভাজন আছিল। কমাৰ, কুমাৰ, বাঢ়ৈ, কঁহাৰ, সোণাৰী, তাঁতী, খনিকৰ আদি বিভিন্ন কাৰিকৰী সম্প্ৰদায়ে অসমীয়া লোকশিল্প আৰু অৰ্থনীতিক নিজৰ শ্ৰমেৰে সমৃদ্ধ কৰি ৰাখিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনত এই কাৰিকৰী দক্ষতাই উচ্চ আধ্যাত্মিক শিখৰ স্পৰ্শ কৰিছিল। শংকৰদেৱৰ প্ৰত্যক্ষ নিৰ্দেশনাত অসমীয়া শিপিনীসকলে বৈ উলিওৱা 'বৃন্দাবনী বস্ত্ৰ' আছিল বিশ্বৰ বয়নশিল্প ইতিহাসৰ এক বিস্ময়কৰ নিদৰ্শন। য'ত ৰং, কলা আৰু সূতাৰ সংমিশ্ৰণেৰে শ্ৰীকৃষ্ণৰ লীলা অংকন কৰা হৈছিল। অসমৰ বোৱা-কটা শিল্পৰ বিষয়ে মহাত্মা গান্ধীয়ে ১৯২১ চনত নিজৰ স্মৃতিচাৰণত লিখিছিল যে, অসমীয়া জীয়ৰী-বোৱাৰীয়ে কাপোৰত সপোন ৰচিব পাৰে। একেদৰে শুৱালকুছিৰ পাট-মুগাৰ কাপোৰ, সৰ্থেবাৰীৰ কাঁহ শিল্প, বৰপেটাৰ হাতীদাঁতৰ লগতে আতচবাজী শিল্প আৰু মাজুলীৰ মুখাশিল্পই অসমৰ কাৰিকৰী শক্তিক সমগ্ৰ বিশ্বতে পৰিচিত কৰিছে। ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ আৰু জয়সাগৰ, শিৱসাগৰৰ আহোমযুগৰ দৌলসমূহ যিবোৰ থলুৱা পদাৰ্থ- বৰা চাউল, হাঁহকণী আদিৰ সংমিশ্ৰণেৰে নিৰ্মাণ কৰা হৈছিল, সেইবোৰ আছিল অসমীয়া বাঢ়ৈ আৰু খনিকৰসকলৰ বিশ্বকৰ্মা-সুলভ বাস্তুজ্ঞানৰ জ্বলন্ত প্ৰমাণ। ভাৰতীয় চিন্তাৰ কেন্দ্ৰবিন্দু হৈছে শ্ৰমক ঈশ্বৰ উপাসনা হিচাপে গ্ৰহণ কৰা। শ্ৰীমদ্ভগৱদ্‌গীতাত ভগৱান শ্ৰীকৃষ্ণই তৃতীয় অধ্যায়ৰ কৰ্মযোগত স্পষ্টভাৱে কৈছে-

'ন কৰ্মণামনাৰম্ভান্ নৈষ্কৰ্ম্যং পুৰুষোহশ্নুতে।
ন চ সন্ন্যসনাদেৱ সিদ্ধিং সমাধিগচ্ছতি।। ৪।।"

অৰ্থাৎ কৰ্ম নকৰাকৈ কোনো মানুহে কৰ্মবন্ধনৰ পৰা মুক্তি নাপায় আৰু কেৱল সন্ন্যাস গ্ৰহণ কৰিলেই সিদ্ধি লাভ নহয়। কৰ্মই হৈছে মানৱ জীৱনৰ স্বাভাৱিক ধৰ্ম।

অসমৰ নৱবৈষ্ণৱ ধৰ্মত শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে শ্ৰমক কোনোদিন ভক্তিৰ পৰা পৃথক বুলি ভবা নাছিল। সত্ৰীয়া জীৱনত প্ৰতিজন ভক্তই নিজ হাতে খেতি কৰা, পুথিৰ সাঁচিপাত প্ৰস্তুত কৰা, খোল-তাল গঢ়া আৰু সত্ৰৰ গৃহ নিৰ্মাণৰ কামত নিজকে নিয়োজিত কৰিব লাগিছিল। 'শ্ৰমেই ধৰ্ম, কামেই ভগৱান'- এই ধাৰণা আমাৰ মাটিৰ পৰাই উদ্ভুত হৈছিল।

আধুনিক যুগত যন্ত্ৰ মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংশ। কৃষিৰ পৰা উদ্যোগলৈ, নিৰ্মাণৰ পৰা পৰিবহণলৈ, চিকিৎসাৰ পৰা যোগাযোগলৈ- সকলো ক্ষেত্ৰতে যন্ত্ৰৰ ব্যৱহাৰ বৃদ্ধি পাইছে। কিন্তু যন্ত্ৰই নিজে কোনো কাম সম্পূৰ্ণ কৰিব নোৱাৰে। যন্ত্ৰক উদ্ভাৱন, নিৰ্মাণ, পৰিচালনা, পৰীক্ষা, মেৰামতি আৰু সঠিক ব্যৱহাৰ কৰিবলৈ মানুহৰ জ্ঞান আৰু দক্ষতাৰ প্ৰয়োজন। আমাৰ সমাজত বহু সময়ত পুথিগত শিক্ষাকেই শিক্ষাৰ একমাত্ৰ মাপকাঠি বুলি গণ্য কৰা হয়। ফলত হাতে-কামে দক্ষতা অৰ্জন কৰা বহু পেছাক পৰ্যাপ্ত সামাজিক মৰ্যাদা দিয়া নহয়। এই মানসিকতাৰ পৰিৱৰ্তন অত্যন্ত প্ৰয়োজন। দক্ষতা নিজেই এক জ্ঞান। কাঠৰ গুণ বুজি সঠিকভাৱে খোদিত কৰা, ধাতুৰ স্বভাৱ বুজি সঠিক আকাৰ দিয়া, কাপোৰৰ জোখ বুজি নিখুঁতভাৱে বোৱা বা চিলোৱা, যন্ত্ৰৰ বিসংগতি চিনাক্ত কৰি মেৰামতি কৰা- এই সকলোবোৰ অভিজ্ঞতা, প্ৰশিক্ষণ আৰু অধ্যৱসায়ৰ ফল। শ্ৰমক সন্মান কৰা মানে কেৱল শ্ৰমিকক প্ৰশংসা কৰা নহয়। শ্ৰমৰ ন্যায্য মূল্য দিয়া, কৰ্মস্থলীত সুৰক্ষা নিশ্চিত কৰা, দক্ষতা বৃদ্ধিৰ সুযোগ দিয়া, সামাজিক সুৰক্ষা প্ৰদান কৰা আৰু পেছাটোৰ প্ৰতি হীনমন্যতা সৃষ্টি নকৰাও শ্ৰমৰ মৰ্যাদাৰ অংগ।

বিশ্বকৰ্মা পূজাৰ এই মহিমামণ্ডিত আধ্যাত্মিক আৰু ঐতিহাসিক পটভূমিৰ বিপৰীতে আজিৰ আধুনিক সমাজখনলৈ চালে এক অতি কৰুণ আৰু চিন্তাজনক চিত্ৰ প্ৰতিভাত হয়। আজি কাৰখানা, কৰ্মশালা আৰু যান-বাহন পৰিবহণ কেন্দ্ৰসমূহত বিশ্বকৰ্মা পূজাৰ নামত লাখ লাখ টকা ব্যয় কৰি আলোকসজ্জা, ফটকা-আতচবাজী আৰু অধিক শব্দৰে মাইক বজাই উৎসৱ পালন কৰা হয়। কিন্তু যিসকল মেকানিকৰ হাতৰ মলিৰে পেটৰ ভোক গুচে, যিসকল নিৰ্মাণ শ্ৰমিকে আকাশচুম্বী অট্টালিকা গঢ়ে, যিসকল চাফাই কৰ্মীয়ে আৱৰ্জনা পৰিষ্কাৰ কৰে- সেইসকল মানুহৰ সামাজিক স্থান ক'ত সেইটো ভবা হয়নে? আচলতে আমাৰ তথাকথিত আধুনিক সমাজে এক চূড়ান্ত শ্ৰেণীভেদ আৰু ভণ্ডামি লালন-পালন কৰি আহিছে। কোট-টাই পিন্ধি কাৰ্যালয়ত বহা কেৰাণীজনক আমি সামাজিক সন্মান দিওঁ, কিন্তু দিনটো ৰ'দ-বৰষুণত তিতি কায়িক শ্ৰম কৰা ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী, নলা চাফা কৰা শ্ৰমিক বা পথৰ কাষত গাড়ী মেৰামতি কৰা মেকানিকজনক হীন দৃষ্টিৰে চাওঁ। এই শ্ৰম-বিমুখ আৰু সামন্তবাদী মানসিকতা আধুনিক সভ্য সমাজৰ বাবে কলংকজনক। উপযুক্ত দৈনিক মজুৰিৰ অভাৱ, কৰ্মক্ষেত্ৰত স্বাস্থ্য আৰু জীৱনৰ সুৰক্ষাৰ অভাৱ, আৰু সামাজিক অৱহেলাৰ বাবে আজি দেশৰ কাৰিকৰী শ্ৰেণীটোৱে এক নিৰাপত্তাহীন জীৱন যাপন কৰিবলৈ বাধ্য হৈছে। যদি এজন কাৰিকৰে তেওঁৰ উপযুক্ত প্ৰাপ্য আৰু উপযুক্ত মৰ্যাদা নাপায়, তেনে অৱস্থাত দেৱতাৰ মূৰ্তিৰ আগত সোণ-ৰূপৰ নৈবেদ্য আগবঢ়ালেও সেই পূজাই কোনো অৰ্থ বহন নকৰে।

বিশ্বৰ অগ্ৰণী ৰাষ্ট্ৰসমূহ- যেনে, জাপান বা জাৰ্মানীৰ উন্নতিৰ মূল ৰহস্য হৈছে তেওঁলোকৰ শ্ৰম-সংস্কৃতি। দ্বিতীয় বিশ্বযুদ্ধত সম্পূৰ্ণৰূপে ধ্বংসস্তুপত পৰিণত হোৱা জাপানে কেৱল কাৰিকৰী একাগ্ৰতা আৰু কায়িক শ্ৰমৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধাৰ বাবেই বিশ্বৰ অৰ্থনৈতিক মহাশক্তিলৈ ৰূপান্তৰিত হ'ব পাৰিছে। তাত এজন ৰাজমিস্ত্ৰী আৰু এজন অধ্যাপকৰ মাজত সামাজিক মৰ্যাদাৰ কোনো কৃত্ৰিম ব্যৱধান নাই। কাম সৰু বা ডাঙৰ নহয়, কামৰ প্ৰতি থকা নিষ্ঠাহে মানুহৰ প্ৰকৃত পৰিচয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে আমাৰ সমাজত এতিয়াও চৰকাৰী বা বেচৰকাৰী কাৰ্যালয়ৰ এটা তৃতীয় বা চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ বাবে ডেকা বয়সটো নষ্ট কৰি বহি থকাৰ মানসিকতাই গা কৰি আছে। ফলত আমাৰ ৰাজ্যখনত সম্পদ আৰু অপাৰ সম্ভাৱনা থকাৰ পাছতো অৰ্থনীতিৰ এটা বৃহৎ অংশ বহিৰাগত শ্ৰমিক আৰু দক্ষ কাৰিকৰৰ হাতলৈ গুচি গৈছে। গৃহ নিৰ্মাণৰ কামৰ পৰা আৰম্ভ কৰি প্লাম্বাৰ, ইলেক্ট্ৰিচিয়ান, কাঠমিস্ত্ৰী, আনকি দৈনিক শাক-পাচলি উৎপাদনৰ কামতো আমি আনৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈছে। কায়িক শ্ৰমক লাজৰ কথা বুলি ভবা এই ভুল মানসিকতাই আমাৰ জাতীয় অৰ্থনীতিক পংগু কৰি পেলাইছে। বিশ্বকৰ্মাৰ আশীৰ্বাদ কেৱল প্ৰাৰ্থনাৰে নাহে। আহে নিজৰ হাত দুখনক কামত খটুৱাই স্বাৱলম্বী হোৱাৰ মাজেৰেহে।

আজিৰ একবিংশ শতিকাত কাৰিকৰী বিদ্যাৰ সংজ্ঞা সলনি হৈছে। আজিৰ বিশ্বকৰ্মা কেৱল হাতত হাতুৰী-বটালী লোৱা লোকজনেই নহয়। আজিৰ জটিল তথ্য-প্ৰযুক্তি, বৈদ্যুতিক যান-বাহন, সৌৰশক্তি আৰু মহাকাশ বিজ্ঞানৰ যুগত কম্পিউটাৰত জটিল এলগৰিদম লিখা ছফ্‌টৱেৰৰ অভিযন্তাজন, মহাকাশলৈ ৰকেট প্ৰেৰণ কৰা বিজ্ঞানীসকল, আৰু নৱীকৰণযোগ্য শক্তিৰ আহিলা নিৰ্মাণ কৰা প্ৰযুক্তিবিদসকল সকলোৱেই আধুনিক বিশ্বকৰ্মাৰ একো একোটা ৰূপ। কিন্তু যিমানেই উচ্চ প্ৰযুক্তি বা কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিৰ্ভাৱ নহওক কিয়, মানুহৰ হাতৰ পৰশ, কল্পনা আৰু সংবেদনশীলতাৰ বিকল্প কোনো যন্ত্ৰই ল'ব নোৱাৰে। এখন কাঠৰ চকীত কাৰিকৰে খোদিত কৰা সূক্ষ্ম ফুলটো, বা তাঁতৰ শালত শিপিনীয়ে তোলা চেনেহৰ ফুলখিনিত নিৰ্মাতাগৰাকীৰ আত্মা সোমাই থাকে। যিটো কোনো যন্ত্ৰৰ গণনাত পোৱা নাযায়। সেয়েহে পৰম্পৰাগত হস্তশিল্প আৰু আধুনিক তথ্য-প্ৰযুক্তিৰ এক সুন্দৰ সমন্বয় আজিৰ সময়ত আটাইতকৈ প্ৰয়োজনীয়।

পৰিশেষত ক'ব পাৰি যে, বিশ্বকৰ্মা পূজা কোনো এটা দিনৰ নামমাত্ৰ উৎসৱ হৈ থকা অনুচিত। আড়ম্বৰপূৰ্ণ মণ্ডপ, ৰং-বিৰঙৰ আলোকসজ্জা আৰু প্ৰদূষণ সৃষ্টিকাৰী আতচবাজীত ধন ব্যয় কৰাতকৈ কাৰখানা আৰু কৰ্মশালাসমূহৰ শ্ৰমিকসকলৰ স্বাস্থ্য বীমা, নিৰাপদ কৰ্মপৰিৱেশ আৰু ন্যায্য পাৰিশ্ৰমিক নিশ্চিত কৰাটোহে বিশ্বকৰ্মাৰ প্ৰকৃত বন্দনা। সমাজৰ প্ৰতিজন মেকানিক, শিপিনী, ৰাজমিস্ত্ৰী আৰু কাৰিকৰক একোজন সন্মানীয় নাগৰিক হিচাপে অন্তৰৰ পৰা স্বীকৃতি দিয়াই হওক এইবছৰৰ বিশ্বকৰ্মা পূজাত আমাৰ সকলোৰে সংকল্প। হাতৰ ঘাম আৰু সৃষ্টিৰ আনন্দৰ মাজেৰে যেতিয়া এখন দেশে শ্ৰমক উপাসনাৰ বেদীত প্ৰতিষ্ঠা কৰিব পাৰিব, তেতিয়াহে বিশ্বকৰ্মাৰ সৃষ্টিশীল স্বপ্ন সঁচা অৰ্থত বাস্তৱায়িত হ'ব। তেতিয়াহে সঁচা অৰ্থত শ্ৰমেই শক্তি, শ্ৰমেই মুক্তি আৰু শ্ৰমেই মানৱ সভ্যতাৰ চিৰন্তন সাধনা হৈ উঠিব।

বিশ্ব খনিকৰ বিশ্বকৰ্মা

বিশ্বকৰ্মা পূজা বা বিশ্ব জয়ন্তী হৈছে হিন্দু ধৰ্মৰ এটি ধৰ্মীয় উৎসৱ। এই পূজা হিন্দুৰ স্থাপত্য দেৱতা বিশ্বকৰ্মাৰ সন্তুষ্টি লাভৰ বাবে কৰা হয়। উল্লেখ্য যে বিশ্বকৰ্মা হিন্দু ধৰ্মত এজন দেৱতা, যাক শিল্প, স্থাপত্য আৰু যন্ত্ৰৰ দেৱতা বুলি জনা যায়। তেওঁ বিশ্বৰ সৃষ্টি আৰু পালন কৰা ব্ৰহ্মাণ্ডৰ দৈৱিক স্থপতি, অভিযন্তা আৰু শিল্পী হিচাপে পৰিচিত। ঐশ্বৰিক নগৰ কুৰুক্ষেত্ৰ, দ্বাৰকা আৰু ইন্দ্ৰপ্ৰস্থৰ সৃষ্টি বিশ্বকৰ্মাৰে সৃষ্টি। ভাৰতৰ কৰ্ণাটক, অসম, পশ্চিম বংগ, বিহাৰ ঝাৰখণ্ড, উৰিষ্যা তথা ত্ৰিপুৰা আদি ৰাজ্য তথা বিভিন্ন প্ৰদেশত প্ৰতি বছৰে ভাদ মাহৰ সংক্ৰান্তিত বা কণ্যা সংক্ৰান্তিত (ছেপ্তেম্বৰ ১৭/১৮) তাৰিখে এই পূজা সমগ্ৰ ভাৰততে বিধি অনুসৰি পালন কৰা হয়। উত্তৰ ভাৰতত এই পূজাৰ মহত্ত্ব আছে।

এই পূজা বিশেষতঃ কল-কাৰাখানা, ব্যৱসায়িক প্ৰতিষ্ঠান তথা নিজ বাসগৃহতো এই পূজাৰ আয়োজন কৰা হয়। সেইদিনা কল-কাৰাখানাৰ দৈনন্দিন কাৰ্যসূচী সমূহ বন্ধ থাকে আৰু সকলো কৰ্মচাৰীয়ে হৰ্ষ উল্লাস আৰু আনন্দৰ মাজেৰে বিশ্বকৰ্মাৰ পূজা আয়োজন কৰে। বিশ্বকৰ্মা পূজা কেৱল এক ধৰ্মীয় উৎসৱেই নহয়, ই কাৰুকাৰ্য, সৃষ্টিশীলতা আৰু দক্ষ শ্ৰমিকৰ প্ৰতীক। বিশ্বকৰ্মাৰ মূৰ্তি প্ৰতিষ্ঠা কৰি ইয়াৰ আৰাধনা কৰে। প্ৰবাদ আছে যে দেৱতা সকলৰ খনিকৰ, বিশ্ব নিৰ্মাতা খনিকৰ বিশ্ব কৰ্মাই প্ৰাচীন কালত যিমানখিনি ৰাজধানী আছিল কুণ্ডিলৰ পৰা দ্বাৰকা নগৰ পৰ্যন্ত সকলো খিনিয়েই নিৰ্মাণ কৰিছিল। বিশ্বকৰ্মা পুৰাণ অনুসৰি নাৰায়ণে প্ৰথমে ব্ৰহ্মা আৰু তাৰ পাছত বিশ্বকৰ্মাৰ সৃষ্টি কৰিছিল। কথিত আছে যে পাণ্ডৱ সকলৰ মায়া সভা, ৰামায়ণত উল্লেখ থকা ব্ৰহ্মাৰ পুষ্পক ৰথ, দেৱতা সকলৰ চলাচলৰ বাবে বিভিন্ন বাহন, দেৱপুৰী আৰু বিষ্ণুৰ সুদৰ্শন চক্ৰ, শিৱৰ ত্ৰিশূল, কুবেৰৰ অস্ত্ৰ, কাৰ্তিকৰ শক্তি, ইন্দ্ৰৰ বজ্ৰপাত আদি এই সকলোখিনি বিশ্বকৰ্মাৰে সৃষ্টি। স্বৰ্গীয় সূত্ৰধৰ বিশ্বকৰ্মা পুৰীৰ বিখ্যাত জগন্নাথ মূৰ্তিৰো নিৰ্মাণকৰ্তা।

সেইদিনা নিৰ্মাণ -সৃজনৰ দেৱতা, বিশ্বৰ প্ৰথম অভিযন্তা, ঈশ্বৰৰ অভিযন্তা, যন্ত্ৰৰ ঈশ্বৰ বিশ্বকৰ্মাৰ পূজা অৰ্চনা কৰাৰ অন্তত প্ৰসাদ, মিঠাই, ভোগ, খিচিৰি আদি আপ্যায়ন কৰা হয়। সেইদিনা পুৱাৰে পৰা বিশ্ব খনিকৰৰ বন্দনাৰে সমগ্ৰ ৰাজ্য মুখৰিত হৈ থাকে। ঠায়ে - ঠায়ে সেইদিনা দিনযোৱা কাৰ্যসূচীৰে বিভিন্ন মনোৰঞ্জন মূলক খেল-ধেমালি, দিহানাম, ভাওনা আদিও প্ৰদৰ্শন কৰা হয়।

এক উন্নত ভৱিষ্যতৰ বাবে, কৰ্মৰ সুৰক্ষাৰ বাবে, দক্ষতা বৃদ্ধিৰ বাবে, নিজ-নিজ ক্ষেত্ৰত সফলতাৰ বাবে, তেওঁলোকৰ জীৱিকা সুৰক্ষিত ৰাখিবৰ বাবে পালন কৰা এই বিশ্বকৰ্মা পূজা মূলঃত বিভিন্ন যন্ত্ৰৰ পূজা কৰা হয়। অৱশ্যে বিভিন্ন জীৱিকাৰ লগত জড়িত ব্যক্তি বা অনুষ্ঠান সমূহতো এই উৎসৱ ভাগ ধাৰ্মিক তথা ভক্তি ভাৱেৰে পালন কৰা হয়। বিশ্বকৰ্মা পূজা হৈছে নিজৰ দক্ষতাৰ জৰিয়তে বিশ্বৰ উন্নয়নত অৰিহনা যোগোৱা সকলৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমক সন্মান জনোৱাৰ দিন। কিন্তু বৰ্তমান সময়ত এই পূজা বা উৎসৱৰ অন্তৰ্নিহিত পবিত্ৰতা আৰু গাম্ভীৰ্য হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। এই বাহ্যিক আড়ম্বৰ পৰিহাৰ কৰি আধ্যাত্মিক আৰু শান্তিপূৰ্ণ পৰিৱেশত পূজা উদ্‌যাপন কৰিলেহে উৎসৱৰ প্ৰকৃত আধ্যাত্মিকতা উপলব্ধি কৰিবলৈ সক্ষম হ'ব। বিশ্ব কৰ্মা পূজাত বাহ্যিকতাৰ প্ৰভাৱ বৰ্তমান সময়ত এক চৰ্চাৰ বিষয় হৈ পৰিছে। পৰম্পৰাগত ভাৱে এই পূজা আছিল যন্ত্ৰ, কাৰিকৰী বিদ্যা আৰু শ্ৰমৰ প্ৰতি সন্মান জনোৱাৰ এক পবিত্ৰ উৎসৱ। কিন্তু আধুনিক যুগত বিশ্বকৰ্মা পূজাত আধ্যাত্মিকতা আৰু ভক্তিৰ তুলনাত বাহ্যিক আড়ম্বৰৰ প্ৰদৰ্শনকামিতাই অধিক প্ৰাধান্য লাভ কৰা দেখা গৈছে। পূজাত ভক্তিগীত বা মাংগলিক ধ্বনিৰ পৰিৱৰ্তে তীব্ৰ শব্দৰ (DJ) সংগীত বজোৱাটো এক অপৰিহাৰ্য নিয়মৰ দৰে হৈ পৰিছে। শ্ৰদ্ধাতকৈ নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠান বা মণ্ডপটো কিমান বেছি আকৰ্ষণীয় কৰিব পাৰি বা আকৰ্ষণীয় সেইটো দেখুওৱাটোহে যেন মূল লক্ষ্য হৈ পৰে, য'ত আধ্যাত্মিক ভাব শূন্য। অপ্ৰিয় হ'লেও এই কথা সত্য যে, পবিত্ৰ ধৰ্মীয় পৰিৱেশটো কলুষিত কৰি বহুতৰ বাবে এই পূজা কেৱল সুৰাপান আৰু নৈশ পাৰ্টিৰ আয়োজন কৰিবৰ বাবে এক সুযোগ হৈ পৰিছে। যি আমাৰ সামাজিক পৰিৱেশ কলুষিত কৰিছে, সমাজত বেয়া প্ৰভাৱ পেলাইছে। ভক্তিৰ সলনি ব্যৱসায়িক লাভালাভ আৰু প্ৰভাৱ বিস্তাৰৰ বাবে পূজা অনুষ্ঠিত কৰাৰ মানসিকতা বহুতৰে মাজত গা কৰি উঠিছে। যিয়ে এই উৎসৱ বা পূজাৰ প্ৰকৃত গুৰুত্ব বা মহত্ত্ব বুজি উঠাত কিছু পৰিমাণে হ'লেও প্ৰভাৱ বিস্তাৰ কৰিছে। যি প্ৰভাৱ কিন্তু মুঠেই গ্ৰহণযোগ্য বা সমৰ্থনযোগ্য নহয়। এই সমূহৰ উপৰিও উৎসৱ পালনৰ নামত বহুতে সাধাৰণ ৰাইজ বা ব্যৱসায়ীৰ পৰা জোৰ -জুলুমকৈ চান্দা আদায় কৰা দেখা যায়, যিটো বৰ্তমান সময়ত এক ব্যাধিৰ দৰে হৈ পৰিছে। মূৰ্তি বিসৰ্জনৰ সময়তো নদী বা জলাশয় সমূহ প্ৰদূষিত কৰাৰ উপৰিও ৰাজপথত কৰা নৃত্য -গীতবোৰত ভক্তি ভাৱৰ সলনি তৰলতাই আশ্ৰয় লৈছে। আধ্যাত্মিকতাৰে পূৰ্ণ উৎসৱ এটাত যেতিয়া বাহ্যিকতাই অধিক প্ৰাধান্য লাভ কৰে, তেতিয়া ই প্ৰকৃত সৌন্দৰ্য হেৰুৱায়। কেৱল যন্ত্ৰৰ নহয়, যন্ত্ৰৰ আঁৰত থকা দিন-হাজিৰা কৰা শ্ৰমিক আৰু কাৰিকৰ সকলৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত কৰাটোৱে হৈছে বিশ্বকৰ্মা পূজা পালনৰ প্ৰকৃত উদ্দেশ্য আৰু সাৰ্থকতা। সাম্প্ৰতিক সময়ত এই পূজা পালনত যি পৰিৱৰ্তন দেখা গৈছে সেই সমূহ নিয়ন্ত্ৰণৰ সময় আহি পৰিছে। আধ্যাত্মিক আৰু শান্তিপূৰ্ণ পৰিৱেশত পূজা উদ্‌যাপন কৰিলেহে উৎসৱটোৰ প্ৰকৃত তাৎপৰ্য ৰক্ষা পৰিব।

নিবেদিতা হাজৰিকা
ঠিকনা ঃ লখিমপুৰ

নলবাৰীত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ চেক বিতৰণ

অসম বাৰ্তা, নলবাৰী, ১৭ ছেপ্টেম্বৰ ঃ নলবাৰী জিলাত আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ ৰ দ্বিতীয় কিস্তিৰ ধনৰ চেক বিতৰণ অনুষ্ঠান তিনিওটা বিধানসভা সমষ্টিতে অনুষ্ঠিত কৰা হয়। নলবাৰী বিধানসভা সমষ্টিৰ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ ৰ চেক প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ বিত্ত, পৰিৱেশ আৰু বন, খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা। তেওঁ চেক বিতৰণ কৰি দিয়া ভাষণত কয় যে ইতিমধ্যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ ৰ প্ৰথম কিস্তিৰ ধন প্ৰদান কৰাৰ পিছত পৰৱৰ্তী পদক্ষেপ হিচাপে আজি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্ম দিনৰ লগত সংগতি ৰাখি চেক বিতৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। আজিৰ অনুষ্ঠানৰ আৰম্ভণিতেই গুৱাহাটীত ৰাজ্যিক পৰ্যায়ত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা চেক বিতৰণ কৰা অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। তাৰ পিছতেই নলবাৰী সমষ্টিৰ চেক বিতৰণ অনুষ্ঠান শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় যে নতুন প্ৰজন্মই অসমক দেশৰ আগশাৰীৰ ৫খন ৰাজ্যৰ ভিতৰত এখন অন্যতম ৰাজ্য হিচাপে গঢ়ি তোলাত আগভাগ ল'ব লাগিব। তাৰ বাবে আমাৰ যুৱক-যুৱতীসকলে দৈনন্দিন জীৱনত প্ৰয়োজনীয় খাদ্য সামগ্ৰী বা অন্যান্য ব্যৱহাৰযোগ্য সামগ্ৰী নিজে উৎপাদন কৰাৰ ক্ষেত্ৰত আগবাঢ়ি আহিব লাগিব। আমি যদি কৃষি ক্ষেত্ৰত ৰাজ্যখনক স্বাৱলম্বী কৰিব পাৰো, উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰত যদি আমি গুৰুত্ব দিওঁ, আমি যদি বেংকৰ লেনদেনৰ ক্ষেত্ৰত আগবাঢ়ি আহিব পাৰো, তেনেহ'লে অসমৰ অৱস্থা জয় জয় ময় ময় হ'ব বুলি কয় মন্ত্ৰীগৰাকীয়ে। তেওঁ আৰু কয় অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অসমখনক সকলো দিশেৰে আগবঢ়াই নিয়াৰ বাবে কৰ্মসংস্থাপনৰ উপায় হিচাপে উদ্যোগখণ্ডক গুৰুত্ব দিছে। যিহেতু শিক্ষিত নিবনুৱা অনুপাতে চৰকাৰী চাকৰি সীমিত, সেয়েহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অভিলাষী আঁচনিখন গ্ৰহণ কৰিছিল বুলি উল্লেখ কৰি বিত্ত মন্ত্ৰী শ্ৰী বৰুৱাই কয় যে অসমখনক স্বাৱলম্বী হিচাপে গঢ়ি তোলাত নতুন প্ৰজন্মই হাত উজান দিয়াটো অতীব প্ৰয়োজনীয়। আজি নলবাৰীত পেপচিকো উদ্যোগ গঢ়ি উঠিছে, এই উদ্যোগৰ বাবে প্ৰয়োজনীয় আলু যথাসম্ভৱ নলবাৰীতেই উৎপাদন কৰিব পাৰিলে উদ্যোগটোৰ পৰোক্ষ নিযুক্তিৰ বাট মুকলি হ'ব অৰ্থাৎ নলবাৰীৰ মানুহেই উপকৃত হ'ব। এহাতে পেপচিকো উদ্যোগত উৎপাদনত প্ৰত্যক্ষভাৱে নিযুক্ত হোৱা লোকৰ লগতে পৰোক্ষভাৱেও কৃষকসকলৰ আত্ম সংস্থাপনৰ বাট মুকলি হ'ব বুলি উল্লেখ কৰে বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। তেওঁ আৰু কয় যে আমি যদি মাছ, মাংস, কণী আদি উৎপাদনকো উদ্যোগ হিচাপে গ্ৰহণ কৰিব পাৰো তেতিয়াহ'লে লাহে লাহে অসমলৈ বাহিৰৰ পৰা আমদানিকৃত হৈ অহা এইবোৰ সামগ্ৰী কমি যাব আৰু আমাৰ ধন আমাৰ নিজৰ হাততে ৰ'ব, সেইদৰে আমাৰ ঘৰুৱা উৎপাদন বৃদ্ধি হ'ব। গতিকে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান সফল কৰাৰ ক্ষেত্ৰত অবিহনা যোগাবলৈ হিতাধিকাৰীসকলক আহ্বান জনায় বিত্ত মন্ত্ৰীগৰাকীয়ে। উল্লেখ থাকে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনৰ বৰ্তমানৰ হিতাধিকাৰী নলবাৰী সমষ্টিত ৯৩৫, বৰক্ষেত্ৰী সমষ্টিত ৫৩৫ আৰু টিহু সমষ্টিত ৬৩৯ গৰাকী। আজিৰ অনুষ্ঠানত আদৰণি ভাষণ দিয়ে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। অনুষ্ঠানত সমাজকৰ্মী জয়ন্ত বুজৰবৰুৱা, চপলা ৰাজবংশী, নলবাৰী পৌৰসভাৰ সভানেত্ৰী জয়শ্ৰী তালুকদাৰ তথা জিলা উন্নয়ন আয়ুক্ত যুগ কৃষ্ণ ৰাজবংশী উপস্থিত থাকে। উল্লেখ থাকে যে বৰক্ষেত্ৰী আৰু টিহু সমষ্টিতো অনুৰূপ অনুষ্ঠান অনুষ্ঠিত হয়। টিহু সমষ্টিৰ অনুষ্ঠানত স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

প্ৰাক্তন খেলুৱৈ, আছু কৰ্মী, অসম সাহিত্য সভাৰ আজীৱন সভ্য, তথা সমাজকৰ্মী ৰিণ্টু দত্তৰ পৰলোকপ্ৰাপ্তি

বৃহত্তৰ নুমলীগড়, কমাৰগাঁও অঞ্চলত শোকৰ ছাঁ

অসম বাৰ্তা, নুমলীগড়, ১৭ ছেপ্টেম্বৰ ঃ বৃহত্তৰ কমাৰগাঁও অঞ্চলৰ বচাপথাৰৰ নিবাসী, নুমলীগড় চাহ বাগিচাৰ দক্ষ কৰ্মচাৰী তথা প্ৰাক্তন খেলুৱৈ ৰিণ্টু দত্ত আৰু নাই। যোৰহাটৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত আজি পুৱতি নিশা প্ৰায় ৫৩ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে। তেওঁৰ আকস্মিক মৃত্যুৰ খবৰে বৃহত্তৰ কমাৰগাঁও আৰু নুমলীগড় অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। ৰিণ্টু দত্ত আছিল এগৰাকী ক্ৰীড়াপ্ৰেমী আৰু প্ৰাক্তন খেলুৱৈ। নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে বিদ্যালয়খনৰ সৈতে তেওঁৰ আছিল এক নিবিড় সম্পৰ্ক। বিদ্যালয়খনৰ মুখ্য তোৰণ নিৰ্মাণত দাতা হিচাপে তেওঁ আগবঢ়োৱা অৱদানেও শিক্ষানুষ্ঠানখনৰ প্ৰতি তেওঁৰ আন্তৰিকতা আৰু সামাজিক দায়বদ্ধতাৰ পৰিচয় বহন কৰে। ছাত্ৰ জীৱনৰ পৰাই সামাজিক আৰু জনজীৱনৰ সৈতে জড়িত হৈ পৰা ৰিণ্টু দত্ত সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী প্ৰাক্তন ছাত্ৰ নেতা আছিল। পৰৱৰ্তী সময়ত তেওঁ অসম সাহিত্য সভাৰ আজীৱন সভ্য হিচাপেও সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে সম্পৰ্ক বজাই ৰাখিছিল। সমাজৰ বিভিন্ন কাম-কাজত আগভাগ লৈ অহা দত্তক অঞ্চলটোৰ এগৰাকী আগৰণুৱা আৰু সমাজহিতৈষী ব্যক্তি হিচাপে বহুতে স্মৰণ কৰিছে। নুমলীগড় চাহ বাগিচাত কৰ্মৰত অৱস্থাতো তেওঁ সহকৰ্মী আৰু পৰিচিত মহলৰ মাজত নিজৰ কৰ্মদক্ষতা, আৰু সামাজিক সম্পৰ্কৰ বাবে পৰিচিত আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, সহকৰ্মী, প্ৰাক্তন সতীৰ্থ আৰু বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনৰ মাজত গভীৰ শোকৰ সৃষ্টি হয়। ৰিণ্টু দত্তৰ বিয়োগত নুমলীগড় ভাস্বতী শাখা সাহিত্য সভা, বৃহত্তৰ নুমলীগড় সংবাদ মঞ্চ, কমাৰগাঁও প্ৰেছ ক্লাব, কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থা, নুমলীগড় ব্যৱসায়ী সংস্থা, বোকাখাত মহকুমা ছাত্ৰ সংস্থা, নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়, নুমলীগড় বাগিচা সংঘ, কৰ্মচাৰী সংঘ, আটছু, নুমলীগড় শাশ্বতী লেখিকা সমাৰোহ সমিতি, বচাপথাৰৰ ৰাইজ, বচাপথাৰৰ বিভিন্ন সামাজিক সংগঠন, নুমলীকুৱৰী আঞ্চলিক মইনা পাৰিজাত, নুমলীগড় নামঘৰ সমিতি, নুমলীগড় ৰাজহুৱা শ্মশান পৰিচালনা সমিতি আৰু নুমলীগড় নাট্য মন্দিৰকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। শোক প্ৰকাশ কৰা সংগঠনসমূহে প্ৰয়াত ৰিণ্টু দত্তৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁৰ বিয়োগে বৃহত্তৰ কমাৰগাঁও—নুমলীগড় অঞ্চলৰ সামাজিক, ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছে। ৰিণ্টু দত্তৰ মৃত্যুত বচাপথাৰবাসীৰ লগতে সমগ্ৰ বৃহত্তৰ নুমলীগড়—কমাৰগাঁও অঞ্চলবাসীয়ে এগৰাকী আপোনজনক হেৰুৱাৰ বেদনাত ম্ৰিয়মাণ হৈ পৰিছে।

নগাঁও উপ-নিৰ্বাচন ঃ ৰহাত ৩ পৰ্যবেক্ষকৰ আকস্মিক পৰিদৰ্শন

অসম বাৰ্তা, বঢ়মপুৰ, ১৭ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে নিয়োগ কৰা তিনিগৰাকী পৰ্যবেক্ষকে আজি ৰহা বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত স্থাপন কৰা ৯টা নিৰ্বাচনী তালাচী চকী আকস্মিকভাৱে পৰিদৰ্শন কৰে। নগাঁও জিলাৰ সাধাৰণ পৰ্যবেক্ষক অমৰ কুশৱহা (আইএএছ), ব্যয় পৰ্যবেক্ষক বাসুকী নাথ ঝা (আইআৰএছ) আৰু আৰক্ষী পৰ্যবেক্ষক ললিত শাক্যৱৰ (আইপিএছ)-এ তালাচী চকীসমূহ পৰিদৰ্শন কৰি নিৰীক্ষণকাৰী দলৰ কাম-কাজৰ বুজ লয়। নিৰ্বাচনৰ সময়ছোৱাত অবৈধ ধনৰ সৰবৰাহ ৰোধৰ বাবে জিলাখনৰ বিভিন্ন প্ৰৱেশদ্বাৰত স্থিৰ নিৰীক্ষণকাৰী দল (এছএছটি) মোতায়েন কৰা হৈছে। দলটোৱে অহা-যোৱা কৰা যান-বাহনৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে। বৈধ নথি অবিহনে ৫০ হাজাৰতকৈ অধিক নগদ ধন সৰবৰাহ কৰিলে ধন জব্দ কৰাৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। পৰ্যবেক্ষককেইগৰাকীয়ে তালাচী অভিযান অধিক ফলপ্ৰসূ কৰাৰ বাবে নিৰীক্ষণকাৰী দলক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰে।

সৰুপথাৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযানৰ ১.০ আৰু ২.০ৰ ধনৰাশি বিতৰণ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১৭ ছেপ্টেম্বৰ ঃ অসমৰ যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী কৰি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযান' আঁচনিৰ ১.০ আৰু ২.০ৰ ধনৰাশি আজি ৰাজ্যজুৰি বিতৰণ কৰা হয়। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিনটোৰ লগত সঙ্গতি ৰাখি গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তঃৰাষ্ট্ৰীয় কলা মন্দিৰত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত ধনৰাশি বিতৰণ অনুষ্ঠানৰ সমান্তৰালভাৱে সৰুপথাৰতো সমজিলা প্ৰশাসনৰ উদ্যোগত ৰামধেনু মুকলি প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰি হিতাধিকাৰীসকলৰ মাজত ধনৰাশি বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষণ ভাৰ্চুৱেল মাধ্যমেৰে প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক বিষয়া টুহিনা শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়ায় উদ্যোগ বিভাগৰ অধীক্ষক ডিম্পল শইকীয়াই। সৰুপথাৰ সমজিলাত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযান ১.০ৰ অধীনত সৰুপথাৰ সমষ্টিৰ মুঠ ১৪০গৰাকী হিতাধিকাৰীক তৃতীয় কিস্তি হিচাপে ১লাখ টকাকৈ ধনৰাশি প্ৰদান কৰা হয়। ইফালে, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযান ২.০ৰ অধীনত মুঠ ৬২৪গৰাকী হিতাধিকাৰীক দ্বিতীয় কিস্তি হিচাপে প্ৰতিগৰাকীকে ২৫ হাজাৰ টকাকৈ ধনৰাশি বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন। বিধায়কগৰাকীয়ে হিতাধিকাৰীসকলক চৰকাৰী আঁচনিৰ জৰিয়তে লাভ কৰা ধনৰাশি সঠিক আৰু উৎপাদনশীল কামত ব্যৱহাৰ কৰি নিজৰ উপাৰ্জনৰ পথ সুদৃঢ় কৰাৰ লগতে আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায়। অনুষ্ঠানটোত সৰুপথাৰ সমজিলা আয়ুক্ত মিতালী লহকৰ, সৰুপথাৰ পৌৰসভাৰ পৌৰপতি উষা আগৰৱালা, বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ বৰুৱা, বড়ো কছাৰী স্বায়ত্তশাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰী, আঞ্চলিক পঞ্চায়তৰ সভাপতি দিল বাহাদুৰ লিম্বুকে ধৰি কেইবাগৰাকীও আমন্ত্ৰিত ব্যক্তি উপস্থিত থাকে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযানৰ অধীনত লাভ কৰা এই ধনৰাশি হিতাধিকাৰীসকলে উপযুক্ত আৰু উৎপাদনশীল ক্ষেত্ৰত বিনিয়োগ কৰি নিজৰ ব্যৱসায় তথা জীৱিকাৰ পথ অধিক সুদৃঢ় কৰাৰ লগতে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ দিশত আগবাঢ়িব পাৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰে।

বুৰঞ্জীমূলক নাটক "ভোটাই ডেকা" উপভোগ কৰিবলৈ উৎকণ্ঠিত পুৰণিগুদামৰ নাট্যপ্ৰেমী ৰাইজ

প্ৰজাঘৰ-নাটঘৰৰো ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, পুৰণিগুদাম, ১৭ ছেপ্টেম্বৰ ঃ নগাঁৱৰ সু-সন্তান নাট্যপ্ৰৱৰ যশস্বী নাট্যকাৰ সাৰদাকান্ত বৰদলৈৰ দ্বাৰা ৰচিত আৰু সু-অভিনেতা খগেন কুমাৰ গায়নৰ পৰিকল্পনা তথা পৰিচালনাত বুৰঞ্জীমূলক নাটক "ভোটাই ডেকা" নাটখনিৰ মঞ্চায়ন উপভোগ কৰিবলৈ পুৰণিগুদামৰ নাট্যপ্ৰেমী ৰাইজ উৎকণ্ঠিত হৈ থকা পৰিলক্ষিত হৈছে। অহা ২০ ছেপ্টেম্বৰত ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ ড° ভবেন্দ্ৰ নাথ শইকীয়া প্ৰেক্ষাগৃহত "প্ৰজাঘৰ-নাটঘৰ" নামৰ নাট্য সংগঠনটোৱে নাটকখন নিবেদন কৰিব। বিশিষ্ট অভিনেতা প্ৰয়াত নীলু শৰ্মা, নগাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত দেৱ বৰা, আৰু পদুমণি পামগাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত দিলীপ কুমাৰ গায়নৰ পবিত্ৰ স্মৃতিত উৎসৰ্গিত নাট্যানুষ্ঠানটিত ১ ঘণ্টা ৪৫ মিনিট দৈৰ্ঘ্যৰ নাটখনি মঞ্চায়ন কৰা হ'ব। নাট পৰিৱেশনৰ পূৰ্বে উক্ত নাট্যানুষ্ঠানটিত বিশিষ্ট কবি, সাহিত্যিক, নিবন্ধকাৰ নবীন কলিতাক "নগঞা শইকীয়া ভোটাই ডেকা স্মৃতি বঁটা-২০২৬" প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। নৱপ্ৰজন্মৰ বাবে ৰাজনৈতিক পটভূমি বিশ্লেষণ আৰু বৰ্তমানৰ ৰাজনীতিৰ সৈতে তুলনামূলক বিচাৰ কৰিবলৈ যথেষ্টখিনি সমল থকা নাটখনত চৰিত্ৰাভিনেতা সকল ক্ৰমে, ভোটাই ডেকা- খগেন কুমাৰ গায়ন, আঘোণা কছাৰি-মিণ্টু কলিতা, মাধৱ তামোলী- ৰবীন শইকীয়া, লালুকসোলা বৰফুকন- ৰিতুমণি শইকীয়া, ভাৰধৰা বৰফুকন- তিলক কুমাৰ গায়ন, চাওদাং বৰুৱা আৰু ভকত- দুলমণি বৰা, বন্দৰ বৰফুকন- লাতু শৰ্মা, নাওবৈচা ফুকন- হিৰুদীপ বৰা, গাঁঠি হাজৰিকা আৰু প্ৰহৰী - অভিজিত বৰা, চাংমাই বৰুৱা আৰু মোলান- পূৰ্ণানন্দ বাৰিক, বুঢ়াগোঁহাই- ৰঞ্জন তামোলী, সন্দিকৈ ফুকন- দিগন্ত বৰা (দিগু), ল'ৰা ৰজা আৰু ঢোলীয়া- ময়ূৰ পৱন শইকীয়া, ডেকা ফুকন আৰু চাওদাং- নিতীশ বৰা, টিপিৰা- নীলৰঞ্জন শৰ্মা, হিলৈদাৰী- বিকি বৰা, বকুলী- অনুযা কাশ্যপ, পদুমী- গীতামণি বৰুৱা, জয়মতী- ৰাজকুমাৰী ভূঞা। নগাঁৱৰ স্বনামধন্য খনিকৰ প্ৰকাশ বৰাই অভিনেতা-অভিনেত্ৰী সকলৰ ৰূপসজ্জা কৰি আহোমযুগৰ চৰিত্ৰলৈ ৰূপান্তৰ কৰিব। বুৰঞ্জীমূলক নাটকখনৰ পৰিচালক খগেন কুমাৰ গায়নে নামভূমিকাত অভিনয় কৰাৰ উপৰিও নিখুঁতভাৱে নিজে মঞ্চসজ্জা আৰু সাজ-সজ্জাৰ দায়িত্ব বহন কৰিছে। সহকাৰী পৰিচালক ৰূপে মাধুৰ্য্য মৌচম শইকীয়াই দায়িত্বশীল ভূমিকা পালন কৰি আছে। আখৰা গৃহত শিৰোমণি ভূঞা আৰু ধনে পোহৰ নিয়ন্ত্ৰণ, নেত্ৰ কমল বৰাই সংগীত, প্ৰণয় কৌশিক বৰুৱা আৰু কৌশিক বৰাই মঞ্চ পৰিবৰ্তনৰ অনুশীলন অব্যাহত ৰাখিছে। নাটকখনৰ মুখ্য প্ৰযোজনা নিয়ন্ত্ৰণ কৰিব চাংমাই বৰুৱা আৰু মোলান চৰিত্ৰৰ চৰিত্ৰাভিনেতা পূৰ্ণানন্দ বাৰিকে। অহা ২০ ছেপ্টেম্বৰৰ সন্ধিয়া ৬-৩০ বজাত অনুষ্ঠিতব্য নাটখনি উপভোগ কৰিবলৈ প্ৰজাঘৰ - নাটঘৰ'ৰ তৰফৰ পৰা সকলো শ্ৰোতা-দৰ্শকক বিনম্ৰভাৱে আহ্বান জনাইছে।

অসম ৰাইফলছ আৰু লিডু আৰক্ষীৰ যৌথ অভিযানত লেখাপানীৰ বাইপাছৰ সমীপত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুজন লোকক আটক

অসম বাৰ্তা বিশেষ, জাগুন, ১৭ ছেপ্টেম্বৰ ঃ মাৰ্ঘেৰিটা সম জিলাৰ লিডু আৰক্ষী চকীৰ এলেকাধীন অঞ্চলত বুধবাৰে বিয়লি ভাগত মাদক দ্ৰব্য বিৰোধী এক অভিযান চলাই বৃহৎ সাফল্য লাভ কৰিছে ২০নং অসম ৰাইফলছ আৰু লিডু আৰক্ষীয়ে। সুপৰিকল্পিত ভাৱে চলোৱা এই যৌথ অভিযানত প্ৰায় ১.৫ কোটি টকা মূল্যৰ ড্ৰাগছসহ দুজন লোকক আটক কৰিবলৈ সক্ষম হয় অভিযানকাৰী দলটোৱে। জানিব পৰা অনুসৰি লিডু চাহ বাগিচা অঞ্চলৰ ৬নম্বৰ লাইন সংলগ্ন বাইপাছ পথৰ সমীপত এক গোপন তথ্যৰ ভিত্তিত এই যৌথ অভিযান আৰম্ভ হয়। এই বৃহৎ অভিযান চলায় ২০ নং অসম ৰাইফলছৰ টিপংস্থিত বেটেলিয়নৰ এটা দলে। অভিযান কালত অভিযানকাৰী দলটোৱে ২৪৪.৫০ গ্ৰাম নিষিদ্ধ ড্ৰাগছসহ দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোক দুজন ফিনবিৰো গাঁও নিবাসী আচোঁ ৰাংছু (৩১) আৰু লিডুৰ জামিৰ আলি(৩০) বুলি জানিব পৰা গৈছে। লোক দুজনে নম্বৰ প্লেটবিহীন এখন বলেৰো পিক আপ বাহন এই ড্ৰাগছ সৰবৰাহৰ বাবে ব্যৱহাৰ কৰিছিল। এই বৃহৎ মূল্যৰ ড্ৰাগছ সৰবৰাহৰ আঁৰত এক বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। আটকাধীন দুয়োজন লোকক আৰক্ষীয়ে অধিক তথ্য সংগ্ৰহৰ বাবে জেৰা অব্যাহত ৰখাৰ উপৰিও এই ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত নেটৱৰ্কটোৰ অন্য লোকৰ সন্ধানত তদন্ত আৰম্ভ কৰিছে।

২১ ছেপ্টেম্বৰত টংলাত "অধিগম গুৰু সন্মান ২০২৬" অনুষ্ঠান

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৭ ছেপ্টেম্বৰ ঃ শিক্ষাক কেৱল নম্বৰ বা পাঠ্যপুথিৰ মাজতে আৱদ্ধ নাৰাখি এক সুন্দৰ সমাজ গঢ়াৰ সংকল্পৰে অগ্ৰসৰ হোৱা ওদালগুৰি জিলাৰ শৈক্ষিক প্ৰতিষ্ঠান "অধিগম"এ এইবেলি পঞ্চম বৰ্ষত ভৰি দিছে। ভৱিষ্যৎ প্ৰজন্মক জ্ঞান আৰু মানৱতাৰ পোহৰ বিলোৱা শিক্ষাগুৰুসকলক কৃতজ্ঞতা জনোৱাৰ উদ্দেশ্যে ২১ ছেপ্টেম্বৰত টংলাৰ শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত অধিগমৰ পঞ্চম প্ৰতিষ্ঠা দিৱসৰ পবিত্ৰ ক্ষণত এইবাৰ "অধিগম গুৰু সন্মান ২০২৬" শীৰ্ষক এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। "অধিগম"ৰ প্ৰতিষ্ঠাপক সঞ্চালক অৰূপজ্যোতি ৰাভাই জনোৱা অনুসৰি ২১ ছেপ্টেম্বৰৰ আবেলি ৪-বজাত গুৰু আদৰণি অনুষ্ঠানৰ পিছতে ৪-৩০ বজাত বন্তি প্ৰজ্বলনৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰিব বিটিচিৰ ৩৪ নং খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা টংলা পৌৰসভাৰ পৌৰপতি অৰ্জুন দৈমাৰীয়ে। ৪-৪৫ বজাত বৰগীত পৰিৱেশন কৰিব শিল্পী নিকুমনি দেৱী আৰু সঙ্গীবৃন্দই। ৫-০০ বজাত আদৰণি ভাষণ আগবঢ়াব "অধিগম"ৰ প্ৰতিষ্ঠাপক সঞ্চালক অৰূপজ্যোতি ৰাভাই। ৫-১৫ বজাত গুৰু বন্দনা পৰিৱেশন কৰিব টংলা আঞ্চলিক নাৰী মঞ্চৰ সদস্যাবৃন্দই। ৫-৩০ বজাত অধিগম গুৰু সন্মান-২০২৬ অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত মৌগাঁও মিলন হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক সম্ভৰাম ৰাভাক নিষ্ঠাৱান শিক্ষক সন্মান, টংলা ইংলিছ মিডিয়াম হাইস্কুলৰ অধ্যক্ষ তপন ভট্টাচাৰ্য্যক প্ৰেৰণাদায়ী শিক্ষক সন্মান, অসম জাতীয় বিদ্যালয়, টংলাৰ শিক্ষক জ্যোতিষ চন্দ্ৰ চৌধুৰীক সমাজমুখী শিক্ষাবিদ সন্মান, ক্ৰমে গৰুৱাঝাৰ উচ্চ মাঃ বিদ্যালয়ৰ অৱসৰী শিক্ষয়িত্ৰী ভাগ্য দেৱী, নাচনশালীৰ নৈনেপৰীয়া হাইস্কুলৰ প্ৰধান শিক্ষক অতুল শইকীয়াক শিক্ষাক্ষেত্ৰলৈ জীৱনযোৱা অৱদান সন্মান প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্য অতিথিৰ আসন শুৱনি। কৰিব বিধায়ক বিকন চন্দ্ৰ ডেকাই। আমন্ত্ৰিত অতিথিৰূপে উপস্থিতি থাকিব ক্ৰমে বিধায়ক মহেশ্বৰ বড়ো আৰু বিটিচিৰ মনোনিত পাৰিষদ ৰতন চন্দ্ৰ ৰাভাই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব টংলা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড০ মিণ্টু পাঠকে। সন্ধিয়া ৭-বজাত নূপুৰ কালচাৰেল একাডেমীৰ সঞ্চালিকা পূৰ্ব্বাশ্ৰী বণিয়াৰ সঞ্চালনাত নৃত্যানুষ্ঠান অনুষ্ঠিত হ'ব।

শিৱসাগৰত জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা পথ সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৭ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত তথা জিলা পথ সুৰক্ষা সমিতিৰ অধ্যক্ষ শ্ৰী মৃদুল য়াদৱৰ অধ্যক্ষতাত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা পথ সুৰক্ষা সমিতিৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণিতে জিলা আয়ুক্ত গৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ইতিমধ্যে যোৰহাটত অনুষ্ঠিত হৈ যোৱা জিলা আয়ুক্তসকলৰ সন্মিলনত শেহতীয়াকৈ শিৱসাগৰ জিলাত পথ দুৰ্ঘটনাত হোৱা বৰ্ধিত মৃত্যুৰ হাৰৰ পৰিপ্ৰেক্ষিতত প্ৰদান কৰা বিশেষ নিৰ্দেশনাসমূহৰ বিষয়ে অৱগত কৰে। জিলা আয়ুক্ত গৰাকীয়ে এই সন্দৰ্ভত বিশেষ উদ্বিগ্নতা প্ৰকাশ কৰি জিলা পথ সুৰক্ষা সমিতিৰ সংশ্লিষ্ট বিভাগীয় বিষয়াসকলক উক্ত নিৰ্দেশনাসমূহ যথাযথ আৰু তৎকালীনভাৱে পালন কৰি জিলাখনৰ পথ দুৰ্ঘটনাৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত পথসমূহৰ ৰক্ষণাবেক্ষণ আৰু পৰিচালনাৰ দায়িত্বপ্ৰাপ্ত সংস্থা (Road Owning Agency) সমূহ যেনে- লোকনিৰ্মাণ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (National Highways & Infrastructure Development Corporation Ltd.- NHIDCL), পৌৰসভা আদিক দুৰ্ঘটনাপ্ৰৱণ পথসমূহ শীঘ্ৰে চিনাক্ত কৰি সেইসমূহত পৰিলক্ষিত ত্ৰুটি বা আসোঁৱাহ সন্দৰ্ভত জিলা প্ৰশাসনক বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে পথসমূহত সৃষ্টি হোৱা গাঁতসমূহ মেৰামতি কৰাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়া হয়। লগতে দুৰ্ঘটনা প্ৰৱণ পথসমূহত ছাইনেজ (Signage), ৰিফ্লেক্টৰ (Reflector), প্ৰয়োজনীয় গতিৰোধকৰ লগতে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিবলৈ আৰু বেয়া হৈ থকা ষ্ট্ৰীট লাইটসমূহ সক্ৰিয় কৰিবলৈও নিৰ্দেশ দিয়া হয়। জিলা আয়ুক্ত গৰাকীয়ে জিলাখনত বিভিন্ন দিশৰ পৰা যান-বাহন প্ৰৱেশ কৰা স্থানসমূহত (Entry Points) বেৰিকেড স্থাপন কৰি নাকা চেকিং তীব্ৰতৰ কৰাৰ পোষকতা কৰে। তেওঁ লগতে বলবৎকৰণ সংস্থাসমূহ যেনে: আৰক্ষী, পৰিবহণ, আবকাৰী আৰু দণ্ডাধীশসকলৰ তীব্ৰতৰ যৌথ অভিযান, বিশেষভাৱে নিশাৰ ভাগত অব্যাহত ৰখাৰ নিৰ্দেশ দিয়ে। আনহাতে, পথ সুৰক্ষাৰ নিয়মাৱলী উলংঘা কৰা বাহন চালকসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ জিলা আয়ুক্ত গৰাকীয়ে পৰামৰ্শ প্ৰদান কৰে। অত্যধিক বোজা বা ওজন কঢ়িওৱা, তীব্ৰ বেগত বা সুৰাপান কৰি বাইক বা গাড়ী চলোৱা, হেলমেট পৰিধান নকৰা, বাহনৰ প্ৰয়োজনীয় নথি-পত্ৰ মজুত নথকা আদিৰ বিৰুদ্ধে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। তদুপৰি বৈঠকত যান-বাহন সংস্থাসমূহৰ চালক আৰু কৰ্মচাৰীৰ চকু পৰীক্ষা কৰাৰ বাবেও এক বিশেষ শিবিৰ আয়োজনৰ পোষকতা কৰা হয়। বৈঠকত জিলাখনত পথ দুৰ্ঘটনা আৰু ইয়াৰ ফলত হোৱা মৃত্যুৰ হাৰ ৰোধ কৰাৰ ক্ষেত্ৰত অধিক কাৰ্যক্ষমতা আৰু প্ৰতিৰোধ ব্যৱস্থা নিশ্চিত কৰিবলৈ সকলো সংশ্লিষ্ট বিভাগক নিয়ম-কানুন কঠোৰভাৱে বলবৎ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আজিৰ বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত সোণতৃষ্ণা ঘৰফলীয়া, অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলাম, লোকনিৰ্মাণ (পথ) বিভাগৰ অধীক্ষক অভিযন্তা তথা জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব প্ৰকাশ পেগু, জিলা পৰিবহণ বিষয়া হীৰক জ্যোতি ডেকা প্ৰমুখ্যে বিভিন্ন সংশ্লিষ্ট বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

হাউলীত সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, কুমুল্লী পাৰা, ১৭ ছেপ্টেম্বৰ ঃ ছাত্ৰ-ছাত্ৰী আৰু জ্ঞানান্বেষীসকলৰ মাজত সাধাৰণ জ্ঞান, বৌদ্ধিক চিন্তা-চৰ্চা আৰু প্ৰতিযোগিতামূলক মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে 'আলোক অন্বেষণ', হাউলীৰ উদ্যোগত অহা ২৭ ছেপ্টেম্বৰ ২০২৬, দেওবাৰে চানমোহন বৈশ্য সোঁৱৰণী প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। হাউলীৰ চণ্ডীবৰুৱা স্মৃতি ভৱনত পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ এটা দলত সৰ্বাধিক দুগৰাকী সদস্য থাকিব পাৰিব। মুকলি কুইজ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাপে ৫, ০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৩, ০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ২, ০০০ টকা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি দ্বাদশ শ্ৰেণীলৈকে শিক্ষাৰ্থীসকলৰ বাবে পৃথক লিখিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। এই শাখাত প্ৰথম পুৰস্কাৰ ১, ৫০০ টকা, দ্বিতীয় ১, ০০০ টকা আৰু তৃতীয় ৫০০ টকা নিৰ্ধাৰণ কৰা হৈছে। অনুষ্ঠানত কুইজ পৰিচালক হিচাপে চম্পক কুমাৰ নাথ আৰু পুলক নাথ উপস্থিত থাকিব। আয়োজকসকলে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কুইজপ্ৰেমী আৰু শিক্ষাৰ্থীসকলক প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰি অনুষ্ঠানটো সফল কৰি তুলিবলৈ আহ্বান জনাইছে।

উজনিৰ প্ৰলয়গ্ৰস্ত পৰিয়ালক ১০

৭.৫০ বজাত জনতা ভৱনৰ সন্মুখত অনশনত বহোঁতে অসম আৰক্ষীয়ে বাধা প্ৰদান কৰে। স্বয়ং অসম বিধানসভাৰ এজন জনপ্ৰতিনিধি; শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈক জনতা ভৱনৰ সন্মুখত কোনো প্ৰকাৰে অনশন কৰিবলৈ অনুমতি নিদিয়াৰ কথা কৈ আৰক্ষীয়ে আঁতৰি যাবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পাছত অখিল গগৈয়ে মুখ্যমন্ত্ৰীৰ বাসগৃহলৈ যোৱা গেটৰ সন্মুখত অৱস্থিত অভাৰব্ৰীজৰ তলত অনশন কাৰ্যসূচী আৰম্ভ কৰে। পুৱা ৮ বজাৰ পৰা প্ৰায় এক ঘণ্টা মুখ্যমন্ত্ৰীৰ বাসগৃহৰ সন্মুখত অনশন কৰি তেওঁ ১৭ ছেপ্টেম্বৰ দিনটো অসমৰ ৰাইজৰ বাবে ‘ক’লা দিন’ বুলি ঘোষণা কৰে। সংবাদমাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত বিধায়ক অখিল গগৈয়ে কয় যে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন; আজিৰ এই দিনটো অসমবাসী ৰাইজে ‘ক’লা দিন’ হিচাপে পালন কৰা উচিত। ‘A for Apple’ নহয়, ‘A for Assam’লৈ পৰিণত কৰিব বুলি ঘোষণা কৰা প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ ইতিহাসৰ সৰ্ববৃহৎ দুৰ্যোগৰ সময়ত অসমবাসীৰ খবৰ এবাৰো নলয়। প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ মহাপ্ৰলয় সম্পৰ্কত এটা হোৱাটছএপ বাৰ্তাও নপঠিয়ায়। তেওঁ ফেচবুক, টুইটাৰ বা ইনষ্টাগ্ৰামত অসমৰ প্ৰলয় সম্পৰ্কে এটা শব্দও উল্লেখ নকৰে; কোনো প্ৰেছ বিবৃতি নিদিয়ে; ‘মন কী বাত’তো একো মন্তব্য প্ৰকাশ নকৰে। আশ্চৰ্যজনকভাৱে এই মহাপ্ৰলয়ৰ আটাইতকৈ দুখৰ দিনবোৰতো কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰলয়গ্ৰস্তৰ বাবে ১ কিলোগ্ৰাম চাউল, ১ কিলোগ্ৰাম দাইল বা এখন ত্ৰিপালো প্ৰেৰণ নকৰে। বিহাৰৰ মন্দিৰত পদপিষ্ট হোৱা লোকৰ বাবে এই সময়তে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা তৎক্ষণাত সাহায্য ঘোষণা কৰা হয়; গুজৰাটৰ হোটেলত মৃত্যুৰ ঘটনাটোতো তৎক্ষণাত সাহায্য দিয়া দেখা যায়। কিন্তু অসমৰ মহাপ্ৰলয়ত ১০৫জন নাগৰিকৰ মৃত্যুৰ পাছতো কেন্দ্ৰীয় চৰকাৰে এটা নতুন পইচাও ঘোষণা নকৰে। ই প্ৰমাণ কৰে যে কংগ্ৰেছৰ দিনত যেনেকৈ কেন্দ্ৰই অসমক মাহী আইৰ দৃষ্টিৰে চাইছিল, বিজেপিৰ দিনতো সেই দৃষ্টিভংগী সামান্যতমো সলনি হোৱা নাই। গতিকে অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ জন্মদিনত অসমৰ প্ৰতিটো ঘৰে-পদূলিয়ে এগছি বন্তি জ্বলাবলৈ কোৱা কথা আৰু সকলো আত্মসহায়ক গোটক বাধ্যতামূলকভাৱে বন্তি প্ৰজ্বলনৰ কাৰ্যসূচী দিয়াৰ তীব্ৰ বিৰোধিতা কৰি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ১৭ ছেপ্টেম্বৰ তাৰিখটো অসমৰ বাবে ‘বঞ্চনাৰ দিন’ তথা ‘ক’লা দিন’ হিচাপে পালন কৰিবলৈ ৰাইজৰ প্ৰতি উদাত্ত আহ্বান জনায়। ইফালে, ঠিক ৯ বজাৰ লগে লগে বহু অসম আৰক্ষীৰ বিষয়া-চিপাহী গৈ অখিল গগৈয়ে চলাই থকা অনশনস্থলীৰ পৰা তেওঁক পুনৰ আঁতৰাই পঠিয়াবলৈ চেষ্টা কৰে। অৱশেষত অসম আৰক্ষীয়ে তেওঁক অসম বিধানসভাৰ পুৰণি ভৱনৰ কাষতে থকা প্ৰৱেশদ্বাৰলৈ লৈ আহে আৰু তাৰ কাষতে থকা গণেশ মন্দিৰ প্ৰাংগণত অনশন কৰিবলৈ বাধ্য কৰে। পুৱা প্ৰায় ৯.১৫ বজাৰ পৰা বিয়লি ৮ বজালৈ অখিল গগৈয়ে গণেশগুৰিৰ এই স্থানতে অনশন অব্যাহত ৰাখে। শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে অকলশৰীয়াকৈ আজিৰ অনশন কাৰ্যসূচী ৰূপায়ণ কৰে যদিও গুৱাহাটীৰ শতাধিক নাগৰিকে তেওঁৰ অনশনত সহযোগিতা আগবঢ়ায়। ধিং সমষ্টিৰ ৰাইজৰ দলৰ বিধায়ক মেহবুব মোক্তাৰ, অসমৰ প্ৰাক্তন আৰক্ষী অধীক্ষক দিলীপ বৰা, গুৱাহাটী কমাৰ্চ কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা শিক্ষাবিদ ঘনশ্যাম নাথ, পশ্চিম গোৱালপাৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক আব্দুৰ ৰছিদ মণ্ডল, ৰাইজৰ দলৰ তিনি গৰাকী সাধাৰণ সম্পাদক ক্ৰমে বাছেল হুছেইন, চিন্ময় বৰা আৰু আজিজুৰ ৰহমান, লগতে ৰাইজৰ দলৰ জাতীয় যুৱ বাহিনীৰ দুগৰাকীকৈ সাধাৰণ সম্পাদক সৌৰভ বৰা আৰু ৰাকেশ চক্ৰৱৰ্তীয়ে অনশনত অংশগ্ৰহণ কৰে। অনশনস্থলীত অখিল গগৈয়ে কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে উজনিৰ তিনি জিলাৰ প্ৰলয়পীড়িতক দিয়া প্ৰতিটো প্ৰতিশ্ৰুতি ভংগ কৰিছে। তৎকালীনভাৱে ৰপ্ত হাজাৰ টকাৰ সাহায্য প্ৰদান কৰিম বুলি ঘোষণা দিয়াৰ পাছতো এইপৰ্যন্ত প্ৰায় ৩০-৪০ শতাংশ ক্ষতিগ্ৰস্ত পৰিয়ালে ১৫ হাজাৰ টকাৰ তৎকালীন বান-সাহায্য পোৱা নাই। ইয়াৰ উপৰি শিৱসাগৰ আৰু চৰাইদেউৰ বানবিধ্বস্ত পৰিয়ালৰ বাবে ঘোষণা কৰা ৰঙ্খ হাজাৰ টকা এতিয়ালৈকে এটিও পৰিয়ালক চৰকাৰে দিয়া নাই। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ক্ষতিপূৰণ দিবলৈ ক্ষয়-ক্ষতিৰ যি সমীক্ষা চলি আছে, সেই সমীক্ষাও ইচ্ছাকৃতভাৱে লেহেমীয়া কৰা দেখা গৈছে। চৰকাৰৰ হাতত ধনৰ অভাৱেই নিশ্চয় এই লেহেমীয়া হোৱাৰ মূল কাৰণ বুলি অখিল গগৈয়ে উল্লেখ কৰে। তেওঁ অভিযোগ কৰি কয় যে বৰ্তমান যিধৰণে চাৰ্ভে কৰা হৈছে, সেই অনুসৰি নগৰৰ এটা পৰিয়ালে ৰ লাখ চঙ্খ হাজাৰ টকা বা তাতকৈ সামান্য কিবা বেছি আৰু গাঁৱৰ সম্পূৰ্ণভাৱে বিধ্বস্ত পৰিয়ালে ৰ লাখ ৭০ হাজাৰ বা তাতকৈ সামান্য বেছি টকা পোৱাৰ সম্ভাৱনাহে দেখা গৈছে। পুৰণি ফ্লাড ৰিলিফ মেনুৱেল অনুসৰি ক্ষতিপূৰণ দিবলৈ আগবঢ়াৰ বাবেই সৰ্বস্বান্ত হোৱা উজনি অসমৰ তিনি জিলাৰ খিলঞ্জীয়া অসমীয়া পৰিয়ালবোৰে অসম চৰকাৰৰ পৰা সামান্য ললিপপহে লাভ কৰিব। এনে সামান্য পৰিমাণৰ ক্ষতিপূৰণ দিলে সেই বানবিধ্বস্ত পৰিয়ালবোৰ অতি কমেও ২৫-৩০ বছৰ পিছুৱাই যাব বুলি অখিল গগৈয়ে উল্লেখ কৰে। বিধায়ক গগৈয়ে প্ৰতিখন জিলাৰ বানবিধ্বস্ত ব্যৱসায়িক প্ৰতিষ্ঠানক ক্ষতিপূৰণ হিচাপে ১০ লাখ টকাকৈ দিবলৈ দাবী উত্থাপন কৰে। তেওঁ কয় যে নীতিমতে এই ক্ষতিপূৰণ কেন্দ্ৰীয় চৰকাৰৰ এনডিআৰএফ পুঁজিৰ পৰা দিব নোৱাৰি যদিও মুখ্যমন্ত্ৰী ৰিলিফ ফাণ্ড আৰু প্ৰধানমন্ত্ৰী ৰিলিফ ফাণ্ডৰ পৰা অনায়াসে বাণিজ্যিক প্ৰতিষ্ঠানসমূহক ক্ষতিপূৰণ দিব পাৰি। ২০২১-২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহে অসমত বৃহৎ বৃহৎ পুখুৰী খান্দি বানমুক্ত অসম গঢ়াৰ ঘোষণাৰ কথা উল্লেখ কৰি অখিল গগৈয়ে কটাক্ষ কৰি কয়-‘অমিত শ্বাহৰ পুখুৰীয়ে অসমক বানপানীৰ পৰা মুক্ত কৰিব নোৱাৰিলে। কিন্তু জলসম্পদ তথা বানমন্ত্ৰী সুশান্ত বৰগোঁহায়ে পাপৰ পুখুৰী খান্দি অসমক মহাপ্ৰলয়ত পেলাই দিলে। ’ ডিমৌ সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী সুশান্ত বৰগোঁহায়ে নগালেণ্ডত অবৈধভাৱে কয়লা খনন কৰাৰ ফলস্বৰূপে বানপানীয়ে মহাপ্ৰলয়ৰ ৰূপ লোৱা বুলি অখিল গগৈয়ে স্পষ্টভাৱে উল্লেখ কৰে। গগৈয়ে কয় যে বিধায়ক সুশান্ত বৰগোঁহাই, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই-এই তিনিওগৰাকী বিজেপি বিধায়কৰ ছত্ৰছায়াতেই নগালেণ্ডত কয়লা আৰু শিল খনন হৈছিল, অসমৰ দিখৌ নদীৰ পাৰৰ শিল খনন হৈছিল; দিখৌৰ পাৰৰ শিল সম্পূৰ্ণভাৱে শেষ কৰি তাৰ কাষৰ চাহ বাগানলৈকে শেষ কৰি পেলাইছিল। নগালেণ্ডৰ পৰা নামি অহা দিখৌ নদীত নাজিৰা সমষ্টিৰ বিশাল অংশত মথাউৰিৰ অভাৱৰ কাৰণে ১৯ জুলাইৰ বানপানীয়ে মহাপ্ৰলয়ৰ ৰূপ পায়। এই তিনি বিধায়কৰ অপকৰ্মৰ বাবেই উজনি অসমৰ তিনি জিলাৰ ২ লাখতকৈ অধিক পৰিয়াল ধ্বংস হৈ গৈছে বুলি অখিল গগৈয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি সুশান্ত বৰগোঁহাইক অসম মন্ত্ৰীসভাৰ পৰা বৰ্খাস্ত কৰিবলৈ আৰু তিনিওজনৰ ওপৰত চিবিআই তদন্ত ঘোষণা কৰিবলৈ দাবী উত্থাপন কৰে। সংবাদমাধ্যমত তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যদি কয়লাৰ অবৈধ টকাৰ ভাগ লোৱা নাই বুলি কয়, তেন্তে ১৯ জুলাইৰ মহাপ্ৰলয়ৰ ওপৰত তেওঁ চিবিআই তদন্ত ঘোষণা কৰক। যদি চিবিআই তদন্ত ঘোষণা নকৰে, তেন্তে এই অবৈধ কাৰ্যকলাপত মুখ্যমন্ত্ৰীৰো হাত থাকিব পাৰে বুলি তেওঁ সন্দেহ প্ৰকাশ কৰে। উল্লেখ্য যে সোণাৰি, নাজিৰা, মৰিয়নি, ডিমৌ আৰু শিৱসাগৰ বিধানসভা সমষ্টিত প্ৰলয়পীড়িত লোকৰ প্ৰকৃত ক্ষতিপূৰণ বিচাৰি বিশাল গণসমাৱেশ অনুষ্ঠিত কৰাৰ পাছত ৰপ্ত আগষ্ট স্বাধীনতা দিৱসৰ দিনাই অখিল গগৈয়ে শিৱসাগৰত অনশনত বহিছিল; আজি নৰেন্দ্ৰ মোদীৰ জন্মদিনটোতে তেওঁ পুনৰ গুৱাহাটীত অনশনত বহে। তেনে এক প্ৰেক্ষাপটত অখিল গগৈয়ে দৃঢ়তাৰে ঘোষণা কৰে যে এই আন্দোলনে প্ৰতীকী আন্দোলনৰ পৰা এটা ব্যাপক আন্দোলনৰ ৰূপ পাব। অহা ২৩ ছেপ্টেম্বৰত গুৱাহাটীত এক বিশাল প্ৰতিবাদী গণসমাৱেশ অনুষ্ঠিত কৰিব বুলি কৈ অখিল গগৈয়ে অসমৰ মুখ্যমন্ত্ৰীক সেইদিনা বানবিধ্বস্ত লোকৰ সন্মুখলৈ ওলাই আহিবলৈ আহ্বান জনায়। তেওঁ প্ৰশ্ন কৰে যে অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ছোৱালী-বোৱাৰী দেখিলেই বেৰিকেডৰ ওপৰেদি পাৰ হৈ দৌৰ মাৰে; সেইগৰাকী মুখ্যমন্ত্ৰীয়ে এতিয়া প্ৰলয়পীড়িত খিলঞ্জীয়া অসমীয়া লোকৰ দুখ-দুৰ্দশাৰ সময়ত ৰাইজৰ সন্মুখত আহিব পাৰিবনে? গতিকে ২৩ ছেপ্টেম্বৰৰ দিনা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিবাদী জনতাৰ সন্মুখলৈ আহি তেওঁলোকৰ দুৰ্দশাৰ বুজ লোৱা উচিত বুলি অখিল গগৈয়ে মত প্ৰকাশ কৰে। লগতে ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে অহা চৃ ছেপ্টেম্বৰৰ পূৰ্বে তিনি জিলাৰ সকলো প্ৰলয়পীড়িত পৰিয়ালক ২৫ হাজাৰ টকাৰ এককালীন সাহায্য দি সম্পূৰ্ণ কৰিবলৈ সকীয়াই দিয়ে। বিয়লি ৪ বজাত ৰাইজৰ দলৰ সাধাৰণ সম্পাদক আজিজুৰ ৰহমান আৰু চিন্ময় বৰাই অখিল গগৈক এগিলাচ নেমু চৰবত খুৱাই ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ অনশন ভংগ কৰোৱায়। অনশন ভংগ কৰাৰ আগে আগে এগৰাকী উচ্চস্তৰীয় বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবলৈ ২৫ হাজাৰ টকাৰ এককালীন সাহায্য ২৩ ছেপ্টেম্বৰৰ পূৰ্বে প্ৰদান কৰিবলৈ, প্ৰতিটো প্ৰলয়গ্ৰস্ত আৰু ব্যৱসায়িক প্ৰতিষ্ঠানক ১০ লাখ ১০ লাখ টকাৰ ক্ষতিপূৰণ দিবলৈ আৰু ১৯ জুলাইৰ মহাপ্ৰলয়ৰ ওপৰত চিবিআই তদন্ত দিয়াবলৈ-এই তিনিটা দফাৰ স্মাৰক পত্ৰ প্ৰেৰণ কৰে অখিল গগৈয়ে।

শৰাইঘাটৰ পুৰণি দলং মুকলিৰ ২৪ ঘণ্টা

কৰাৰ ২৪ ঘণ্টা পাৰ নহওঁতেই মেৰামতিত থকা বিসংগতি স্পষ্ট হৈ পৰে। দলঙৰ মাজ ভাগত বাহনৰ চকা উঠাৰ লগে লগে ধালাই এৰি যোৱা দেখা যায়। এই ঘটনাৰ ফলত দলঙৰ দুয়োপাৰে যানজঁটৰ সৃষ্টি হয়। জানিব পৰা মতে, মেৰামতিৰ পিছত দলংখনত প্ৰৱেশ কৰা বাহনসমূহৰ চকা দলঙৰ মাজ অংশত পৰাৰ লগে লগে ধালাই খহি পৰে। ইয়াৰ পৰাই দলঙৰ মেৰামতিৰ গুণাগুণ সম্পৰ্কে প্ৰশ্ন উত্থাপিত হৈছে। ঘটনাৰ পাছত দলঙৰ দুয়োফালে দীঘলীয়া যানজঁটৰ সৃষ্টি হয়। যানজঁটৰ বাবে সাধাৰণ যাত্ৰী আৰু পথচাৰীসকলে ভোগান্তিৰ সন্মুখীন হয়। এই ঘটনাক লৈ সমগ্ৰ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰায় ৮ কোটি টকা ব্যয় কৰি মেৰামতি কৰাৰ পাছতো মাত্ৰ চঙ্খ ঘণ্টাৰ ভিতৰতে দলঙত এনে বিসংগতি ওলোৱাটোৱে ৰাইজৰ মাজত ক্ষোভ আৰু উদ্বেগ বঢ়াই তুলিছে। সংশ্লিষ্ট বিভাগে ঘটনাটোৰ শীঘ্ৰে তদন্ত কৰি দলঙৰ মেৰামতিৰ মানসন্মততা সুনিশ্চিত কৰিবলৈ দাবী উত্থাপন হৈছে।

জুবিনক্ষেত্ৰত বলীউডৰ সংগীত শিল্পী

পেলাই আৱেগিক হৈ পৰে। জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে ছেলিম মাৰ্চেণ্টক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰণি জনায়। ছেলিম মাৰ্চেণ্টে জুবিনৰ ষ্টুডিঅ’ত কিছু সময় অতিবাহিত কৰি এই ভ্ৰমণক এক গভীৰ আৱেগিক তথা বিশেষ সংগীতময় মুহূৰ্ত বুলি বৰ্ণনা কৰে। শেহতীয়াকৈ তেওঁ ‘ভূমি ২০২৬’ত জুবিন গাৰ্গৰ সংগীতৰ উত্তৰাধিকাৰৰ সৈতে জড়িত ‘ধুমুহাৰ গান’ পৰিৱেশন কৰি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল। এই ভ্ৰমণৰ পাছত ছেলিম মাৰ্চেণ্টে ছ’চিয়েল মিডিয়াৰ জৰিয়তে নিজৰ আৱেগ প্ৰকাশ কৰাৰ লগতে জুবিনৰ পৰিয়াল আৰু তেওঁক আতিথ্য প্ৰদান কৰাসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ জুবিন আৰু অসমৰ প্ৰতি থকা মৰম প্ৰকাশ কৰি কয়, “মই বহুত আৱেগিক আৰু অভিভূত হৈ পৰিছোঁ। মই জুবিনক ভাল পাওঁ, মই অসমক ভাল পাওঁ আৰু মই সদায় অসমীয়া সংগীতক সমৰ্থন কৰি যাম।” তেওঁৰ এই ভ্ৰমণে অসমীয়া সংগীতলৈ জুবিন গাৰ্গৰ অম্লান অৱদান আৰু সমগ্ৰ ভাৰতৰ শিল্পীসকলৰ সৈতে থকা তেওঁৰ সুদৃঢ় সম্পৰ্কৰ প্ৰতি আন এক শ্ৰদ্ধাঞ্জলি হিচাপে প্ৰতিফলিত হৈছে। জুবিন গাৰ্গৰ বাসগৃহ আৰু ষ্টুডিঅ’ত কিছু সময় অতিবাহিত কৰাৰ পাছত ছেলিম মাৰ্চেণ্টে জুবিনক্ষেত্ৰত উপস্থিত হয়। জুবিনক্ষেত্ৰত উপস্থিত হৈ তেওঁ নাম-প্ৰসংগতো অংশ লয়। সেই সময়ত তেওঁ কয়, “মানৱতাৰ নিদৰ্শন বিলাই জুবিন গুচি গ’ল, কিন্তু তেওঁ এতিয়াও আমাৰ মাজত আছে। তেওঁ ইমান মৰম আৰু মানৱীয়তা বিলাই থৈ গৈছে যে জুবিন সদায় অমৰ হৈ থাকিব। জুবিনক্ষেত্ৰলৈ অহা প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰেম, মানৱতা আৰু সংগীতৰ বাৰ্তা লাভ কৰিব।”

বানত ১০৫ জনৰ প্ৰাণহানিৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসমলৈ আহৰি নোপোৱাৰ প্ৰতিবাদত আজি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, অসমে ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মোডীৰ জন্মদিন উপলক্ষে ঘৰে ঘৰে চাকি-বন্তি জ্বলাই শুভেচ্ছা জনাবলৈ আহ্বান জনোৱাৰ বিপৰীতে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে “চাকি নহয়, প্ৰতিবাদেৰে ধিক্কাৰ” শীৰ্ষক কাৰ্যসূচীৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ক’লা পতাকা লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতীকী প্ৰতিমূৰ্তি দাহ কৰি অসমৰ প্ৰতি তেওঁৰ অৱহেলা আৰু উদাসীনতাৰ বিৰুদ্ধে ধিক্কাৰ জ্ঞাপন কৰে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতিদ্বয় পাপু দত্ত আৰু পিণ্টু গগৈ, কাৰ্যকৰী সভাপতি অনিন্দিতা দাস, জাকিৰ হুছেইন, মাধুৰ্য্য বৰুৱা, মণ্টু কাৰ্দং, সাধাৰণ সম্পাদক দ্বয় নৱদ্বীপ বৰগোহাঁই আৰু আলামিন হকে কয় যে নিৰ্বাচনৰ সময়ত অসমলৈ সঘনাই আহি ভোট বিচাৰিবলৈ সময় পোৱা প্ৰধানমন্ত্ৰীগৰাকীৰ বানত বিধ্বস্ত অসমৰ মানুহৰ কাষত এবাৰ থিয় হ’বলৈ সময় নথকাটো অসমৰ প্ৰতি নৰেন্দ্ৰ মোডীৰ চূড়ান্ত অৱহেলা আৰু বৈষম্যমূলক মনোভাৱৰ স্পষ্ট প্ৰকাশ। গোলাঘাট জিলাৰ মৰঙিৰ কাৰ্যসূচীত উপস্থিত থকা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, অসমৰ সভাপতি পিণ্টু গগৈয়ে প্ৰশ্ন কৰে-অসমৰ মানুহে যেতিয়া বানত সৰ্বস্ব হেৰুৱাইছিল, যেতিয়া বহু পৰিয়ালে আপোনজনক হেৰুৱাইছিল, তেতিয়া প্ৰধানমন্ত্ৰীৰ সমবেদনা আৰু সহায় ক’ত আছিল? অসমৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিশেষ সাহায্য পেকেজ কিয় আজিও ঘোষণা কৰা নহ’ল? তেওঁ লগতে কয় যে বানত অসমৰ মানুহে প্ৰাণ হেৰুৱালে, হাজাৰ হাজাৰ পৰিয়াল সৰ্বস্বান্ত হ’ল। সেই সময়ত অসমলৈ আহিবলৈ সময় নোপোৱা প্ৰধানমন্ত্ৰীৰ জন্মদিনত চাকি ;লোৱাৰ আহ্বান অসমৰ ৰাইজে কেতিয়াও গ্ৰহণ নকৰে। সংগঠনটোৱে মন্তব্য কৰে যে অসমৰ ৰাইজে ১৯ ছেপ্তেম্বৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিতহে চাকি-বন্তি জ্বলাই অসম উজলাই তুলিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মোডীৰ জন্মদিন উপলক্ষে এনে আহ্বানৰ প্ৰতি সংগঠনটোৰ নেতৃত্বই ধিক্কাৰ জনায়। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে বিবৃতিৰ জৰিয়তে কয় যে নৰেন্দ্ৰ মোডীৰ জন্মদিন অসমৰ বাবে জন্মদিন নহয়, এয়া প্ৰবঞ্চনা আৰু অৱহেলাৰ বিৰুদ্ধে প্ৰতিবাদৰ দিন। ৰেচন কাৰ্ড থকা আৰু অৰুণোদয় হিতাধিকাৰীসকলক নৰেন্দ্ৰ মোডীৰ জন্মদিন উপলক্ষে চাকি জ্বলাবলৈ বাধ্য কৰোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ বানপানীত ১০৫জন অসমীয়াৰ প্ৰাণহানি হোৱাৰ পাছতো প্ৰধানমন্ত্ৰীক কিয় অসমলৈ আহিবলৈ বাধ্য কৰাব নোৱাৰিলে বুলি সংগঠনটোৱে প্ৰশ্ন তোলে। একেদৰে পিণ্টু গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক কটাক্ষ কৰি কয় যে অসমৰ পৰা কেৱল সম্পদ আহৰণ আৰু লুণ্ঠনৰ বাবেহে নৰেন্দ্ৰ মোডীয়ে অসমক ভাৰতৰ অংশ হিচাপে ৰাখিব বিচাৰিছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে ৰাজ্যখনৰ শিৱসাগৰ জিলাৰ আমগুৰিত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উপ-সভাপতি ৰবীন হাজৰিকা, শিৱসাগৰ জিলা সভাপতি পল্লৱ শইকীয়া, অভিজিৎ চেতিয়া আৰু সম্পাদক ভাস্কৰ বৈৰাগী আদিয়ে। ধেমাজি জিলা সদৰত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নৱদ্বীপ বৰগোহাঁই, উপ-সভাপতি যুগলজ্যোতি গগৈ, ধেমাজি জিলা সভাপতি উদ্দীপ্ত গোহাঁই, অভিজিৎ খনিকৰ আৰু সাধাৰণ সম্পাদক লক্ষ্য চেতিয়া আদিয়ে। আনহাতে, ধুবুৰী জিলাৰ বিলাসীপাৰা সদৰত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় মহিজুল ইছলাম মণ্ডল আৰু আশ্ৰাফুল ইছলামে। মৰিগাঁও জিলাৰ লাহৰীঘাটত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উপ-সভাপতি ফেৰদৌছ জিন্না আৰু মৰিগাঁও জিলা সমিতিৰ কাৰ্যনিৰ্বাহক বায়েজ আহমেদে। ইফালে, বৰপেটা জিলাৰ জনীয়াত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক আলামিন হক, জিলা উপ-সভাপতি তাৰিফুল ইছলাম আৰু সাংস্কৃতিক সম্পাদক বাবুল আলিৰ নেতৃত্বত সংগঠনৰ কৰ্মীসকলে। ইয়াৰ উপৰি যোৰহাট, গোলাঘাটৰ মৰঙি, তিনিচুকীয়া, গোৱালপাৰাকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাৰ বহু প্ৰান্তত স্থানীয় নেতৃত্বৰ উদ্যোগত ক’লা পতাকা প্ৰদৰ্শন আৰু প্ৰতীকী প্ৰতিমূৰ্তি দাহেৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে কয় যে আজিৰ এই ৰাজ্যজুৰা প্ৰতিবাদে এটা কথা স্পষ্ট কৰি দিলে যে নিৰ্বাচনৰ সময়ত সঘনাই অসমত দেখা নৰেন্দ্ৰ মোডীক অসমৰ ভয়ংকৰ বানপানীৰ দুমাহ উকলি যোৱাৰ পাছতো মানুহৰ বিপদৰ সময়ত থিয় নিদিয়া প্ৰধানমন্ত্ৰীৰ জন্মদিনত চাকি-বন্তি নহয়, আজিৰ ধিক্কাৰ আৰু ঘৃণাৰে ওপচাই পেলোৱা উচিত। সংগঠনটোৱে বানাক্ৰান্ত অসমৰ বাবে পৰ্যাপ্ত বিশেষ কেন্দ্ৰীয় সাহায্য পেকেজ, ক্ষতিগ্ৰস্ত পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ, পুনৰ সংস্থাপন আৰু বান-খহনীয়াৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্থায়ী সমাধানৰ বাবে কেন্দ্ৰীয় হস্তক্ষেপৰ দাবী পুনৰ উত্থাপন কৰে। লগতে উল্লেখ কৰে যে ১৭ ছেপ্তেম্বৰত অসমে চাকি জ্বলাই নৰেন্দ্ৰ মোডীক অভিনন্দন জনোৱা নাই; ক’লা পতাকা আৰু প্ৰতিবাদেৰে কেন্দ্ৰীয় নৰেন্দ্ৰ মোডীৰ অৱহেলাৰ বিৰুদ্ধে নিজৰ ক্ষোভ প্ৰকাশ কৰিছে।

কুকি-জো পৰিষদৰ ১০ দফীয়া দাবী

ভিতৰত চৰকাৰে গ্ৰহণযোগ্য ব্যৱস্থা নল’লে সংগঠনটোৱে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী হাতত ল’ব বুলি সতৰ্কবাণী দিছে। পৰিষদৰ দাবী অনুসৰি, টেংগনৌপাল জিলাত অনতিপলমে মণিপুৰ অসামৰিক সেৱা আৰু আৰক্ষী সেৱাৰ বিষয়াৰ লগতে পৰ্যাপ্ত সংখ্যক চিকিৎসা বিষয়া নিয়োগ কৰিব লাগে। কাংপকপি, ননেই-তামেংলং আৰু কামজঙৰ কুকি-জো অঞ্চলত খাদ্য সামগ্ৰী, ঔষধ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ তীব্ৰ অভাৱৰ অভিযোগ উত্থাপন কৰি পৰিষদে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। যোগানত ব্যাঘাত ঘটাৰ কাৰণ হিচাপে সংযুক্ত নগা পৰিষদে জাৰি কৰা অৰ্থনৈতিক অৱৰোধৰ কথা উল্লেখ কৰি পৰিষদে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। বিগত ছমাহ ধৰি গাঁওসমূহৰ মাজৰ যাতায়াতত বলবৎ নিষেধাজ্ঞাৰ ফলত সাধাৰণ লোকসকলৰ জীৱিকা আৰু অত্যাৱশ্যকীয় সেৱাৰ সুবিধাত নেতিবাচক প্ৰভাৱ পৰিছে বুলি পৰিষদে মন্তব্য কৰিছে। পৰিস্থিতিৰ উন্নতিৰ বাবে চৰকাৰী হস্তক্ষেপৰ প্ৰয়োজন বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে। ইয়াৰ লগতে চান্দেল জিলাৰ কানাত মহকুমা কাৰ্যালয় আৰু জনজাতীয় উন্নয়ন খণ্ড স্থাপনৰ দাবী জনাইছে পৰিষদে। এই পদক্ষেপে অঞ্চলটোৰ প্ৰশাসনিক কাম-কাজ আৰু উন্নয়নত গতি আনিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰিছে। আন এটা দাবীত কাংপকপি জিলা চিকিৎসালয়ত শীতল মজুতকৰণৰ সুবিধা, বিশেষকৈ প্ৰয়োজনৰ সময়ত মৃতদেহ সুৰক্ষিতভাৱে সংৰক্ষণৰ ব্যৱস্থা কাৰ্যক্ষম কৰি তোলাৰ কথা উল্লেখ কৰা হৈছে। কুকি-জো অঞ্চলত ৰাষ্ট্ৰীয় নিৰাপত্তা সংস্থাৰ নিৰ্বাচিত অভিযান সম্পৰ্কেও পৰিষদে প্ৰশ্ন উত্থাপন কৰিছে। পৰিষদৰ মতে, অনুচিত পৰিস্থিতিত সাধাৰণ নাগৰিকসকলক সোধা-পোছাৰ বাবে মাতি অনা হৈছে। তদন্তকাৰী সংস্থাসমূহে নিৰপেক্ষ পন্থা অৱলম্বন কৰিব লাগে আৰু গ্ৰহণ কৰা যিকোনো ব্যৱস্থা বৈষম্যমূলক নহয় বুলি নিশ্চিত কৰিব লাগে বুলি পৰিষদে আহ্বান জনাইছে। নিৰাপত্তা আৰু তদন্তকাৰী সংস্থাসমূহৰ কাম-কাজ সম্পৰ্কীয় তেওঁলোকৰ অভিযোগসমূহ এই দাবীৰ সৈতে সংগত। উগ্ৰপন্থীৰ আক্ৰমণত নিহত কুকি-জো লোকসকলক সমাধিস্থ কৰাৰ ক্ষেত্ৰত পৰিষদে পুনৰ নিজৰ স্থিতি স্পষ্ট কৰিছে। এনএছচিএন-আইএম, জিইউএফ-কে আৰু নগা ভিলেজ গাৰ্ডছৰ সদস্যসকলৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ উদ্ধৃতি দি পৰিষদে কৈছে যে ন্যায় নোপোৱালৈকে মৃতদেহসমূহ সমাধিস্থ কৰা নহ’ব। মণিপুৰত পুনৰ ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিবলৈও কুকি-জো পৰিষদে দাবী জনাইছে। তেওঁলোকৰ মতে, বৰ্তমান ৰাজ্য চৰকাৰে প্ৰয়োজনীয় নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে কুকি-জো লোকসকলৰ মাজত বিশ্বাস স্থাপন কৰাত ব্যৰ্থ হৈছে। পৰিষদৰ দাবী অনুসৰি, মুখ্যমন্ত্ৰী যুমনাম খেমচান্দ সিং নেতৃত্বাধীন ৰাজ্য চৰকাৰে ক্ষমতা গ্ৰহণ কৰাৰ পিছৰে পৰা নগা সশস্ত্ৰ সংগঠনে চলোৱা আক্ৰমণত চঙ্খ জনতকৈ অধিক কুকি-জো লোকে প্ৰাণ হেৰুৱাইছে। ভাৰত চৰকাৰক কুকি-জো সমস্যাৰ ৰাজনৈতিক সমাধানৰ দিশত পদক্ষেপ ল’বলৈ আৰু সম্প্ৰদায়টোৰ ৰাজনৈতিক দাবীৰ মৰ্যাদা তথা অগ্ৰগতি সম্পৰ্কে স্পষ্ট তথ্য প্ৰদান কৰিবলৈ কুকি-জো পৰিষদে অনুৰোধ জনাইছে। ইয়াৰোপৰি হিংসা আৰু অত্যাচাৰৰ বাবে দায়ী বুলি অভিযোগ উঠা লোকসকলৰ বিৰুদ্ধে জবাবদিহিতা নিশ্চিত কৰাৰ দাবীও তেওঁলোকে জনাইছে। পৰিষদে এনএছচিএন-আইএম আৰু জিইউএফ-কে কেডাৰসকলক এই কাৰ্যসমূহ সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে।

চৰত নাৱৰ পৰাই জুবিনৰ গীত গাই

চৰলৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নৌকা যাত্ৰা কৰি উপস্থিত হয়। যাত্ৰাকালত তেওঁ নাৱৰ ওপৰতে হাতত গীটাৰ লৈ জুবিন গাৰ্গৰ কালজয়ী গীত গায়। সংখ্যালঘু ৰাইজৰ সৈতে একেলগে গীত জুৰি তেওঁ প্ৰচাৰৰ পৰিৱেশ আৰু অধিক আন্তৰিক কৰি তোলে। আৰিমাৰি চৰত উপস্থিত হৈ দেৱাশিস শৰ্মাই স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু আগন্তুক উপ-নিৰ্বাচনত বিজেপিৰ হৈ ভোট বিচাৰে। তেওঁ চৰৰ সৰু সৰু শিশুসকলৰ সৈতে কিছু সময় কটাই আনন্দৰ মুহূৰ্ত উপভোগ কৰে। ইফালে, প্ৰচাৰৰ সময়ত একাংশ সমৰ্থকে ‘দেৱাশিস শৰ্মা জিন্দাবাদ’ আৰু ‘বিজেপি জিন্দাবাদ’ ধ্বনি দিয়া দেখা যায়। স্থানীয় একাংশ লোকে আগন্তুক নিৰ্বাচনত দেৱাশিস শৰ্মাক সমৰ্থন কৰাৰ কথা প্ৰকাশ কৰে। অঞ্চলটোত তেওঁ পদব্ৰজে গৈয়ো ভোট ভিক্ষা কৰা পৰিলক্ষিত হয়। ইপিনে, নগাঁও লোকসভা সমষ্টিত বিজেপি আৰু কংগ্ৰেছৰ প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা ক্ৰমাৎ তীব্ৰ হৈ উঠিছে। ধৰ্মীয় সংখ্যালঘু ভোটাৰক আকৰ্ষণ কৰিবলৈ বিজেপি প্ৰাৰ্থীগৰাকীয়ে চলাই থকা প্ৰচেষ্টাৰ লগে লগে সমষ্টিত নিৰ্বাচনী পৰিৱেশ অধিক উত্তপ্ত হৈ পৰিছে।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম

প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৭ ছেপ্তেম্বৰ এটা বিশেষ দিন। এই দিনটোতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম হৈছিল। প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ পৰা অহা এমাহজুৰি ‘সেৱা আৰু সংকল্প অভিযান’ চলিব আৰু ইয়াৰ প্ৰথমটো কাৰ্যসূচী হিচাপে CMAAAৰ সাহায্য বিতৰণ কৰা হৈছে। আঁচনিখনৰ অধীনত প্ৰথম কিস্তিত ৭৫ হাজাৰ টকা আৰু বাধ্যতামূলক প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পিছত চপ্ত হাজাৰ টকা প্ৰদান কৰাৰ ব্যৱস্থা আছে। আঁচনিখনৰ মূল লক্ষ্য হৈছে শিক্ষিত যুৱক-যুৱতীক স্ব-নিয়োজনৰ সুযোগ প্ৰদান কৰা আৰু ৰাজ্যত উদ্যোগমুখী পৰিৱেশ গঢ়ি তোলা। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰথম পৰ্যায়ত প্ৰথম কিস্তি লাভ কৰা ৰচ হাজাৰ যুৱক-যুৱতীয়ে পৰৱৰ্তী সুবিধা লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, বাকী থকা হিতাধিকাৰীসকলৰ ভিতৰত ৯ হাজাৰ ৫৭৮ গৰাকীয়ে এতিয়া চ লাখ টকাৰ সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে প্ৰায়৮৪ হাজাৰ হিতাধিকাৰীয়ে সম্পূৰ্ণ সুবিধা লাভ কৰিব পৰা নাই। অসমৰ পৰা বাহিৰলৈ সামগ্ৰী প্ৰেৰণৰ পৰিমাণ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে ৰাজ্যলৈ বিভিন্ন সামগ্ৰী আহি আছে যদিও অসমৰ পৰা বাহিৰলৈ যোৱা সামগ্ৰীৰ পৰিমাণ বৃদ্ধি কৰাৰ যথেষ্ট সুযোগ আছে। ২০৪৭ চনৰ ভিতৰত আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে যুৱ শক্তিক উদ্যোগ আৰু উৎপাদনৰ সৈতে সংযোগ কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে।

আঁচনিৰ সুবিধা লাভৰ বাবে

হ’ব। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীত অনুসূচিত জনজাতিৰ বাবে ঘোষিত মেট্ৰিকোত্তৰ জলপানী বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি এই কথা ঘোষণা কৰে। তেওঁ কয় যে নিৰ্ধাৰিত উপস্থিতিৰ হাৰ স্পৰ্শ কৰিবলৈ ব্যৰ্থ হোৱা শিক্ষাৰ্থীসকলৰ নাম সংশ্লিষ্ট আঁচনিৰ পৰা কৰ্তন কৰা হ’ব। এই নিয়ম মাচুল ৰেহাই, নিজুত মইনা আৰু নিজুত বাবু আঁচনিৰ ক্ষেত্ৰতো সমানভাৱে প্ৰযোজ্য হ’ব বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ লগতে কয় যে প্ৰাকৃতিক দুৰ্যোগ, স্বাস্থ্যজনিত পৰিস্থিতি বা পৰিয়ালৰ কাৰোবাৰ বিয়োগৰ দৰে বিশেষ পৰিস্থিতিত অধ্যক্ষসকলক উপস্থিতিৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বেকলগ থকা শিক্ষাৰ্থীসকলো ৫০ শতাংশ মাচুল ৰেহাইৰ বাবে যোগ্য হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে।

ৰাজনৈতিক মতানৈক্যৰ ঊৰ্ধত উঠি

সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছে। পুৱাই লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে এক্সৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক জন্মদিনৰ শুভেচ্ছা জনাইছে। তেওঁ লিখিছে, “প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীলৈ জন্মদিনৰ শুভেচ্ছা জনালোঁ। তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।” কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়েও এক্সত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক জন্মদিনৰ শুভেচ্ছা জনাইছে। তেওঁ লিখিছে, “প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীলৈ জন্মদিনৰ শুভেচ্ছা। তেওঁৰ সুস্বাস্থ্যঞ্জয আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।” নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেও সামাজিক মাধ্যমৰ জৰিয়তে প্ৰধানমন্ত্ৰীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লিখিছে, “প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীজীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ। তেওঁ সুস্বাস্থ্য আৰু দীৰ্ঘায়ুৰে ধন্য হওক।” চণ্ডীগড়ৰ কংগ্ৰেছ সাংসদ মনীষ তিৱাৰীয়েও সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। আনহাতে, উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱে এক্সত লিখিছে, “প্ৰধানমন্ত্ৰীজীলৈ জন্মদিনৰ বধাই আৰু স্বাস্থ্যকৰ, সক্ৰিয় তথা অৰ্থপূৰ্ণ জীৱনৰ শুভকামনা।” উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বহুজন সমাজ পাৰ্টীৰ মুৰব্বী মায়াৱতীয়েও সামাজিক মাধ্যমত লিখিছে, “মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীজীলৈ আজি তেওঁৰ ৭৬সংখ্যক জন্মদিনত হাৰ্দিক বধাই আৰু স্বাস্থ্যৱান জীৱনৰ শুভকামনা।” এনচিপি (ÛåÃ¿Âó)ৰ মুৰব্বী শাৰদ পাৱাৰেও প্ৰধানমন্ত্ৰী মোদীক শুভেচ্ছা জনাই লিখিছে, “ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীলৈ জন্মদিনৰ আন্তৰিক শুভেচ্ছা। তেওঁৰ সুস্বাস্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।” ডিএমকেৰ মুৰব্বী তথা তামিলনাড়ুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এম কে ষ্টেলিনেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লিখিছে, “মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীলৈ উষ্ণ জন্মদিনৰ শুভেচ্ছা। তেওঁৰ সুস্বাস্থ্য, সুখ আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ।” মুঠতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬সংখ্যক জন্মদিনত শাসকীয় দলৰ লগতে দেশৰ বিভিন্ন বিৰোধী দলৰ নেতাসকলেও শুভেচ্ছাবাৰ্তা প্ৰেৰণ কৰিছে। ৰাজনৈতিক মতবিৰোধৰ মাজতো এনে শুভেচ্ছা বিনিময়ে দেশৰ ৰাজনৈতিক পৰিৱেশত এক ভিন্ন পৰিসৰৰ বাৰ্তা বহন কৰিছে।

নগাঁও উপ-নিৰ্বাচনত এক লাখ ভোটৰ

ৰাইজক সম্বোধন কৰি বদৰুদ্দিন আজমলে কয় যে কচুৱাৰ ৰাইজৰ সমৰ্থন, মৰম আৰু স্নেহ যি প্ৰাৰ্থীয়ে লাভ কৰিব, তেৱেঁই বিজয়ী হ’ব। তেওঁ লগতে উল্লেখ কৰে যে এই উপ-নিৰ্বাচনত প্ৰকৃত প্ৰতিদ্বন্দ্বিতা কংগ্ৰেছ, বিজেপি আৰু AIUDF-ৰ মাজতেই সীমাবদ্ধ থাকিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ সৈতে তেওঁৰ সম্পৰ্ক সম্পৰ্কে সাংবাদিকসকলে সোধা প্ৰশ্নৰ উত্তৰত আজমলে কয় যে মুখ্যমন্ত্ৰীৰ সৈতে সকলোৰে এক ধৰণৰ সম্পৰ্ক থাকে। ১৬ ছেপ্টেম্বৰত মনোনয়ন পত্ৰ দাখিল কৰাৰ পাছত AIUDF প্ৰধানগৰাকী নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে কচুৱাত উপস্থিত হৈছিল। ইফালে, বৃহস্পতিবাৰে মনোনয়ন পত্ৰ দাখিল কৰাৰ পাছত বদৰুদ্দিন আজমলে কংগ্ৰেছক তীব্ৰ ভাষাত সমালোচনা কৰে। তেওঁ দাবী কৰে যে তেওঁ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্তই কংগ্ৰেছৰ নিৰ্বাচনী ৰণনীতি সম্পূৰ্ণৰূপে বিফল কৰি দিছে। আজমলে কয় যে তেওঁ প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবেই কংগ্ৰেছ এতিয়া ‘উত্তপ্ত’ হৈ পৰিছে। AIUDF-ৰ পৰা তেওঁক টিকট দিয়াৰ পাছত কংগ্ৰেছৰ পৰিকল্পনা বিধ্বস্ত হোৱা বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। মনোনয়ন পত্ৰ দাখিলৰ পাছত বদৰুদ্দিন আজমলে কয়, “বদৰুদ্দিন আজমলে টিকট দিয়াৰ বাবে ৰকিবুলৰ সমগ্ৰ পৰিকল্পনা বিফল হৈছে। কংগ্ৰেছ এতিয়া হতাশ হৈ পৰিছে।” এইদৰে উপ-নিৰ্বাচনৰ প্ৰচাৰৰ মাজতে AIUDF মুৰব্বীৰ এই মন্তব্যে ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে।

মোদীৰ জন্মদিনত চাকি জ্বলোৱাৰ

তেখেতৰ সুস্বাস্থ্য কামনা কৰিলোঁ। কিন্তু ইয়াৰ লগে লগেই মোদীৰ জন্মদিনত চাকি জ্বলাবলৈ জনোৱা আহ্বানক লৈ গৌৰৱ গগৈয়ে তীব্ৰ সমালোচনা কৰে। এক্সত কৰা আন এটা পোষ্টত তেওঁ লিখে, “আমি জ্ঞাত যে প্ৰতিখন ৰাজ্যতে বিজেপিৰ মুখ্যমন্ত্ৰী, মন্ত্ৰী, সাংসদ, বিধায়ক আৰু দলৰ অন্যান্য নেতা-কৰ্মীসকলে ৰাইজক প্ৰধানমন্ত্ৰীৰ জন্মদিনত প্ৰধানমন্ত্ৰীক চাকি জ্বলাই শুভেচ্ছা জনাবলৈ আহ্বান জনাইছে। কিন্তু এয়া কেৱল আহ্বান নে আদেশ, সেয়া বুজিবলৈ টান হৈ পৰিছে।” গগৈয়ে লগতে অভিযোগ কৰে যে লাভ কৰা তথ্য অনুসৰি সমগ্ৰ অসমৰ গাঁৱে-ভূএঃ শাসকীয় দলৰ একাংশ নেতা আৰু স্থানীয় কাৰ্যকৰ্তাই এক আবেদনৰ নামত দৰিদ্ৰ আৰু দুৰ্বল মহিলাসকলক কাৰ্যতঃ ভাবুকি দিছে যে যদি তেওঁলোকে চাকি জ্বলোৱা নাই, তেন্তে চৰকাৰী আঁচনি আৰু সুবিধাৰ পৰা বঞ্চিত হ’ব। এনে আচৰণে সাধাৰণ নাগৰিকৰ প্ৰতি বিজেপিৰ সন্মানৰ পৰিসৰহে প্ৰমাণ কৰে বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ প্ৰেক্ষাপটত গগৈয়ে অসমবাসী ৰাইজলৈ আহ্বান জনাই কয়, “যদি আপোনালোকে এগছি চাকি জ্বলাব বিচাৰে, তেন্তে ১৯ ছেপ্টেম্বৰ তাৰিখে, আমাৰ মৰমৰ জুবিন দাৰ প্ৰথম মৃত্যু বাৰ্ষিকীত এগছি চাকি জ্বলাই দিব।” তেওঁৰ এই মন্তব্যৰ জৰিয়তে ৰাজনৈতিক মহলত নতুন তৰ্কৰ সৃষ্টি হৈছে। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে বিজেপিয়ে ৰজ্জছেপ্টেম্বৰৰ পৰা দেশজুৰি এমাহজোৰা সেৱা সংকল্প অভিযান আৰম্ভ কৰিছে। বিজেপিৰ তৰফৰ পৰা ইচ্ছুকসকলক ১৭ ছেপ্টেম্বৰৰ সন্ধিয়া প্ৰধানমন্ত্ৰীৰ নামত এগছি বন্তি জ্বলাবলৈ আহ্বান জনোৱা হৈছিল। এই আহ্বানক বহুতে সমালোচনা কৰিলেও বিজেপিয়ে এক উৎসৱৰ দৰেই মোদীৰ জন্মদিনটো উদযাপন কৰা দেখা গৈছে।

প্ৰতি লিটাৰ গাখীৰত অতিৰিক্ত ৫

সৃষ্টিৰ উদ্দেশ্যে চৰকাৰে দুগ্ধ সমিতি গঠন কৰাৰ পৰিকল্পনা কৰিছে। এই পদক্ষেপৰ অধীনত গো পালকসকলে প্ৰতি লিটাৰ গাখীৰত অতিৰিক্ত ৫ টকা লাভ কৰিব, যাৰ ফলত তেওঁলোকে উৎপাদন বৃদ্ধিৰ বাবে অতিৰিক্ত আৰ্থিক প্ৰৰোচনা লাভ কৰিব। সমগ্ৰ অসমৰ গৰু পালকসকলৰ আয়ৰ উন্নতি সাধন কৰাৰ সমান্তৰালকৈ দুগ্ধ খণ্ডক শক্তিশালী কৰাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰস্তাৱিত সমিতিসমূহে গাখীৰ উৎপাদকসকলৰ বাবে অধিক সংগঠিত মঞ্চ প্ৰদান কৰাৰ লগতে ৰাজ্যখনৰ গাখীৰ উৎপাদন পৰিৱেশ তন্ত্ৰ সম্প্ৰসাৰণৰ দিশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। দুগ্ধ খেতিয়কসকলক সহায় কৰাৰ লগতে অসমত এই খণ্ডৰ বৃদ্ধিৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি যাব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰীৰ ৭৬ সংখ্যক জন্মদিনত

জ্বলোৱা ফটো তেওঁলোকৰ ওচৰলৈ আহি আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে যে এয়াই প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ প্ৰতি থকা অসমবাসী ৰাইজৰ মৰম আৰু শ্ৰদ্ধাক প্ৰতিনিধিত্ব কৰিছে। উল্লেখ্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী পালন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে কুমাৰ ভাস্কৰ বৰ্মা সেতুত মুখ্যমন্ত্ৰীয়ে বন্তী প্ৰজ্বলন কৰে। ইপিনে, ১৯ ছেপ্তেম্বৰত প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ নামত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰক্তদান কৰিব। লগতে ৰাজ্যজুৰি বিজেপিৰ কৰ্মীসকলেও ৰক্তদান কৰিব বুলি জানিব পৰা গৈছে।

পুনৰ চিত্ৰগৃহত মুক্তি লাভ কৰিব

লগেই জুবিন অনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি হৈছে আৰু ইতিমধ্যে বহু অনুৰাগীয়ে টিকট সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে কাইলৈৰ পৰা দৰ্শকে প্ৰিয় শিল্পীগৰাকীৰ এই শেষখন ছবি পুনৰ এবাৰ চিত্ৰগৃহত উপভোগ কৰিব পাৰিব। ইয়াৰ লগতে অনলাইন টিকট বুকিং প্লেটফৰ্ম ‘বুক মাই শ্ব’ (BookMyShow)-ত আজিৰ পৰাই ছবিখনৰ আগতীয়া টিকট বুকিং প্ৰক্ৰিয়া উপলব্ধ হৈ পৰিছে। এই সুবিধাৰ বাবে অনুৰাগীসকলে ঘৰতে থাকি অনলাইনৰ জৰিয়তে টিকট সংগ্ৰহ কৰিব পাৰিব।

জন্মদিনৰ শুভেচ্ছাৰ বাবে

আৰু অধিক শক্তিশালী কৰিব। এক্সত প্ৰধানমন্ত্ৰী মোদীয়ে লিখিছে, “কিছুমান মৰমৰ প্ৰকাশ সদায় বিশেষহু #AshirwadKaDiya তেনে এক মৰমৰ প্ৰকাশ, যিয়ে মোক গভীৰভাৱে স্পৰ্শ কৰিছে। প্ৰতিটো আশীৰ্বাদে ভাৰতক আৰু অধিক নিষ্ঠাৰে সেৱা কৰাৰ মোৰ সংকল্প শক্তিশালী কৰে।” ‘আশীৰ্বাদ কা দিয়া’ শীৰ্ষক গীতৰ এক প্ৰতিক্ৰিয়া হিচাপে প্ৰধানমন্ত্ৰীয়ে এই পোষ্ট কৰে। গীতটো গায়িকা স্নেহা শংকৰ আৰু শিল্পী আমান পণ্টে পৰিৱেশন কৰিছে। মোদীৰ জন্মদিন আৰু ৰাজহুৱা জীৱনৰ চপ্ত বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে গীতটো তেওঁলৈ উৎসৰ্গা কৰা হৈছে। ছ’চিয়েল মিডিয়াত গীতটো শ্বেয়াৰ কৰি কয় যে বিগত বছৰসমূহত মোদীৰ ৰাজহুৱা জীৱনৰ যাত্ৰা অনুসৰণ কৰাৰ পিছত তেওঁ আৰু শংকৰে এক বিশেষ শ্ৰদ্ধাঞ্জলি হিচাপে এই গীতটো সৃষ্টি কৰিব বিচাৰিছিল। গীতটোৰ সৈতে প্ৰকাশ কৰা ভিডিঅ’টোত জ্বলি থকা চাকিৰ ছবিক কেন্দ্ৰীয় বিষয়বস্তু হিচাপে ব্যৱহাৰ কৰা হৈছে। এই প্ৰতীকে বিজেপিৰ বিস্তৃত জন্মদিনৰ অভিযানৰ সৈতেও সংগতি ৰাখিছে। বিজেপিয়ে দেশবাসীক ১৭ ছেপ্তেম্বৰত নিজৰ ঘৰত এটা চাকি জ্বলাই প্ৰধানমন্ত্ৰীক শুভেচ্ছা জনাবলৈ আহ্বান জনাইছে। ২০০১ চনত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পৰা আৰম্ভ কৰি ২০১৪ চনত প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱালৈকে মোদীৰ ২৫ বছৰৰ ৰাজহুৱা জীৱন সম্পূৰ্ণ হোৱাৰ উপলক্ষে আয়োজন কৰা উদযাপনৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও মানুহক এই অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিনত সন্ধিয়া ৬ বজাৰ পৰা জ্ঞবজাৰ ভিতৰত নিজ নিজ ঘৰত ‘আশীৰ্বাদ কা দিয়া’ জ্বলাবলৈ আহ্বান জনায়। তেওঁ কয়, “মই এগচি ‘আশীৰ্বাদ কা দিয়া’ জ্বলাম আৰু মোৰ দেশবাসীসকলকো আহ্বান জনাইছোঁ-আহক, আপোনালোকেও এগচি ‘আশীৰ্বাদ কা দিয়া’ জ্বলাই আমাৰ প্ৰধানমন্ত্ৰীৰ দীৰ্ঘায়ু আৰু নিৰন্তৰ সফলতাৰ বাবে প্ৰাৰ্থনা কৰক।” নবীনে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে “জনতাৰ সেৱাই ৰাষ্ট্ৰৰ সেৱা” নীতি অনুসৰণ কৰি আহিছে। প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত বিভিন্ন নীতি আৰু কাৰ্যসূচী প্ৰৱৰ্তনৰ বাবেও তেওঁ মোদীক কৃতিত্ব দিয়ে। তেওঁ কয় যে দেশৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে “অতি কঠিন পৰিস্থিতি”ৰ সন্মুখীন হৈছিল আৰু পৰৱৰ্তী সময়ত নতুন নীতি, কাৰ্যসূচী আৰু আঁচনি প্ৰৱৰ্তন কৰিছিল। নীতিন নবীনৰ মতে, এই পদক্ষেপসমূহে সাধাৰণ মানুহৰ জীৱনত পৰিৱৰ্তন আনিছে। চাকি জ্বলোৱাৰ এই অভিযান বিজেপিৰ এমাহজোৰা ‘সেৱা সংকল্প অভিযান’ৰ অংশ। এই অভিযান ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ চলিব। কাৰ্যসূচীৰ ভিতৰত ৰক্তদান অভিযান, স্বচ্ছতা অভিযান, প্ৰদৰ্শনী, আলোচনা-সভা আৰু অন্যান্য জনসম্পৰ্কমূলক কাৰ্যসূচী অন্তৰ্ভুক্ত আছে।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ৰ অধীনত সাহায্য বিতৰণ

বিশ্বনাথত উপকৃত হ'ব ২০৭৩ গৰাকী হিতাধিকাৰী

অসম বাৰ্তা, বিহালী, ১৭ ছেপ্টেম্বৰ ঃ অসমৰ যুৱপ্ৰজন্মক স্বাৱলম্বী কৰি এক আত্মনিৰ্ভৰশীল ৰাজ্য গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (Chief Minister's Atmanirbhar Asom Abhijan - CMAAA) ১.০ আৰু ২.০ৰ অধীনত বিশ্বনাথ জিলাতো আজি সমষ্টি ভিত্তিত হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে সাহায্য বিতৰণ কৰা হয়। জিলাখনৰ অন্তৰ্গত তিনিওটা বিধানসভা সমষ্টি ক্ৰমে বিশ্বনাথ, বিহালী আৰু গহপুৰত পৃথকে পৃথকে আজি একে সময়তে অনুষ্ঠিত হোৱা এই বিশেষ অনুষ্ঠানত জিলাখনৰ মুঠ ২০৭৩ গৰাকী হিতাধিকাৰীক এই অভিলাষী আঁচনিৰ সাহায্য বিতৰণ কৰা হয়। তথ্য অনুসৰি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ অধীনত ১৯৪ গৰাকী হিতাধিকাৰী আছে। ইয়াৰে বিশ্বনাথ বিধানসভা সমষ্টিত ৩৮ গৰাকী, বিহালী আৰু গহপুৰ বিধানসভা সমষ্টিত ৭৮ গৰাকীকৈ হিতাধিকাৰী উপকৃত হ'ব আৰু এইসকল হিতাধিকাৰীয়ে এক লাখ টকাকৈ সাহায্য লাভ কৰিছে। আনহাতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ অধীনত ১৮৭৯ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। ইয়াৰে বিশ্বনাথ বিধানসভা সমষ্টিত ৫৭০ গৰাকী, বিহালী বিধানসভা সমষ্টিত ৬৩৬ গৰাকী আৰু গহপুৰ বিধানসভা সমষ্টিত আছে ৬৭৩ গৰাকী। জিলাখনৰ এই সকল হিতাধিকাৰীয়ে পঁচিশ হাজাৰ টকাকৈ আৰ্থিক সাহায্য লাভ কৰিছে। এই উপলক্ষে বিশ্বনাথ বিধানসভা সমষ্টিৰ হিতাধিকাৰী সকলৰ মাজত সাহায্য বিতৰণ কৰাৰ বাবে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত সভাখনিত বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক পল্লৱলোচন দাস, বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰঞ্জিত কোঁৱৰ, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ ডীন ড° ৰণেন্দ্ৰ নাথ বৰ্মন, অতিৰিক্ত জিলা আয়ুক্ত অমৃত প্ৰভা দাস, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, সমাজকৰ্মী অসীম দাস প্ৰমুখ্যে সন্মানীয় ব্যক্তিসকল উপস্থিত আছিল। আনহাতে বিহালী বিধানসভা সমষ্টিৰ বৰগাংস্থিত শ্ৰীমন্তশঙ্কৰদেৱ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, বিহালী বিধানসভা সমষ্টিৰ বিধায়ক মুনিন্দ্ৰ দাস, বিহালী সম-জিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ, সহকাৰী আয়ুক্ত সকল, খণ্ড উন্নয়ন বিষয়া প্ৰমুখ্যে সন্মানীয় ব্যক্তিসকল উপস্থিত আছিল। একেদৰে গহপুৰ বিধানসভা সমষ্টিৰ কনকলতা ভৱনত আয়োজিত সাহায্য বিতৰণ অনুষ্ঠানটিত গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰা, গহপুৰ সম-জিলা আয়ুক্ত আদিত্য প্ৰতাপ সিং, গহপুৰ পৌৰসভাৰ পৌৰপতি অতুল বৰা, সহকাৰী আয়ুক্ত সকল, জিলা পৰিষদ, পঞ্চায়ত প্ৰতিনিধি প্ৰমুখ্যে সন্মানীয় ব্যক্তিসকল উপস্থিত আছিল। এই বিশেষ কাৰ্যসুচীত গুৱাহাটীত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কাৰ্যসুচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ তিনিওটা বিধান সভা সমষ্টিত অনুষ্ঠিত হোৱা সাহায্য বিতৰণ অনুষ্ঠান কেইটিত ৫ গৰাকীকৈ হিতাধিকাৰীক সাহায্যৰ চেক প্ৰদান কৰা সাহায্য বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হয়।

জনপ্ৰিয় শিল্পী ফুকন বড়ো, গিৰীশ গৌতম আৰু চিত্ৰশিল্পী হৃষীকেশ শইকীয়াক জনাব সম্বৰ্ধনা; জুবিন সংগীত আৰু সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা

ওদালগুৰি জিলা সাহিত্য সভা আৰু পুৰন্দিয়া সাহিত্য সভাৰ উদ্যোগত জুবিন দিৱস উদযাপনৰ ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৭ ছেপ্টেম্বৰ ঃ ওদালগুৰি জিলা সাহিত্য সভা আৰু পুৰন্দিয়া সাহিত্য সভাৰ উদ্যোগত ১৯ ছেপ্টেম্বৰ তাৰিখে পুৰন্দিয়া আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত সংগীত সুধাকৰ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা হৈছে জুবিন দিৱস আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ সপ্তম কাৰ্যনিৰ্বাহক সভা। পুৱা ৮ -৩০ বজাত ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব। স্মৃতি তৰ্পণ কাৰ্যসূচী পুৰন্দিয়া সাহিত্য সভাৰ সভাপতি ৰজনী কান্ত ডেকাই ৰূপায়ণ কৰা পিছতে সেউজ ধৰণী অভিযান অসমৰ পৃষ্ঠপোষক গোপাল দেৱ শৰ্মা আৰু আদৰণি সমিতিৰ সভাপতি বিপিন চন্দ্ৰ ৰাভাই গছপুলি ৰোপণ কৰিব। সংগীত সুধাকৰ জুবিন গাৰ্গদেৱলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই ৰূপায়ণ কৰিব। সৰ্ব ধৰ্ম প্ৰাৰ্থনা সভাৰ পিছতে ১০ -৩০ বজাত ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিতব্য ওদালগুৰি জিলা সাহিত্য সভাৰ সপ্তম কাৰ্যনিৰ্বাহক সভাখনি জিলা সাহিত্য সভাৰ উপ সভাপতি সন্তোৰাম কছাৰীয়ে উদ্বোধন কৰিব। আনহাতে মঞ্চত জুবিন গাৰ্গে কণ্ঠদান কৰা সংগীত আৰু সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা বিশিষ্ট বেহেলা বাদক নৱজিৎ দাসে উদ্বোধন কৰিব। আবেলি ২- ৩০ বজাত তজৰ আলী আহমেদে সভাপতিত্ব কৰিবলগীয়া মুকলি সভা, সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভাখনত বিশিষ্ট লেখক মুনিন্দ্ৰ বৈশ্যই নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব। পানেৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নাৰায়ণ বড়াই উদ্বোধন কৰিবলগীয়া সভাত মুখ্য অতিথিৰূপে বিধায়ক বিকন চন্দ্ৰ ডেকা, বিশিষ্ট অতিথিৰূপে পাৰিষদ অৰ্জুন দৈমাৰী, মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভা আৰু বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য, সাংস্কৃতিক কৰ্মী বনজাৰ দৈমাৰীয়ে উপস্থিত থাকিব। সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সম্পাদক মণ্ডলী, পুৰন্দিয়া সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সম্পাদক মণ্ডলী, ওদালগুৰি জিলা আছুৰ সভাপতি বিতোপন দাস, আজিৰ কবিতাৰ মুখ্য সম্পাদক বিনয় চলিহা, ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত কুমাৰ বড়ো, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ভূপেন কুমাৰ ৰাভা, ওদালগুৰি জিলা অক্ৰাছুৰ সভাপতি মিণ্টু বৰুৱা, ওদালগুৰি জিলা এজেওৱাইচিপিৰ সভাপতি নিলয় চলিহা, জিলা ৰাভা সাহিত্য সভাৰ সম্পাদক বীৰেন চন্দ্ৰ ৰাভা, জিলা আৰছুৰ শিক্ষা সম্পাদক অৰূপ জ্যোতি ৰাভাৰ লগতে বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। উক্ত অনুষ্ঠানতে জনপ্ৰিয় কণ্ঠশিল্পী ফুকন বড়ো, গিৰীশ গৌতম আৰু বুকছ অফ ৱৰ্ল্ড ৰেকৰ্ডছত স্বীকৃতিপ্ৰাপ্ত উদীয়মান চিত্ৰশিল্পী হৃষীকেশ শইকীয়াক জনাব আন্তৰিক সম্বৰ্ধনা। আনহাতে কবি নিৰুপমা ডেকাৰ লগতে কেবাগৰাকী লেখকৰ গ্ৰন্থ উন্মোচন হ'ব। বিয়লি সমূহীয়া বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। ১৮ ছেপ্টেম্বৰত বিয়লি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জুবিন সংগীত আৰু সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ বাবে নিম্ন লিখিত দূৰভাষ নম্বৰত ৯৮৬৪৭৬৮৬৬১, ৭০০২৪ ৬৭৯৫২, ৬০০১৫৭৬০৯৬, ৯৮৫৪৩১৫৪৮৩, ৭০০২২৯৮১৫৩ যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। ১৯ ছেপ্টেম্বৰৰ জুবিন দিৱস আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ সপ্তম কাৰ্যনিৰ্বাহক সভাখনি সফল ৰূপায়ণ কৰিবলৈ ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, পুৰন্দিয়া সাহিত্য সভাৰ সম্পাদক হিৰণ্য তামোলী আৰু আদৰণি সমিতিৰ সম্পাদকদ্বয় হেমেন শইকীয়া, বিনন্দ হাজৰিকাই ৰাইজৰ উপস্থিতি আৰু সহায় -সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

মাজুলী আৰক্ষীৰ তৎপৰতাত মাদক বিৰোধী অভিযানৰ আন এক সফলতা; পুনৰ ৯.৬৬৪ কিলোগ্ৰাম গাঞ্জা জব্দ

অসম বাৰ্তা, মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ মাজুলীত ড্ৰাগছ, গাঞ্জা আদি নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, সংৰক্ষণ, ক্ৰয়, বিক্ৰী, ব্যৱহাৰ সংক্ৰান্তিয় বিভিন্ন অভিযোগ উত্থাপনৰ পৰিপ্ৰেক্ষিতত এইবোৰৰ বিৰুদ্ধে জিলা আৰক্ষীয়ে বিভিন্ন ঠাইত অভিযান চলাই আহিছে। বিগত সময়ছোৱাত এই অভিযানসমূহত যথেষ্ট পৰিমাণে গাঞ্জা, ড্ৰাগছ আদি নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে মূল অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে জিলা আৰক্ষী। কালি নিশাও আৰক্ষীৰ তেনে এক অভিযানত উদ্ধাৰ হয় বুজন পৰিমাণৰ সন্দেহযুক্ত গাঞ্জা, আটক কৰা হয় গাঞ্জা যোগান ধৰা মূল অভিযুক্তক। যোৱা নিশা গোপন আৰু নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিত মাজুলী আৰক্ষীয়ে জেংৰাইমুখ থানাৰ অন্তৰ্গত মলং গাঁও নিবাসী হৰেণ বৰা নগা (পিতৃ- মৃত ভুৰাম বৰা)ৰ ঘৰত অভিযান চলাই মুঠ ৯.৬৬৪ কিলোগ্ৰাম সন্দেহযুক্ত গাঞ্জা জব্দ কৰে। এই সংক্ৰান্তত আইন অনুসৰি যাৱতীয় প্ৰক্ৰিয়া সম্পন্ন কৰি উক্ত লোকজনক আটক কৰা হৈছে। ঘটনা সন্দৰ্ভত NDPS Act-ৰ সংশ্লিষ্ট ধাৰাত গোচৰ ৰুজুৰ প্ৰক্ৰিয়া চলি আছে বুলি জানিব পৰা গৈছে। আৰক্ষী বিভাগৰ তৎপৰতাত মাজুলীত মাদক দ্ৰব্য ব্যৱহাৰ আৰু ব্যৱসায় প্ৰায় স্তব্ধ হৈ পৰিছে যদিও ভিতৰুৱা অঞ্চলৰ গাঁৱত গোপনে মাদক দ্ৰব্যৰ সৰবৰাহ চলি আছে বুলি ব্যাপক চৰ্চা চলি আছে। বিশেষকৈ মাজুলীৰ বিভিন্ন স্থানত থকা শিৱ মন্দিৰ সমূহত ধৰ্মৰ দোহাই দি গাঞ্জা সৰবৰাহ আৰু সেৱন মুকলি কৈ চলা বুলি অভিযোগ উত্থাপন হৈছে। তদুপৰি গোটকা জাতীয় সামগ্ৰী মাজুলীৰ বিভিন্ন স্থানত মুকলি বেহা চলাই থকা দেখা গৈছে। আৰক্ষী বিভাগে এনে ধৰণৰ ব্যৱসায় বন্ধ কৰাৰ ব্যৱস্থা কৰিবলৈ মাজুলীৰ সচেতন মহলে দাবী জনায়।

আমপুখুৰীত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ পালন

অসম বাৰ্তা, লংকা, ১৭ ছেপ্টেম্বৰ ঃ হোজাই জিলাৰ সমাজ কল্যাণ বিভাগৰ উদ্যোগ ধলপুখুৰী শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্য্যলয়ৰ সহযোগত আজি নৱম ৰাষ্টীয় পোষণ মাহ ২০২৬ৰ লগত সংগতি ৰাখি আমপুখুৰী তিনি আলীৰ আদৰ্শ অংগনবাদী কেন্দ্ৰ প্ৰাংগনত এক বনাৰ্দ্ধ্য কাৰ্য্য সুচীৰে এক পোষণ মেলা আৰু বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে হোজাই জিলাৰ সমাজ কল্যাণ বিভাগৰ DSWO শ্ৰীমতী মনিকা বৰঠাকুৰ ধলপুখুৰী শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া ভৱ জ্যোতি শইকীয়া, চেক্টৰ চুপাৰভাইজাৰ মুনমুন বক্সী, ব্লক কৰডিনেটৰ দীপক সিংহা, উদেষ্ণা এটি জাগৃটি মঞ্চ(NGO), মহিলা মৰ্চাৰ সভেনেত্ৰী প্ৰভামনি কাকতি আৰু ধলপুখুৰী উন্নয়ন মণ্ডলৰ ভাইছ শ্বেয়াৰমেন। এইবাৰ ৰাষ্ট্ৰীয় পোষণ মাহৰ. মূল বিষয়বস্তু হৈছে খাদ্য বৈচিত্ৰ্য আৰু পৰ্য্যপ্ত প্ৰটিন। অনুষ্ঠানত প্ৰদৰ্শনী মেলাৰ আয়োজন কৰা হয়। প্ৰদৰ্শনী মেলাৰ মুখ্য আকৰ্ষণ আছিল ভালুকমাৰী চক্ৰ কেন্দ্ৰসমূহৰ কৰ্মী আৰু সহায়ীকাৰ দ্বাৰা পৰম্পৰা গত খাদ্য সম্ভাৰ থলুৱা পুষ্টিকৰ খাদ্য আৰু প্ৰাকৃতিক উপায়েৰে উৎপাদিত জৈৱিক শাক-পাচলিৰ প্ৰদৰ্শন। প্ৰদৰ্শনী মেলাৰ সমান্তৰালকৈ শিশুসকলকৰ মাজত অনুষ্ঠিত হয় বিভিন্ন ধৰণৰ খেল ধেমালি। চিত্ৰাংকন প্ৰতিযোগিতা লগতে প্ৰতি শিশুৰ উচ্চতা আৰু ওজনো জোখ-মাখ কৰা হয়। আনহাতে মাতৃসকলৰ মাজতো খাদ্য প্ৰস্তুত কৰা প্ৰতিযোগতাও অনুষ্ঠিত হয়।

অইলৰ ৬৭ সংখ্যক বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

অভিলেখ উৎপাদন, 'সমুদ্ৰ মন্থন' আৰু সেউজ শক্তিৰে বিকাশৰ নতুন মাত্ৰা

অসম বাৰ্তা, দুলীয়াজান, ১৭ ছেপ্টেম্বৰ ঃ দেশৰ আগশাৰীৰ মহাৰত্ন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে (অইল) ইয়াৰ ৬৭ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখনি আজি অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথৰ অধ্যক্ষতাত অনুষ্ঠিত কৰে। শ্বেয়াৰহোল্ডাৰসকলক সম্বোধন কৰি ড° ৰথে কোম্পানীটোৰ ভৱিষ্যতৰ বিকাশৰ অগ্ৰাধিকাৰসমূহৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰে, য'ত দেশীয় খাৰুৱা তেল উৎপাদন বৃদ্ধি, গভীৰ জলভাগত অন্বেষণ আৰু স্বচ্ছ শক্তিৰ প্ৰসাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত অইলে উৎপাদনৰ ক্ষেত্ৰত অভিলেখ গঢ়ি দৈনিক ১০, ৫৬৬ মেট্ৰিক টনৰ টাৰ্মিনেল খাৰুৱা তেল উৎপাদন হাৰ অৰ্জন কৰিছে, যি বিগত ১৪ বছৰৰ ভিতৰত সৰ্বোচ্চ। এই বৰ্ষটোত প্ৰতিষ্ঠানটোৱে মুঠ ৩.৪৫০ নিযুত মেট্ৰিক টন খাৰুৱা তেল আৰু ৩.১৮৬ বিলিয়ন ঘন মিটাৰ প্ৰাকৃতিক গেছ উৎপাদন কৰিবলৈ সক্ষম হয়। অইলে মুঠ ৭৪টা কূপৰ খনন সম্পূৰ্ণ কৰাৰ লগতে দশকটোৰ শেষলৈ বাৰ্ষিক ১০ নিযুত মেট্ৰিক টন তেলৰ সমতুল্য উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। বিত্তীয় দিশতো প্ৰতিষ্ঠানটোৱে সফলতা লাভ কৰি ৭, ৫৫১ কোটি টকাৰ সংহত কৰ পৰৱৰ্তী লাভ (PAT) অৰ্জন কৰিছে আৰু কোম্পানীটোৰ সংহত নেট ৱৰ্থ ৫৩, ৭১৬ কোটি টকালৈ বৃদ্ধি পাইছে। ইয়াৰ উপৰিও

প্ৰতিষ্ঠানটোৱে প্ৰতি ইকুইটি শ্বেয়াৰত ১১.৫০ টকাৰ লভ্যাংশ ঘোষণা কৰিছে আৰু বিভিন্ন প্ৰকল্পত ২১, ৬৭৩ কোটি টকা বিনিয়োগ কৰিছে। ভাৰত চৰকাৰে শেহতীয়াকৈ অনুমোদন জনোৱা 'সমুদ্ৰ মন্থন' আঁচনিৰ সৈতে অইলৰ কাৰ্যসূচী ঘনিষ্ঠভাৱে সংযোগ কৰা হৈছে। এই আঁচনিৰ বাবে ২০৩০-৩১ বিত্তীয় বৰ্ষলৈ ৮৪, ০৮৪ কোটি টকা ব্যয় নিৰ্ধাৰণ কৰা হৈছে। অইলে বৰ্তমান আন্দামান, মহানদী, কৃষ্ণা-গোদাৱৰী আৰু কেৰেলা-কংকান আদি অৱবাহিকাত নিজৰ সাগৰীয় অন্বেষণ চলাই আছে। শেহতীয়াকৈ আন্দামান অৱবাহিকাৰ বিজয়াপুৰম-২ আৰু ৩ ত প্ৰাকৃতিক গেছৰ আৱিষ্কাৰে গভীৰ সাগৰীয় অন্বেষণৰ ক্ষেত্ৰত অইলক এক বৃহৎ সফলতা প্ৰদান কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি আন্তঃগাঁথনি সুদৃঢ় কৰাৰ লক্ষ্যৰে নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ শোধন ক্ষমতা ৩ এম এম টি পি এৰ পৰা ৯ এম এম টি পি এলৈ সম্প্ৰসাৰণৰ কাম পূৰ্ণগতিত চলি আছে। একে সময়তে নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতাও ১.৭২ নিযুত মেট্ৰিক টনৰ পৰা ৫.৫ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি কৰা হৈছে। নেট জিৰ' ২০৪০ ৰ লক্ষ্য স্থিৰ কৰি অইলে স্বচ্ছ শক্তিৰ ক্ষেত্ৰখনতো দ্ৰুতগতিত কাম কৰি আছে। প্ৰতিষ্ঠানটোৱে নিৰ্গমন ১৮ শতাংশ আৰু গেছ জ্বলন ৩২ শতাংশ হ্ৰাস কৰিবলৈ সক্ষম হৈছে। ২৩, ৭৩১ কোটি টকাৰ ৰাষ্ট্ৰীয় 'গোবৰ্ধন' আঁচনিৰ সহায়ত অইল গ্ৰীণ এনাৰ্জী লিমিটেডৰ (OGEL) জৰিয়তে সংকুচিত জৈৱ-গেছ(CBG)আৰু আৱৰ্জনাৰ পৰা শক্তি উৎপাদন প্ৰকল্পসমূহত বিনিয়োগ বৃদ্ধি কৰা হৈছে। ড° ৰথে সামৰণিত কয় যে দেশৰ শক্তি সুৰক্ষা আৰু আত্মনিৰ্ভৰশীলতা শক্তিশালী কৰাৰ লগতে 'বিকশিত ভাৰত ২০৪৭'ৰ ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হোৱাৰ দিশত অইল ইণ্ডিয়া লিমিটেড সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

পুঠিমাৰীত লুইত কণ্ঠ জুবিন গাৰ্গ সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতা

অসম বাৰ্তা, পাঠশালা, ১৭ ছেপ্টেম্বৰ ঃ জুবিন গাৰ্গৰ গীত সকলোৱে গায়, তেওঁৰ সৃষ্টি সকলোৱে মনত ৰাখে কিন্তু জুবিনদাৰ আদৰ্শত এনেকুৱা এটা কাম কৰিব লাগিব যত নৱ-প্ৰজন্মৰ কাৰণে শিক্ষাৰ কিবা এটা ধনাত্মক প্ৰভাৱ পেলাব পাৰো। জুবিনদাৰ উদ্দেশ্য আছিল যে নৱ-প্ৰজন্মক শিক্ষাৰ ক্ষেত্ৰখনত আগুৱাই লৈ যোৱা। প্ৰতিযোগিতাখনত কেৱল জুবিনদাৰ কৰ্মজীৱন, অসমীয়া সংস্কৃতিৰ প্ৰতি দি যোৱা অৱদান এই সমূহৰ ওপৰত প্ৰশ্ন ৰাখিয়ে কুইজ প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হৈছে। হেল্প' লাইফ ফাউণ্ডেশ্যনৰ উদ্যোগত আৰু সমন্বয় যুৱ পৰিষদৰ সহযোগত ১৬ ছেপ্তেম্বৰ বুধবাৰে পুঠিমাৰী অম্বিকাগিৰী হাইস্কুলত "লুইত কণ্ঠ জুবিন গাৰ্গৰ সোঁৱৰণ"'ত এখনি প্ৰাইজমানি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰাণৰ শিল্পী "লুইত কণ্ঠ জুবিন গাৰ্গৰ কৰ্ম জীৱন, সংগীত আৰু অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদান সোঁৱৰণ কৰাৰ লগতে নৱপ্ৰজন্মৰ মাজত তেখেতৰ কৰ্মৰাজি আৰু সৃষ্টিৰাজিৰ বিষয়ে প্ৰজ্ঞান আৰু আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ দহ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ সাত হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে পাছ হাজাৰ টকা প্ৰদান কৰিছে। ৰাতিপুৱাৰ পৰা পৰিৱেশ নিকাকৰন, গছপুলি ৰোপণ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি আৰু মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন চক্ৰৱৰ্তীয়ে। বিএইচবি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° নমিতা দাস গুৰুং, পুঠিমাৰী অম্বিকাগিৰী হাইস্কুলৰ শিক্ষক ত্ৰিদিব চৌধুৰী, অম্বিকাগিৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক নিৰঞ্জন চৌধুৰী, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অনিল চন্দ্ৰ দাস, সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক ৰঞ্জন মেধি, অম্বিকাগিৰী হাইস্কুলৰ প্ৰধান শিক্ষক যোগেন চন্দ্ৰ পাঠক, জনপ্ৰিয় ইউটুবাৰ দিম্পু বৰুৱা গ্ৰীন মিছন বজালীৰ সঞ্চালক আনন্দ খাটনিয়াৰ, বিশিষ্ট সমাজকৰ্মী দিপুল পাটগিৰী, গদাধৰ কলিতাৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত হোৱাত সমন্বয় যুৱ পৰিষদৰ সভাপতি কৃষাণ তালুকদাৰ, সভাপতি সমৰজিৎ দাস তথা বিষয়ববীয়াই শলাগ জ্ঞাপন কৰে।

ড্ৰাগছ-সুৰা সৰবৰাহ বন্ধ আৰু অবৈধ বাংলাদেশী বিতাড়নৰ দাবীত আমগুৰিৰ হালোৱাটিঙত অসমীয়া যুৱ মঞ্চৰ প্ৰতিবাদ

অসম বাৰ্তা, চেলেংহাট, ১৭ ছেপ্টেম্বৰ ঃ অসমৰ প্ৰতিটো প্ৰান্ততে বৰবিহস্বৰূপ ড্ৰাগছ আদি নিচাযুক্ত দ্ৰব্যৰ ব্যাপক প্ৰসাৰ ঘটি থকাৰ সময়তে ইয়াৰ অবৈধ সৰবৰাহৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে অসমীয়া যুৱ মঞ্চ। দীৰ্ঘদিন ধৰি নিচামুক্ত সমাজ আৰু নিচামুক্ত অসম গঢ়াৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহাৰ পাছতো ৰাজ্য চৰকাৰে ড্ৰাগছৰ সৰবৰাহ বন্ধ কৰিবলৈ সক্ষম নোহোৱাৰ অভিযোগত মঙলবাৰে সংগঠনটোৰ আমগুৰি আঞ্চলিক সমিতিয়ে হালোৱাটিঙৰ ৬১নং ৰাষ্ট্ৰীয় ঘাইপথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে হালোৱাটিং অঞ্চলত অবাধে চলি থকা ড্ৰাগছ, অবৈধ সুৰা আৰু বাৰ্মিজ চুফাৰীৰ সৰবৰাহ বন্ধ কৰাৰ দাবী উত্থাপন কৰে। প্ৰতিবাদস্থলীত হালোৱাটিং আৰক্ষী উপস্থিত হোৱাৰ পিছত সংগঠনৰ কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক আকাশ শইকীয়াই আৰক্ষীক প্ৰত্যক্ষভাৱে জবাবদিহি কৰে। অঞ্চলটোত দুখনকৈ আৰক্ষী থানা আৰু তালাচী চকী থকাৰ পিছতো কেনেদৰে এই অবৈধ সামগ্ৰীসমূহ অবাধে সৰবৰাহ হৈ থাকে বুলি শইকীয়াই প্ৰশ্ন উত্থাপন কৰে। লগতে হালোনাটিঙ অঞ্চলত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়ৰ সৈতে জড়িত বুলি সততে অভিযোগ উত্থাপন হোৱা পিনাকী, জুহিতা, বিন্দু আৰু ৰেবত ওৰফে বাবাটুৰ বিৰুদ্ধে প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাই সংগঠনটোৱে। ইয়াৰোপৰি এই অবৈধ ব্যৱসায়ৰ সৈতে জড়িত থকা বুলি অভিযোগ উত্থাপন কৰি অবৈধ বাংলাদেশী বিতাড়নৰ বাবেও মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচাৰে অসমীয়া যুৱ মঞ্চই। আকাশ শইকীয়াই কয় যে, নিচামুক্ত সমাজ আৰু নিচামুক্ত অসম গঢ়াৰ লক্ষ্যত অনাগত দিনতো ৰাইজৰ সহযোগত অসমীয়া যুৱ মঞ্চই বিভিন্ন পদক্ষেপ হাতত লৈ যাব। প্ৰতিবাদী কাৰ্যসূচীত সংগঠনৰ কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক আকাশ শইকীয়া, আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি প্ৰাঞ্জল হাজৰিকা, সাধাৰণ সম্পাদক অংকুৰ গগৈৰ লগতে সংগঠনৰ সদস্য আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

আটক ছাত্ৰ মুক্তিৰ সংগ্ৰাম সমিতিৰ দুই ছাত্ৰ নেতা

লাহৰীঘাটত জন্মদিনৰ দিনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পুত্তলিকা দাহ

অসম বাৰ্তা, লাহৰীঘাট, ১৭ ছেপ্টেম্বৰ ঃ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিনৰ দিনাই লাহৰীঘাট বজাৰৰ মাজমজিয়াত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত মোদীৰ পুত্তলিকা দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰধানমন্ত্ৰী গৰাকীৰ জন্মদিনৰ দিনা এগচিকৈ বন্তি প্ৰজ্বলনৰ আহ্বান জনাই ছিল ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উপ সভাপতি ফেৰদৌছ জিন্নাৰ উপস্থিতত আজি সন্ধিয়া লাহৰীঘাট বজাৰৰ মাজ মজিয়াত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পুত্তলিকা দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীৰ পৰা লাহৰীঘাট আৰক্ষীয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উপ সভাপতি ফেৰদৌছ জিন্না আৰু কৃষক মুক্তিৰ কৰ্মী মোস্তাক আহমেদকৰ লগতে আন তিনিজন কৰ্মীক আটক কৰে।

উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰতিনিধি সভা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৭ ছেপ্টেম্বৰ ঃ উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰতিনিধি সভাখন অংচা জিলদৈ শ্যাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। সভাত আঞ্চলিক ছাত্ৰ সন্থাৰ সাংগঠনিক দিশ, ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা আৰু ভৱিষ্যৎ কাৰ্যসূচী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাৰ অন্তত সৰ্বসন্মতিক্ৰমে ৫১জনীয়া নতুন সমিতি গঠন কৰা হয়। নতুন সমিতিখনত সভাপতি

৫১ জনীয়া নতুন সমিতি গঠন

হিচাপে কুলদ্বীপ বৰা আৰু সাধাৰণ সম্পাদক হিচাপে প্ৰানজিৎ কোঁৱৰক দায়িত্ব অৰ্পণ কৰা হয়। নতুন সমিতিয়ে আগন্তুক দিনত ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত কাম কৰাৰ লগতে অঞ্চলটোৰ শিক্ষা, সামাজিক আৰু সাংগঠনিক ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ সংকল্প গ্ৰহণ কৰে। বাৰ্ষিক প্ৰতিনিধি সভাত ছাত্ৰ সন্থাৰ বিষয়ববীয়া, প্ৰতিনিধি আৰু বিভিন্ন আঞ্চলিক পৰ্যায়ৰ সদস্যসকল উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন